www.asombarta.in

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

কৰ্মশক্তিয়ে আমাক তিনিটা অতি ভয়ঙ্কৰ অনিষ্টকাৰী শক্তিৰ পৰা ৰক্ষা কৰিব পাৰে - আলস্য, বদ অভ্যাস আৰু অভাৱ। — ফৰাচী দাৰ্শনিক ভল্টেয়াৰ

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

❑ সপ্তম বছৰ ❑ সংখ্যা - ৩ ❑ দেওবাৰ ❑ ৪ জানুৱাৰী, ২০২৬ চন ❑ ১৯ পুহ, ১৯৪৭ শক ❑ VOL - 7 ❑ NO.- 3 ❑ Sunday ❑ 4th January, 2026 ❑ মূল্য ঃ ১০.০০ টকা ❑ মুঠ পৃষ্ঠা ঃ ৮

❑ অভিযুক্তৰ মুখত দেখা নাই কোনোধৰণৰ অনুশোচনা ঃ গৰিমা ❑

## সত্ৰ ন্যায়াধীশৰ আদালতত সম্পন্ন জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ তৃতীয়টো শুনানি

শুনানিৰ সময়ত আদালতত উপস্থিত পত্নী গৰিমা শইকীয়া গাৰ্গ



**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৩ জানুৱাৰী ঃ** অসমৰ প্ৰিয় কণ্ঠশিল্পী তথা সাংস্কৃতিক আইকন জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ তদন্তৰ এটা গুৰুত্বপূৰ্ণ শুনানি আজি কামৰূপ মহানগৰ জিলা আদালতত সম্পন্ন হৈছে। শুনানিৰ সময়ত জুবিনৰ পত্নী গৰিমা শইকীয়া গাৰ্গ আদালতত উপস্থিত আছিল আৰু তেওঁৰ উপস্থিতিয়ে গোচৰটোক আৰু অধিক » ৬ পৃষ্ঠাত

বিৰোধী একত্ৰিত হৈ বিজেপিক উৎখাত কৰাৰ আহ্বান অখিল গগৈৰ

## মৰিয়নী সমষ্টিৰ ৰাইজৰ দলৰ প্ৰাৰ্থী ঘোষণা অখিল গগৈৰ




**অসম বাৰ্তা, আমগুৰি, ৩ ডিচেম্বৰ ঃ** সমাগত বিধানসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি আজি মৰিয়নী সমষ্টিৰ জাঁজী হাঁহচৰাত ৰাইজৰ দলে কাৰ্যালয় স্থাপন কৰি ৰণডংকা বজাই সমাগত » ৬ পৃষ্ঠাত

■ নিম্ন প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালয় সমূহলৈ প্ৰাথমিক শিক্ষা সঞ্চালকালয়ৰ নিৰ্দেশ জাৰি ■

# পুনৰ ৰাজ্যৰ ৯১খন বিদ্যালয়ক একত্ৰীকৰণৰ নিৰ্দেশ



**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৩ ডিচেম্বৰ ঃ** অসম চৰকাৰে ৰাজ্যৰ প্ৰাথমিক শিক্ষাৰ গুণগত মান উন্নয়নৰ হকে গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে। শিক্ষা ক্ষেত্ৰ আঁচনিৰ অধীনত ৰাজ্যৰ বিভিন্ন জিলাৰ মুঠ ৯১খন নিম্ন প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালয় একত্ৰীকৰণৰ নিৰ্দেশ দিয়া হৈছে। প্ৰাথমিক শিক্ষা সঞ্চালকালয়ৰ দ্বাৰা জাৰি কৰা এই নিৰ্দেশত উল্লেখ কৰা হৈছে যে, অতিৰিক্ত বিত্তীয় বোজাৰ প্ৰয়োজন নোহোৱাকৈ বিদ্যমান প্ৰতিবছৰৰ আঁচনিৰ ধনৰে প্ৰয়োজনীয় ব্যৱস্থাৰ » ৬ পৃষ্ঠাত

সম্প্ৰতি বিপদমুক্ত দুয়ো; পথেৰে গৈ থকা অৱস্থাত খুন্দিয়ায় তীব্ৰবেগী মটৰ চাইকেলে

## ভয়ংকৰ পথ দুৰ্ঘটনাত আহত বলীউডৰ অভিনেতা আশিস বিদ্যাৰ্থীসহ পত্নী ৰূপালী বৰুৱা



**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৩ জানুৱাৰী ঃ** বলীউডৰ জনপ্ৰিয় অভিনেতা তথা অসমৰ জোঁৱাই আশিস বিদ্যাৰ্থী আৰু তেওঁৰ পত্নী ৰূপালী বৰুৱা শুকুৰবাৰে মাজনিশা গুৱাহাটী মহানগৰীৰ জু-ৰোডত এখন তীব্ৰগতিৰ মটৰচাইকেলৰ খুন্দাত আহত হয়। ঘটনাটো সংঘটিত হয় গীতানগৰ আৰক্ষী থানাৰ অন্তৰ্গত জু-ৰোডৰ 'দ্য গুৱাহাটী এড্ৰেছ' নামৰ হোটেলখনৰ » ৬ পৃষ্ঠাত

## অসম বিধানসভা নিৰ্বাচনৰ প্ৰাৰ্থী বাছনিৰ নেতৃত্ব ল'ব প্ৰিয়ংকা গান্ধীয়ে

প্ৰিয়ংকা গান্ধীৰ হাতত অসম কংগ্ৰেছৰ টিকট বিতৰণৰ চাবিকাঠি; '২৬ নিৰ্বাচনৰ বাবে স্ক্ৰীণিং কমিটী গঠন



**নিউজ ডেস্ক, অসম বাৰ্তা, ৩ জানুৱাৰী ঃ** অসমত আগন্তুক বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতি তীব্ৰতৰ হৈ উঠিছে। কংগ্ৰেছ দলে এই নিৰ্বাচনৰ বাবে প্ৰাৰ্থী নিৰ্বাচনৰ প্ৰক্ৰিয়াত এক গুৰুত্বপূৰ্ণ » ৬ পৃষ্ঠাত

সত্ৰ ন্যায়াধীশৰ আদালতত অমৃতপ্ৰভা মহন্তৰ জামিন আবেদন দাখিল

## অমৃতপ্ৰভাৰ পিছতেই আন তিনি অভিযুক্তই পালে অধিবক্তা




**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৩ জানুৱাৰী ঃ** অসমৰ প্ৰখ্যাত শিল্পী জুবিন গাৰ্গৰ ছিংগাপুৰত হোৱা ৰহস্যজনক মৃত্যুৰ ঘটনাই ৰাজ্য তথা দেশজুৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰাৰ মাজতে এই গোচৰৰ মূল অভিযুক্ত তিনিগৰাকীয়ে আইনী যুঁজৰ বাবে শক্তিশালী অধিবক্তা নিয়োগ » ৬ পৃষ্ঠাত

মন্ত্ৰী গোটৰ প্ৰতিবেদনক লৈ অসন্তুষ্ট আক্ৰাছু

## ৯ জানুৱাৰীত ১২ ঘণ্টীয়া অসম বন্ধ

**অসম বাৰ্তা, গোসাঁইগাঁও, ৩ জানুৱাৰী ঃ** আক্ৰাছুৰ আন্দোলনৰ কাৰ্যসূচী মন্ত্ৰীগোটৰ প্ৰতিবেদনক লৈ অসন্তুষ্ট আক্ৰাছু আগন্তুক ৯ জানুৱাৰীত ১২ ঘণ্টীয়া অসম বন্ধ ঘোষণা কৰিছে। » ৬ পৃষ্ঠাত

## বিশ্বৰ ৮০০ কোটি লোকে প্ৰকৃতিক ভাল পালে সকলো সমস্যা নাইকিয়া হ'ব ঃ অৰণ্য মানৱ যাদৱ পায়েং




**নিউজ ডেস্ক, অসম বাৰ্তা, ৩ জানুৱাৰী ঃ** প্ৰকৃতি ধ্বংসৰ ফলত ব্ৰহ্মপুত্ৰৰ জলস্তৰ হ্ৰাস পোৱাৰ লগতে উত্তৰ-পূব ভাৰতত পানীৰ চৰম সংকটৰ আশংকা প্ৰকাশ কৰিছে পদ্মশ্ৰী বঁটা বিজয়ী 'অৰণ্য মানৱ' যাদৱ পায়েংগে। গোলকীয় উষ্ণতা বৃদ্ধিৰ ফলত এণ্টাৰ্কটিকা, উত্তৰ মেৰু আৰু হিমালয়ৰ বৰফ » ৬ পৃষ্ঠাত

## আইপিএলৰ পৰা মুকলি কৰা হ'ল বাংলাদেশী পেচাৰ মুস্তাফিজুৰ ৰহমানক


বিচিচিআইৰ সিদ্ধান্ত




**নিউজ ডেস্ক, অসম বাৰ্তা, ৩ জানুৱাৰী ঃ** ভাৰত-বাংলাদেশৰ মাজত বাঢ়ি অহা সংঘাত আৰু বাংলাদেশত সংখ্যালঘু হিন্দু সম্প্ৰদায়ৰ ওপৰত সংঘটিত হিংসাত্মক ঘটনাৰ » ৬ পৃষ্ঠাত

এমজিএনৰেগা বাচাও সংগ্ৰাম


## দেশজুৰি কংগ্ৰেছে ঘোষণা কৰিলে তিনি পৰ্যায়ৰ আন্দোলন



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৩ জানুৱাৰী ঃ** কেন্দ্ৰীয় চৰকাৰে সদ্য কাৰ্যকৰী কৰা বিকচিত ভাৰত - গেৰাণ্টি ফৰ ৰোজগাৰ এণ্ড আজীৱিকা মিচন (গ্ৰামীণ) (ভিবি-জি ৰাম জি) আইনৰ জৰিয়তে মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ গেৰাণ্টি আইন (এমজিএনৰেগা)ক কেন্দ্ৰীভূত কৰি কামৰ অধিকাৰক দুৰ্বল কৰাৰ অভিযোগ উত্থাপন কৰি কংগ্ৰেছ দলে » ৬ পৃষ্ঠাত

আৰএছএছ অৰ্ধসামৰিক সংগঠন; বিজেপিৰ লগত তুলনা নহয় ঃ মোহন ভাগৱত

## বিজেপিয়ে স্বাধীনভাৱে কাম কৰে, আৰএছএছে নিয়ন্ত্ৰণ নকৰে !



**অনলাইন ডেস্ক, অসম বাৰ্তা, ৩ জানুৱাৰী ঃ** আৰ এছ এছৰ মুৰব্বী মোহন ভাগৱতে কয় যে ইউনিফৰ্ম আৰু ড্ৰিল কৰোৱাৰ পিছতো আমাৰ সংগঠনটো কোনো অৰ্ধসামৰিক গোট নহয়। বিজেপি » ৬ পৃষ্ঠাত

## নেপালত বিমান দুৰ্ঘটনা; কেইবাজনো আহত

**ইণ্টাৰনেছনেল ডেস্ক, অসম বাৰ্তা, ৩ জানুৱাৰী ঃ** ২০২৬ চনৰ নতুন বছৰৰ প্ৰথম সপ্তাহতে নেপালত এক ভয়ংকৰ বিমান দুৰ্ঘটনাৰ ঘটনাই সকলোকে স্তব্ধ » ৬ পৃষ্ঠাত

## ভেনিজুৱেলাৰ কাৰাকাছত আমেৰিকাৰ ভয়ংকৰ আকাশী আক্ৰমণ; পত্নীসহ দেশখনৰ ৰাষ্ট্ৰপতিক বন্দী



■ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ নিৰ্দেশত এই আক্ৰমণ ■

**ইণ্টাৰনেছনেল ডেস্ক, অসম বাৰ্তা, ৩ জানুৱাৰী ঃ** আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ নিৰ্দেশত ভেনিজুৱেলাত চলোৱা বৃহৎ মাপৰ সামৰিক আক্ৰমণত ৰাজধানী কাৰাকাছসহ বিভিন্ন অঞ্চলত একাধিক শক্তিশালী বিস্ফোৰণৰ ঘটনা সংঘটিত হৈছে। এই আক্ৰমণৰ পিছতে ট্ৰাম্পে ঘোষণা কৰিছে যে, ভেনিজুৱেলাৰ ৰাষ্ট্ৰপতি নিকোলাছ মাদুৰো আৰু তেওঁৰ পত্নী চিলিয়া ফ্ল'ৰেছক আমেৰিকান বিশেষ বাহিনীয়ে » ৬ পৃষ্ঠাত



# বকোত গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ তথা বিজেপি যুৱ নেতা মৃগেন শৰণীয়াৰ সাংবাদিকৰ সৈতে মত বিনিময়

**অসম বাৰ্তা, বকো, ২ জানুৱাৰী ঃ** "সমষ্টি আমাৰ দায়িত্বও আমাৰ" শীৰ্ষক শ্লোগানেৰে সমগত অসম বিধানসভাৰ সাধাৰণ নিৰ্বাচনৰ প্ৰচাৰ চলাইছে বি জে পিয়ে। নিৰ্বাচনৰ বাবে প্ৰতিটো ৰাজনৈতিক দলে চলাইছে নিৰ্বাচনী প্ৰচাৰ আৰু ৰণকৌশল। পিছ পৰি ৰোৱা নাই চৰকাৰৰ দায়িত্বত থকা ভাৰতীয় জনতা পাৰ্টিয়েও। সেয়ে বকো-ছয়গাঁও বিধানসভা সমষ্টিত ভাৰতীয় জনতা পাৰ্টীৰ প্ৰাৰ্থীত্ব প্ৰত্যাশীয়েও ন ন কৌশলেৰে ভোটাৰৰ মন আকৃষ্ট কৰিবলৈ চেষ্টা অব্যাহত ৰাখিছে। এই ক্ষেত্ৰত দুখোজ আগত দৌৰিছে গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়া। কামৰূপ জিলাৰ বকোত মেয়ৰ লগতে বি জে পি



নেতা তথা বকো-ছয়গাঁও বিধানসভা সমষ্টিত প্ৰাৰ্থীত্ব প্ৰত্যাশী মৃগেন শৰণীয়াই সমষ্টিটোৰ গাৱে গাৱে ঘূৰি প্ৰচাৰ চলোৱাৰ উপৰিও বিভিন্ন আদৱ কায়দাৰে ভোটাৰৰ মন আকৃষ্ট কৰিবলৈ চেষ্টা অব্যাহত ৰাখিছে। উল্লেখ্য যে-প্ৰচাৰ সুদৃঢ় কৰিবলৈ আজি বকোৰ সৰ্বজনীন দুৰ্গা পূজা মণ্ডপত আয়োজন কৰে বিশেষ মত বিনিময় কাৰ্য্যসূচী। বকো প্ৰেছ ক্লাৱৰ সাংবাদিক আৰু বৌদ্ধিক শুভাকাংক্ষীৰ সহযোগত আয়োজন কৰে এক মত বিনিময় আৰু অন্তৰঙ্গ আলাপৰ অনুষ্ঠান। প্ৰকাশ যে-বকো প্ৰেছ ক্লাৱৰ উপৰিও অন্যান্য প্ৰান্তৰ সাংবাদিক তথা পৰ্টেলৰ সাংবাদিক সকলেও অংশগ্ৰহণ কৰে। ইফালে মত বিনিময় আৰু অন্তৰঙ্গ আলাপৰ অনুষ্ঠানত মৃগেন শৰণীয়াই কয় যে- নতুন চিন্তা নতুনৰ উত্তোৰণৰ লক্ষ্য হৈছে বকো-ছয়গাঁও সমষ্টিৰ উন্নয়ন। লগতে নৱ উদ্যমেৰে সমষ্টিটো গঢ়াৰ মানস কৰি নিজৰ দায়িত্বভাৱে উন্নতিৰ পৰিৱৰ্তন আনিব বিচাৰিছে বুলি ঘোষণা কৰে ২০১৬ চনৰ পৰা গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ হিচাপে জনতাৰ সেৱক মৃগেন শৰণীয়াই। ইয়াৰ উপৰিও ৰাজ্যৰ লগতে বকোৰ সামাজিক; সাংস্কৃতিক আৰু অৰ্থনৈতিক, ৰাজনৈতিক বিষয়ৰ ওপৰত আলোকপাত কৰে। বকোৰ সাংবাদিক সকলোৰ মাজত সমন্বয়ৰ বাৰ্তা প্ৰেৰণ কৰে। মত বিনিময় অনুষ্ঠানৰ জৰিয়তে ২০২৬ বৰ্ষৰ আগমনৰ শুভেচ্ছা জ্ঞাপন কৰে লগতে সমাগত মাঘ তথা ভোগালী বিহুৰ ওলগ জনায় মৃগেন শৰণীয়াই।

# নলবাৰী জিলাৰ বৰক্ষেত্ৰীৰ দমদমাত তৃতীয় বাৰ্ষিক দিবা-নৈশ ক্ৰিকেট প্ৰতিযোগিতা

**অসম বাৰ্তা, বৰক্ষেত্ৰী, ২ জানুৱাৰী ঃ** নলবাৰী জিলাৰ বৰক্ষেত্ৰীৰ দমদমাত 'ইলেভেন ষ্টাৰ ক্ৰিকেট ক্লাৱ'ৰ সৌজন্যত মৰহুম ছাহেদ আলী খলিফাৰ সোঁৱৰণীত দিবা-নৈশ তৃতীয় বাৰ্ষিক প্ৰাইজমানী ক্ৰিকেট প্ৰতিযোগিতা আজিৰে পৰা আৰম্ভ হৈছে। স্থানীয় উদ্যমী যুৱক জাকিৰ হুছেইনক সভাপতি, ৰফিকুল ইছলামক উপ সভাপতি আৰু সম্পাদকদ্বয় ক্ৰমে হবিবৰ ৰহমান আৰু লালচান্দ আলীৰ লগতে ইলেভেন ষ্টাৰ ক্ৰিকেট ক্লাৱৰ সমূহ সদস্যবৃন্দৰ উপস্থিতিত আজি ২ জানুৱাৰীৰ পৰা প্ৰাইজমানী ক্ৰিকেট প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। এই প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ হিচাপে ৫০, ০০১ টকা,



দ্বিতীয় পুৰস্কাৰ ৩০, ০০১ টকাৰ বিপৰীতে ভৰ্তি মাচুল ৩, ০০১ টকা নিৰ্ধাৰণ কৰা হৈছে। উক্ত ক্ৰিকেট প্ৰতিযোগিতাত সৰ্বমুঠ ১৬টা দলে অংশগ্ৰহণ কৰিব বুলি জানিব দিয়ে উদ্যোক্তাসকলে। খেলখন আই চি চিৰ নিয়মৰ ভিত্তিত চলিব বুলি জানিব পৰা গৈছে। ইচ্ছুক প্ৰতিটো দলে এটা নতুন নিভিয়া ব'ল জমা দিব লাগিব। ইয়াৰ পিছৰ খেলসমূহ ৰাতিপুৱা ১১ বজাৰ পৰা আৰম্ভ কৰা হ'ব। এজন খেলুৱৈয়ে কেৱল এটা দলতহে খেলিব পাৰিব। থ্ৰো বল নচলিব আৰু প্ৰতিটো দলে নিজাববীয়াকৈ খেলৰ সামগ্ৰী আনিব লাগিব। প্ৰত্যেক খেলত 'মেন অব দ্যা মেচ' হিচাপে এটা ট্ৰফি দিয়া হ'ব। প্ৰতিটো দলৰ বাবে জাৰ্চী আৰু জোতা বাধ্যতামূলক কৰা হৈছে। ছেমিফাইনেল আৰু ফাইনেল খেলখন দিবা-নৈশ হ'ব বুলি জানিব দিয়ে খেলৰ সভাপতি জাকিৰ হুছেইনে। আজি অনুষ্ঠিত হোৱা খেলখন উদ্বোধন কৰে ৬৫ নং লাৰকুছি কাপলাবড়ী গাঁও পঞ্চায়তৰ সভাপতি নাচিৰ আহমেদে। আজিৰ খেলত কুৰিহামাৰী ক্ৰিকেট দল আৰু বেলবেলি ক্ৰিকেট দলে অংশগ্ৰহণ কৰে। আজিৰ খেলত বেলবেলি ক্ৰিকেট দলে জয়লাভ কৰে। উক্ত খেলত অংশগ্ৰহণ কৰিব বিচৰা ইচ্ছুক দলসমূহে 9101265883, 8638838621, 9101921138, 9395184469 নম্বৰত যোগাযোগ কৰিব পাৰিব বুলি জনাইছে উদ্যোক্তাসকলে।

# ৰূপহীহাটত চাৰিখন বাহনৰ পৰা ২৫ টাকৈ গৰু জব্দ; আটক ১৩

**অসম বাৰ্তা, ৰূপহীহাট, ২ জানুৱাৰী ঃ** ৰূপহীহাটৰ নগাঁও-নলতলি ৰাজ্যিক ঘাইপথত য়োৱানিশ আৰক্ষীয়ে অবৈধ গৰু সৰবৰাহৰ বিৰুদ্ধে অভিযান চলাই। আৰক্ষীৰ অভিয়ানত ৪টা বাহনৰ পৰা ২৫ টাকৈ গৰু জব্দ কৰে। গো-সুৰক্ষা আইনক ভেঙুচালি কৰি ৪ খন বাহনে কঢ়িয়াই আনিছিল গৰুখিনি। আৰক্ষীয়ে গৰু কঢ়িওৱা ৪খন বাহন জব্দ কৰে। জব্দ কৰা বাহন কেইখনৰ নম্বৰ হৈছে এএছ-৩২-ই-৯৮৮০, এএছ-০১-এনচি-৬০২৩.এএছ-০২-ডিচি-৬৫২২ আৰু এএছ-০২-ডিচি-৫১৫৬। আৰক্ষীয়ে বাহন ৪ খনৰ চালক -হেণ্ডিমেনসহ ১৩জন লোকক আটক কৰি জেৰা অব্যাহত ৰাখিছে।

এটা সফল কাৰ্যকালৰ সামৰণি

# তিনিচুকীয়াৰ পৰা জিলা আয়ুক্ত স্বপ্নীল পালৰ আনুষ্ঠানিক বিদায়

**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ২ জানুৱাৰী ঃ** তিনিচুকীয়া জিলাৰ আয়ুক্ত স্বপ্নীল পালে আজি জিলাখনৰ পৰা আনুষ্ঠানিকভাৱে বিদায় লয়। অসম চৰকাৰৰ শেহতীয়া নিৰ্দেশনা অনুসৰি ভাৰতীয় প্ৰশাসনিক সেৱাৰ বিষয়াগৰাকীক কামৰূপ মহানগৰ জিলাৰ আয়ুক্ত হিচাপে বদলি কৰা হৈছে। আজি বিয়লি জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এখন সভাত কাৰ্যালয়ৰ সমূহ বিষয়া-কৰ্মচাৰীয়ে তেখেতক আনুষ্ঠানিকভাৱে বিদায় সম্ভাষণ জনায়। জিলা উন্নয়ন আয়ুক্ত জাভেদ আৰমান প্ৰমুখ্যে জ্যেষ্ঠ বিষয়াসকলে বিদায়ী আয়ুক্ত গৰাকীৰ সবল আৰু সস্নেহ নেতৃত্ব, কৰ্মক্ষেত্ৰত দেখুওৱা উৎসৰ্গীকৃত মনোভাব আৰু দক্ষতাৰ ভূয়সী প্ৰশংসা কৰে। ইফালে পালে জিলাখনত তেখেতৰ কাৰ্যকালত সহযোগিতা আগবঢ়োৱা প্ৰতিজন বিষয়া-কৰ্মচাৰীৰ প্ৰতি আন্তৰিক কৃতজ্ঞতা প্ৰকাশ কৰে। সভাত অতিৰিক্ত আয়ুক্ত মিৰ্জানা হুছেইন, সংঘমিত্ৰা বৰুৱা, পঙ্কজ ৰাজবংশী প্ৰমুখ্যে বিষয়াসকলো উপস্থিত থাকে। উল্লেখযোগ্য যে, যোৱা দুবছৰৰ অধিক সময়ৰ তেখেতৰ



এই কাৰ্যকালতে তিনিচুকীয়া জিলাই প্ৰশাসনিক উৎকৰ্ষৰ বাবে ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় পৰ্যায়ত কেইবাটাও বঁটা লাভ কৰিবলৈ সক্ষম হৈছিল। জিলা প্ৰশাসনক গতিশীল আৰু জনমুখী কৰি তোলাত তেখেতে গুৰুত্বপূৰ্ণ অৰিহণা আগবঢ়াইছিল। আজি তেওঁ অস্থায়ী ভাৱে জিলা উন্নয়ন আয়ুক্ত জাভেদ আৰমানৰ হাতত কাৰ্যভাৰ অৰ্পন কৰে। নতুন জিলা আয়ুক্তই দায়িত্বভাৰ নোলোৱা পৰ্যন্ত তেওঁ জিলাৰ ভাৰপ্ৰাপ্ত আয়ুক্ত হিচাপে কাৰ্যনিৰ্বাহ কৰিব।

# মেৰাপানীত নৱবৰ্ষৰ প্ৰথম দিনটোতেই দুজনকৈ লোকৰ মৃত্যু

**অসম বাৰ্তা, মেৰাপানী, ২ জানুৱাৰী ঃ** নৱবৰ্ষৰ প্ৰথম দিনটোত আজি চৌদিশে উলহ-মালহৰ মাজতেই গোলাঘাট জিলাৰ মেৰাপানীত মহিলা সহ দুজনকৈ লোকৰ গা ধুবলৈ গৈ পানীত পৰি মৃত্যু হোৱা ঘটনাই অঞ্চলটোত এক চাঞ্চল্যৰ সৃষ্টি হৈছে। তথ্য মতে মেৰাপানী আৰক্ষী থানাৰ অন্তৰ্গত তিতাবৰ টঙিয়া গাঁৱৰ ৰাধা চুতীয়া নামৰ (৬০) মহিলা গৰাকীয়ে দুপৰীয়া ঘৰৰ ওচৰতে থকা পুখুৰীত গা ধুবলৈ গৈ পানীত পৰি মৃত্যু ঘটে। বহু সময় ধৰি মহিলা গৰাকী ঘৰলৈ উভতি নহাত পৰিয়ালৰ লোকে পুখুৰীত মহিল গৰাকীৰ মৃতদেহ উদ্ধাৰ কৰে আৰু লগে লগে স্থানীয় আৰক্ষীক ঘটনাৰ সন্দৰ্ভত অৱগত কৰে। আনহাতে আজি নৱবৰ্ষৰ প্ৰথম দিনটোতেই পদুম পথাৰ বিলটোপ ঘাটৰ দৈয়াং নদীত গা ধুবলৈ গৈ আন এজন লোকৰ মৃত্যু ঘটে যদিও বাতৰি লিখা সময়লৈকে মৃতদেহ উদ্ধাৰ হোৱা নাই। তথ্য মতে ডিফু ৰ এজন লোক বিলটোপ ঘাটৰ সমিপৰ বিয়ৌয়েকৰ ঘৰলৈ বুলি আজি দুদিনৰ পুৰ্বে আহিছিল আৰু আজি দুপৰীয়া কাষতে থকা দৈয়াং নদীত গা ধুবলৈ গৈ দৈয়াং নদীত সন্ধানহীন হয়। প্ৰত্যক্ষদৰ্শীয়ে এই প্ৰতিবেদকক জনোৱা মতে উক্ত লোক জনে কাপোৰ কানি সলাই নদীৰ পাৰত থৈ নদীত গা ধুবলৈ বুলি নামি যায়। কিছু সময় গা ধুৱাৰ পিছত লোকজন কিছু দ-পানীলৈ নামি যায় লগে লগে মানুহজন নাইকিয়া হৈ পৰে। প্ৰত্যক্ষদৰ্শীয়ে লগে লগে চিঞৰ বাসৰ কৰে। সন্তেক পিছতেই সেই স্থানত স্থানীয় বহু লোক উপস্থিত হয় আৰু নাও লৈ মৃতদেহৰ সন্ধানত নামি পৰে যদিও সন্ধিয়া সময়লৈকে মৃতদেহ উদ্ধাৰ হোৱা নাই। ঘটনাৰ সন্দৰ্ভত স্থানীয় মেৰাপানী আৰক্ষীক খবৰ দিয়াত আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহ সন্ধান অব্যাহত ৰাখিছে বুলি জানিব পৰা গৈছে।

# ৰূপহীহাটৰ কাছখাইতিত কোৱাটাৰ ফাইনেলৰ ফুটবলত আশীঘৰ জয়ী



**অসম বাৰ্তা, ৰূপহীহাট, ২ জানুৱাৰী ঃ** ৰূপহীহাটৰ কাছখাইতি এম বি স্কুল খেল পথাৰত কাছখাইতি মিলন সংঘৰ উদ্যোগত হিয়াৰ আমঠু জুবিন গাৰ্গ মেম'ৰিয়েল চলন্ত ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ খেলত আজি অন্তিমখন কোৱাৰ্টাৰ ফাইনেলত আশীঘৰ ক্লাবে কলিয়াবৰ ক্লাৱক ২-১ গলত পৰাজিত কৰে। আজিৰ খেলত মুখ্য অতিথি হিচাপে উপস্থিত থাকে ভাৰতীয় জনতা পাৰ্টীৰ ৰাষ্ট্ৰীয় কাৰ্যনিৰ্বাহক সদস্য তথা চামগুৰি সমষ্টিৰ প্ৰাৰ্থীত্ব প্ৰত্যাশী যুৱ নেতা নাজিৰ হুছেইন। নগাঁও জিলাৰ নেমছুৰ সভাপতি মঞ্জিৰুল ইছলাম, কাঞ্চনপুৰ গাঁও পঞ্চায়তৰ সভাপতি আনোৱাৰ হুছেইনসহ বিশিষ্ট গণ্য মান্য ব্যক্তি সকল।

### শীতৰ নিশা বনৰীয়া হাতীৰ সন্ত্ৰাসত ভীতিগ্ৰস্ত গ্ৰামাঞ্চলৰ ৰাইজ

# গোৱালপাৰাত আহত বন্যহস্তীক চিকিৎসাৰ চেষ্টা বনবিভাগৰ

**ষ্টাফ ৰিপৰ্টাৰ, দুধনৈ, ২ জানুৱাৰী ঃ** গোৱালপাৰা জিলাত বনৰীয়া হাতী আৰু মানুহৰ সংঘাতে তীব্ৰ ৰূপ ধাৰণ কৰিছে। প্ৰতিদিনেই নিশাৰ ভাগত বনৰীয়া হাতীয়ে গ্ৰামাঞ্চলৰ ৰাইজৰ ঘৰ দুৱাৰ ভাঙি লণ্ডভণ্ড কৰাৰ সমান্তৰাকৈ ধান চাউল খাই তহিলং কৰে। বনৰীয়া হাতী আৰু মানুহৰ সংঘাতৰ পৰিণতিত মানুহৰ মৃত্যু হোৱাৰ লগতে গুৰুতৰ ভাবে আহত হৈছে। আনহাতে গোৱালপাৰা জিলাত বিগত কিছুদিন ধৰি ভিন্ন প্ৰান্তত অকলশৰীয়াকৈ আহত অবস্থাত বিচৰণ কৰি থকা এটা প্ৰকাণ্ড বনৰীয়া হাতীক ট্ৰেংকুলাইজ কৰি চিকিৎসা প্ৰদান কৰাৰ চেষ্টা অব্যাহত ৰাখিছে ৰংজুলি বন বিভাগে। গোৱালপাৰা জিলাৰ আজি দিনৰ ভাগত ৰংজুলি বনাঞ্চলিক কাৰ্যালয়ৰ অন্তৰ্গত কুশধোঁৱা ৰং ৰং পাৰাত বিচৰণ কৰি থকা আঘাত প্ৰাপ্ত অকলশৰীয়া বন্যহস্তীটোক আজি চিকিৎসা প্ৰদানৰ বাবে ট্ৰেংকুলাইজ কৰাৰ চেষ্টা কৰা হয় যদিও সন্ধিয়ালৈ বন বিভাগ আৰু চিকিৎসকৰ দলটোৱে ট্ৰেংকুলাইজ কৰিব নোৱাৰাৰ বাবে হাতীটো আটক কৰিব নোৱাৰিলে। ইতিমধ্যে গুৱাহাটী চিৰিয়াখানাৰ পৰা অহা এটা চিকিৎসকৰ দল আহি বন বিভাগৰ সৈতে লগ লাগিছে। আনহাতে চিকিৎসকৰ দলটোৱে বন্যহস্তীটো সামান্য আঘাতপ্ৰাপ্ত হোৱা বুলিহে জানিবলৈ দিয়ে বন বিভাগক। আঘাতপ্ৰাপ্ত বন্যহস্তীটোক ট্ৰেকুলাইজ নকৰাকৈ নিৰীক্ষণত ৰাখি খাদ্যৰ জৰিয়তে চিকিৎসকে ১০ দিনৰ দৰৱ খুৱাবলৈ পৰামৰ্শ আগবঢ়াইছে বন বিভাগক। আনহাতে ৰংজুলি বনাঞ্চলিক কাৰ্যালয়ৰ বন বিষয়া গৰাকীয়ে কয় যে বন বিভাগৰ দলে অকলশৰীয়া আঘাতপ্ৰাপ্ত বন্যহস্তীটোক সম্পূৰ্ণ নিৰীক্ষণত ৰখা হৈছে বুলিও জানিবলৈ দিয়ে।

# দৈয়াং মিউজিকেল ফেষ্টিভেলৰ সফল সামৰণি

**অসম বাৰ্তা, মেৰাপানী, ২ জানুৱাৰী ঃ** গোলাঘাট জিলা মেৰাপানী থানাৰ অন্তৰ্গত চাউদাং পথাৰ দ চুকত বৃহত্ত্ব দৈয়াং অঞ্চলক সামৰি দৈয়াং ৰ নৱপ্ৰজন্মক সংগীতৰ মঞ্চ দিয়াৰ উদ্দেশ্যে যোৱা ৩১ ডিচেম্বৰত এদিনীয়া কাৰ্যসূচীৰে দৈয়াং মিউজিকেল ফেষ্টিভেল আয়োজন কৰে। দৈয়াংৰ বিশিষ্ট নাগৰিক, প্ৰাক্তন শিক্ষক নিৰ্মল বৰাই উদ্বোধন কৰা দৈয়াং মিউজিকেল ফেষ্টিভেলৰ শুভাৰম্ভণি কৰে। অনুষ্ঠানটী আত ধৰে দৈয়াং মিউজিকেল ফেষ্টিভেলৰ সভাপতি গজেন বৰা আৰু সম্পাদক ভাৰ্গৱ বৰাই। অনুষ্ঠানত প্ৰাক্তন শিক্ষক পোনাৰাম ঠেঙাল, জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ গোলাঘাট জিলা সমিতিৰ সম্পাদক বিদ্যুৎ বৰা, গোলাঘাট জিলা ছাত্ৰ সন্থাৰ উপ-সভাপতি সঞ্জীৱ সোণোৱাল, গোলাঘাট মহকুমা ছাত্ৰ সন্থাৰ উপ-সভাপতি বিতুপন গগৈ, মেৰাপানী প্ৰেছ ক্লাৱৰ সম্পাদক ভদ্ৰেশ্বৰ বৰা, ঠেঙাল কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ সদস্য পদ্মেশ্বৰ শইকীয়া, সোণোৱাল কছাৰী স্বায়ত্ত পৰিষদৰ সদস্য ৰাজু সোণোৱাল, আদি কৰি বহু গণ্য মান্য ব্যক্তি। দৈয়াংৰ ২০ জনৰো অধিক উদীয়মান কণ্ঠশিল্পীয়ে পৰিবেশন কৰা গীতে সৰ্বাংগ সুন্দৰ কৰি তোলে দৈয়াং মিউজিকেল ফেষ্টিভেল।

# ৩ জানুৱাৰীত যোৰহাট পকামূৰা উঃ মাঃ বিদ্যালয়ৰ বছৰজোৰা সোণালী জয়ন্তীৰ সামৰণী অনুষ্ঠান

**অসম বাৰ্তা, পশ্চিম যোৰহাট, ২ জানুৱাৰী ঃ** ১৯৭২ চনতে অঞ্চলটোৰ ৰাইজে হাইস্কুলৰূপে প্ৰতিষ্ঠা কৰা যোৰহাট পকামূৰা উচ্চতৰ মাধ্যমিকলৈ উন্নীতকৰণ কৰাৰ পাছৰে পৰা বৰ্ষজোৰাকৈ সোণালী জয়ন্তী উদ্‌যাপন কৰি থকাৰ লগতে ২০২৬ চনৰ ৩ জানুৱাৰীত সামৰণী অনুষ্ঠান অনুষ্ঠিত কৰিবলৈ সমিতিয়ে প্ৰস্তুতি চলাইছে। সেই দিনা বিদ্যালয়খনৰ পতাকা অধ্যক্ষ জয়ন্ত হাজৰিকাই উত্তোলন কৰাৰ পাছতে স্মৃতি তৰ্পণ কৰিব উদযাপন সমিতিৰ কাৰ্যকৰী সভাপতি প্ৰণৱ হাজৰিকা আৰু তোৰণ উন্মোচন কৰিব দুলাল শইকীয়া, দেৱেন বৰশইকীয়াই। নাম-প্ৰসংগৰ পাছতে উদ্‌যাপন সমিতিৰ সভাপতি, প্ৰাক্তন বিধায়ক হেমন্ত কলিতাৰ সভাপতিত্বত অনুষ্ঠিত হ'বলগীয়া মুকলি সভাত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰিব ভাৰত চৰকাৰৰ বৈদেশিক পৰিক্ৰমা বিভাগৰ ৰাজ্যিক মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই। বিশিষ্ট অতিথিৰূপে সাংসদ গৌৰৱ গগৈ, বিধায়ক ভবেন্দ্ৰনাথ ভৰালী, যোৰহাট জিলাৰ আয়ুক্ত জয় শিৱানী, সম-জিলাৰ আয়ুক্ত মগেন নৰহ, বিদ্যালয়সমূহৰ পৰিদৰ্শক বুলি গগৈ ভূঞাৰ লগতে ভালেকেইগৰাকী ব্যক্তিয়ে অংশগ্ৰহণ কৰিব। সভাত স্মৃতিগ্ৰন্থ উন্মোচন কৰাৰ লগতে সাংস্কৃতিক কাৰ্যসূচী শিক্ষাৰ্থীসকলে ৰূপায়ণ কৰাৰ লগতে 'ৰাম পৰাজয়, সীতাৰ পাতাল গমন' ভাওনাত নিশালৈ অভিনয় কৰিব। স্থানীয় ৰাইজৰ উপস্থিতি আৰু সহযোগিতা সমিতিয়ে কামনা কৰিছে।

# চেন্নাইত অনুষ্ঠিত নেশ্যনেল স্কুল গেমছৰ ১৭ বছৰ অনুৰ্দ্ধ টেবুল টেনিছত ডিব্ৰুগড়ৰ ৪ খেলুৱৈৰ সফলতা

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ২ জানুৱাৰী ঃ** চেন্নাইৰ পেৰামবালুৰত ২৬ ৰ পৰা ৩০ ডিচেম্বৰলৈ অনুষ্ঠিত হোৱা নেশ্যনেল স্কুল গেমছ ফেডাৰেচন অব ইণ্ডিয়াৰ সৌজন্যত অনুষ্ঠিত হোৱা প্ৰতিযোগিতাত অসম দলৰ ১৭ বছৰ অনুৰ্ধ টেবুল টেনিছত ডিব্ৰুগড়ৰ চাৰি জনীয়া দলটোৱে ৰূপৰ পদক অৰ্জন কৰিবলৈ সক্ষম হয়। উল্লেখযোগ্য যে অসম দলৰহৈ খেলা চাৰিওজন খেলুৱৈ হৈছে ডিব্ৰুগড় জিলা স্পৰ্টছ এচোছিয়েচনৰ অন্তৰ্ভুক্ত। অসমে মহাৰাষ্ট্ৰ, ওড়িশা, আই এছ চি আই, গোৱা, আৰু বংগক পৰাস্ত কৰি ফাইনেলত চি বি এছ ইৰ হাতত ৰানাৰ্ছ আপৰ স্থান দখল কৰে। দলটোক প্ৰতিনিধিত্ব কৰে স্বপ্ননীল দত্ত, সমৰ্থ মোডী, অভিক্ষিত চাংমাই, আৰু ফৈজান হুছেইনে। এই সাফল্যৰ বাবে ডিব্ৰুগড় জিলাৰ লগতে সমগ্ৰ অসমলৈ গৌৰৱ কঢ়িয়াই অনাৰ বাবে খেলুৱৈ সকলক ডিব্ৰুগড় স্পৰ্টচ এচোছিয়েশ্যনৰ ফালৰ পৰা অভিনন্দন জ্ঞাপন কৰা হয়।

গোৱালপাৰাৰ আঠগৰাকীয়ে লাভ কৰিব এই সুবিধা


# ৰাজ্যৰ উদাসীন ভকতলৈ মাহিলী আৰ্থিক মঞ্জুৰী

**ষ্টাফ ৰিপৰ্টাৰ, দুধনৈ, ২ জানুৱাৰী ঃ** আজি পুৱা ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যৰ উদাসীন ভকতসকলৈ আৰ্থিক সহায় আগবঢ়োৱাৰ বাবে গুৱাহাটীত অংশগ্ৰহণ কৰা এক অনুষ্ঠানত উল্লেখ কৰে যে-ৰাজ্যৰ ভিন্ন স্থানত থকা সত্ৰসমূহত থকা উদাসীন ভকত সকললৈ ৰাজ্য চৰকাৰৰ ফালৰ পৰা প্ৰতি মাহে ১৫০০/- টকাকৈ আৰ্থিক সহায় আগবঢ়োৱাৰ সিদ্ধান্তগ্ৰহণ কৰিছে। উক্ত অনুষ্ঠানত গোৱালপাৰা জিলা আয়ুক্তৰ কাৰ্যালয়ৰ পৰাও ভাৰ্চুৱেলী অংশ গ্ৰহণ কৰা হয়। ইয়াৰ লগত সংগতি ৰাখি আজি ৰাতিপুৱা গোৱালপাৰা জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাগৃহত জিলা আয়ুক্ত প্ৰদীপ টিমুংৰ লগতে মাহিলী আৰ্থিক অনুদান লাভ কৰা জিলাখনৰ আঠ গৰাকী উদাসীন ভকত উপস্থিত থাকে। গোৱালপাৰা পশ্চিম সমজিলাৰ সমজিলা আয়ুক্ত নৱজিৎ পাঠক, অতিৰিক্ত জিলা আয়ুক্ত জগদীশ ব্ৰহ্ম, ভাৰপ্ৰাপ্ত জ্যেষ্ঠ উন্নয়ন বিষয়া ত্ৰিবেণী কছাৰী আৰু সহকাৰী আয়ুক্ত তথা জিলা তথ্য আৰু জনসংযোগ বিষয়া মেৰী হাজৰিকা উপস্থিত থাকে। মুখ্যমন্ত্ৰী গৰাকীৰ লগতে উক্ত অনুষ্ঠানত সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মাননিয় মন্ত্ৰী বিমল বৰা মহোদয়েও কৰে। গোৱালপাৰা জিলাৰ সত্ৰৰ আঠ গৰাকী উদাসীন ভকত ক্ৰমে প্ৰদীপ ভকত, বিবেকানন্দ দাস, পৰেশ নাথ, জয়ৰাম নাথ, হৰিচৰণ নাথ, চক্ৰধৰ দাস, পংকজ কলিতা আৰু কপিল কৃষ্ণ মেধী।

# ৰূপহীহাটত ২৬টাকৈ পৰিভ্ৰমী চৰাই উদ্ধাৰ

**অসম বাৰ্তা, ৰূপহীহাট, ৩ জানুৱাৰী ঃ** লাওখোৱা অভয়াৰণ্যৰ গড়াজান বন বিভাগে আজি চোৰাং পৰিভ্ৰমী চৰাই চিকাৰীৰ বিৰুদ্ধে এক অভিযান চলাই। বন বিভাগে ৰূপহীহাটৰ তাৰাবাৰী আৰু ঔঅনাত চোৰাং পৰিভ্ৰমী চৰাই চিকাৰীৰ বিৰুদ্ধে অভিযান চলাই ২৬ টাকৈ পৰিভ্ৰমী চৰাই উদ্ধাৰ কৰে। উদ্ধাৰ কৰা চৰাই কেইটা বন বিভাগে লাওখোৱা অভয়াৰণ্যৰ দন্ধুৱা বিলত মুকলি কৰি দিয়ে। উল্লেখ্য যে শীতৰ আগমনৰ লগে-লগে লাওখোৱা অভয়াৰণ্যৰ আশে-পাশে থকা বিল জলাশয় সমূহত বিভিন্ন দেশী-বিদেশী পৰিভ্ৰমী চৰাইৰ আগমন ঘটে। এই সময়তে এটা চক্ৰই পৰিভ্ৰমী নিধন নামি পৰে। বন বিভাগে মাজে-মাজে চোৰাং চিকাৰীৰ বিৰুদ্ধে অভিযান চলাই চৰাই উদ্ধাৰ কৰে যদিও চোৰাং চিকাৰীক আটক কৰিব নোৱাৰা বিষয়টো ৰহস্যজনক।

# জাঁজীৰ সন্তান, সশস্ত্ৰ সীমা বলৰ হেড কনিষ্টবল অনন্ত দত্তলৈ গোল্ডেন ডিস্ক মেডেল আৰু প্ৰশংসাৰ পত্ৰ



**অসম বাৰ্তা, জাঁজী, ৩ জানুৱাৰী ঃ** অনন্ত দত্তৰ সাফল্যত জাঁজীবাসী গৌৰৱান্বিত। শিৱসাগৰ জিলাৰ জাঁজীৰ সন্তান, সশস্ত্ৰ সীমা বলৰ( সাধাৰণ কৰ্তব্য) হেড কণিষ্টবল অনন্ত দত্তক প্ৰশংসনীয় সেৱা আৰু নিষ্ঠা, কঠোৰ পৰিশ্ৰম আৰু দায়বদ্ধতাৰ বাবে সশস্ত্ৰ সীমা বলৰ সঞ্চালক প্ৰধান, ভাৰত চৰকাৰ, গৃহ মন্ত্ৰালয়ৰ পৰা GOLDEN DISC (Medal) & COMMENDATION CERTIFICATE লাভ কৰে। উলেক্ষ যে যোৱা ২০ ডিচেম্বৰত এছ এছ বিৰ ৬২ সংখ্যক বাৰ্ষিকী দিৱস উপলক্ষে DG SSBৰ হৈ সীমান্ত মন্ত্ৰালয়ৰ মহাপৰিদৰ্শকে( মুখ্যালয়) এছ এছ বি তেজপুৰৰ ৬৮ বাহিনীত অনন্ত দত্তক এই সন্মান প্ৰদান কৰে। ইয়াৰোপৰি দত্তই, ইয়াৰ পূৰ্বেও ২০১৬ চনৰ গণৰাজ্য দিবসত চিলভাৰ ডিস্ক মেডেলেৰে সন্মানিত হৈছিল। অনন্ত দত্ত শিৱসাগৰ জিলাৰ জাঁজী ফুলপানীছিগা গড়কোষ গাঁৱৰ পবিত্ৰ দত্ত আৰু ৰেণু দত্তৰ কনিষ্ঠ পুত্ৰ।

# ৰূপহীহাটত ড্ৰাগছসহ গ্ৰেপ্তাৰ ১

**অসম বাৰ্তা, ৰূপহীহাট, ৩ জানুৱাৰী ঃ** ৰূপহীহাটত ড্ৰাগছৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান অব্যাহত আছে। ৰূপহীহাট আৰক্ষীয়ে আজি আবেলি এক গোপন সূত্ৰৰ পম খেদি ছাইদৰীয়াত ড্ৰাগছৰ বিৰুদ্ধে অভিযান চলাই। আৰক্ষীৰ অভিযানত এটা চাবোনৰ বাকচভৰ্তি ড্ৰাগছসহ এজন সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। ধৃত সৰবৰাহকাৰীজন হল শোনিতপুৰ জিলাৰ দোলাবাৰীৰ আশিক ইকবাল। আশিক ইকবালে ড্ৰাগছখিনি ছাইদৰীযাৰ পৰা ৰূপহী বজাৰত বিক্ৰী কৰিবলৈ লৈ যোৱাৰ সময়তে



ৰূপহীহাট আৰক্ষীৰ জালত পৰে। আৰক্ষীয়ে জব্দ কৰা ড্ৰাগছখিনিৰ ওজন ০৯.৪২ গ্ৰাম। ৰূপহীহাট আৰক্ষীয়ে অধিক তথ্যৰ বাবে ধৃত সৰবৰাহকাৰীটোক জেৰা অব্যাহত ৰাখিছে।

স্বায়ত্ত্ব পৰিষদসমূহে উন্নয়নতকৈ নিজৰ স্বকীয় ঐতিহ্য সুৰক্ষিত কৰাত অধিক গুৰুত্ব দিয়াৰ প্ৰয়োজন

# মৰিগাঁৱত তিৱা জনগোষ্ঠীৰ পিতৃপুৰুষ ইন্দ্ৰচিং দেউৰী, সৌৰ্য বীৰ্যৰ প্ৰতীক জোঙাল বলহুৰ পূৰ্ণাংগ প্ৰতিমূৰ্তি উন্মোচন মন্ত্ৰী ডাঃ ৰণোজ পেগুৰ

## কংগ্ৰেছে সমস্যাৰ খেতিহে কৰে, বিজেপিয়ে কিন্তু সমাধান কৰে

**ষ্টাফ ৰিপৰ্টাৰ, মৰিগাঁও, ৩ জানুৱাৰী ঃ** তিৱা স্বায়ত্ব পৰিষদৰ মৰিগাঁও চহৰস্থিত মুখ্য কাৰ্যালয়ত আজি তিৱা জনগোষ্ঠীটোৰ পিতৃপুৰুষ ইন্দ্ৰচিং দেউৰী আৰু সৌৰ্য বীৰ্যৰ প্ৰতীক ৰজা বীৰ জোঙাল বলহুৰ একোটাকৈ পূৰ্ণাংগ প্ৰতিমূৰ্তি উন্মোচন কৰে অসম চৰকাৰৰ ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ কল্যাণ তথা শিক্ষা বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে। তিৱা স্বায়ত্ব পৰিষদৰ কাৰ্যালয় প্ৰাংগনত পুৱাৰ ভাগত এক মাংগলিক পৰিৱেশত প্ৰতিমূৰ্তি দুটা উন্মোচনৰ উপৰিও এক কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিব ওলোৱা এটা অত্যাধুনিক সভাগৃহৰ আধাৰশিলা স্থাপন কৰে মন্ত্ৰী ডাঃ পেগুৱে। এই উপলক্ষে অনুষ্ঠিত এখন ৰাজহুৱা সভাত ভাষণ প্ৰদান কৰি মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কয় যে- ৰাজ্যৰ স্বায়ত্ব পৰিষদ সমূহে কেৱল উন্নয়নৰ ক্ষেত্ৰতে ব্যস্ত হৈ নাথাকি সংশ্লিষ্ট জনগোষ্ঠীটোৰ ভাষা, কৃষ্টি, সংস্কৃতি, পৰম্পৰা আৰু ঐতিহ্য সুৰক্ষাত অধিক গুৰুত্ব প্ৰদান কৰিব লাগিব। স্বকীয় পৰিচয় সুৰক্ষিত কৰিব নোৱাৰিলে উন্নয়ন বাৰুকৈয়ে অৰ্থহীন হৈ পৰিব। তেওঁ লগতে কয় যে জনজাতি সকলৰ হাতত অৰণ্য, নদ-নদী, পাহাৰ-পৰ্বত আৰু নিভাঁজ প্ৰকৃতি আছে। জনজাতিসকলে এই প্ৰাকৃতিক উপাদান সমূহৰ পূজা কৰে। সেই বাবেই হয়তো ধৰিত্ৰী কিছুপৰিমাণে হলেও সুৰক্ষিত হৈ আছে। প্ৰকৃতিক পূজা কৰা সকলেই সনাতন ধৰ্মী। প্ৰাক বৈদিক যুগৰ পৰাই সনাতন ধৰ্ম পালন কৰি আহিছে জনজাতীয় লোক সকলে। তেওঁ অসমৰ জনজাতি সকলৰ স্বাধিকাৰ সংগ্ৰামৰ বাটকটীয়া ইন্দ্ৰচিং দেউৰীক প্ৰতিটো জনজাতি জনগোষ্ঠীয়ে সদায় স্মৰণ কৰি থাকিব বুলি মন্তব্য কৰে। তেওঁ ভাষণ প্ৰসংগত কয় যে - '৮৩ৰ নেলী হত্যাকাণ্ড সম্পৰ্কত তিৱাৰী আয়োগে দাখিল কৰা প্ৰতিবেদনখনত জনজাতি সকলৰ ভূমিত অবৈধ প্ৰব্ৰজনকাৰীৰ বেদখল আৰু ইয়াৰ পৰিপ্ৰেক্ষিতত জনজাতি সকলৰ মাজত ক্ষোভৰ বহিঃ প্ৰকাশ সম্পৰ্কত পৃষ্ঠাই পৃষ্ঠাই উল্লেখ আছে। তেওঁ লগতে কয় যে কংগ্ৰেছ দলটোৱে শাসনত থকাৰ কালচোৱাত কেৱল সমস্যা সমূহৰ খেতি কৰিছিল। ৰাজনৈতিক লাভালাভৰ বাবে সমস্যা সমূহৰ সমাধান নকৰি ইয়াকে পাগুলিয়াই আছিল। ইয়াৰ বিপৰীতে বিজেপি চৰকাৰে সমস্যা সমূহৰ সমাধানক সদায়ে প্ৰাধান্য দি আহিছে। আনকি বহুকেইটা জটিল আৰু জ্বলন্ত সমস্যা সমাধান কৰিবলৈকো সক্ষম হৈছে। তিৱা স্বায়ত্ব পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য জীৱন চন্দ্ৰ কোঁৱৰে সভাত আদৰণি ভাষণ প্ৰদান কৰি তিৱা সকলৰ লগতে অসমৰ জনগোষ্ঠী সমূহৰ মৌলিক সমস্যা ৰাজিৰ সমাধানৰ ক্ষেত্ৰত দেখুৱা সদিচ্ছাৰ বাবে বিজেপি চৰকাৰৰ শলাগ লয়। তিৱা স্বায়ত্ব পৰিষদৰ কাৰ্যবাহী সদস্য প্ৰণৱজ্যোতি মছৰঙে আঁত ধৰা সভাখনত তিৱা জনগোষ্ঠীটোৰ পিতৃপুৰুষ ইন্দ্ৰচিং দেউৰীৰ জীৱন আৰু তিৱা জাতিটোৰ বাবে আগবঢ়োৱা তেওঁৰ অৱদানৰ ওপৰত আলোকপাত কৰে সদৌ তিৱা ছাত্ৰ সন্থাৰ উপদেষ্টা তথা সংগ্ৰামী নেতা ৰিমল আমছিয়ে। সভাত তিৱা স্বায়ত্ব পৰিষদৰ অধ্যক্ষ মদন বৰদলৈ, কাৰ্যবাহী সদস্য খগেন বৰদলৈ, প্ৰাক্তন মুখ্য কাৰ্যবাহী সদস্য ক্ৰমে নাৰায়ণ কুমাৰ ৰাডুকাকতি, পৱন মান্তা, চহৰীয়া ৰাজ্যৰ ৰজা সুৰেন কোঁৱাৰ, তিৱা ৰাজ দৰবাৰৰ সম্পাদক জুৰচাং বৰদলৈ, তিৱা নৃত্য গুৰু নাদিৰাম দেউৰী, মৰিগাঁৱৰ জিলা আয়ুক্ত অনামিকা তেৱাৰী, মৰিগাঁৱৰ পৌৰপতি যোগেশ তামুলী, জিলা পৰিষদৰ সভাপতি প্ৰণতি কলিতা, বিশিষ্ট সমাজকৰ্মী বাবুল বৰা, যুৱ নেতা অজিত ডেকা, প্ৰবীণ মেধি, বিষ্ণু ভাগৱতী, অৰ্চনা বৰদলৈ, প্ৰশান্ত মছৰং, কৃষ্ণ কোঁৱৰ, ৰবাৰ্ট লুম্ফুই প্ৰমুখ্যে বহুকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# মাকুমত হিতাধিকাৰীসকলৰ অন্তৰংগ বাৰ্তালাপ অনুষ্ঠানত উপস্থিত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল



**অসম বাৰ্তা, মাকুম, ৩ জানুৱাৰী ঃ** আজি মাকুম মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হোৱা নৱগঠিত মাকুম বিধানসভা সমষ্টিৰ অন্তৰ্গত বিভিন্ন আঁচনিৰ আধাৰশিলা আৰু শুভ উদ্বোধন তথা প্ৰধান মন্ত্ৰীৰ অভিলাষী কাৰ্যসূচীৰ হিতাধিকাৰীৰ সৈতে অন্তৰংগ বাৰ্তালাপ অনুষ্ঠানত উপস্থিত হয় ভাৰত চৰকাৰৰ বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰালয়ৰ কেবিনেট মন্ত্ৰী তথা ডিব্ৰুগড় লোক সভা সমষ্টিৰ সাংসদ সৰ্বানন্দ সোণোৱাল। কেন্দ্ৰীয় মন্ত্ৰী গৰাকী উপস্থিত হোৱাৰ লগে লগে বিজেপি দলৰ দলীয় কাৰ্য্যকৰ্তা সকলে উষ্ম আদৰণি জনোৱাৰ পাছতেই ২০২৪ -২৫ বৰ্ষৰ মাকুম বিধান সভা সমষ্টিৰ অন্তৰ্গত অনিৰ্ধাৰিত পূজিৰে নিৰ্মাণ হব লগা ক্ৰমে পাঁচ লাখ টকা আবণ্টিত পুঁজিৰ বিষ্ণুপুৰ খেল পথাৰৰ আধাৰশিলা স্থাপন, আৰু দহ লাখ টকাৰ আবণ্টিত পুঁজিৰ পানীতোলা গাঁৱৰ শ্মশান সীমা দেৱাল নিৰ্মাণৰ আধাৰশিলা স্থাপন আৰু গুইজান জগন্নাথ আশ্ৰমৰ সামূহিক ভৱনৰ আধাৰশিলা স্থাপনৰ লগতে অনিৰ্ধাৰিত পূজিৰে নিৰ্মাণ সম্পূৰ্ণ হোৱা পোন্ধৰ লাখ টকাৰ আবণ্টিত পুঁজিৰ "হাতীজান গেৰুৱাচুক নামঘৰৰ সীমা দেৱাল নিৰ্মাণ "ৰ শুভ উদ্বোধন আৰু পঞ্চাশলাখ আবণ্টিত পুঁজিৰ "মাকুম মহাবিদ্যালয় আন্তঃ গাঁথনি কামৰ আধাৰশিলা স্থাপন কৰে। তাৰ পাছতেই বন্তি প্ৰজ্বলন আৰু জাতীয় সংগীত পৰিৱেশনেৰে আৰম্ভ হোৱা অনুষ্ঠানৰ উদ্দেশ্য ব্যাখ্যা কৰে মাকুম মহাবিদ্যালয়ৰ উপাধ্যক্ষা পাপৰি বুঢ়াগোহাঁইয়ে আৰু আদৰণি ভাষণ আগবঢ়াই অসম চৰকাৰৰ গৃহ নিৰ্মাণৰ অধ্যক্ষ পুলক গোহাঁইয়ে। পৰৱৰ্তী পৰ্যায়ত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ভাষণ আগবঢ়াই। ভাষণৰ আৰম্ভণিতে অনুষ্ঠানত উপস্থিত থকা সকলো ৰাইজক ইংৰাজী নৱ বৰ্ষৰ শুভেচ্ছা জ্ঞাপন কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ভাষণ প্ৰসংগত প্ৰধানমন্ত্ৰীয়ে দায়িত্ব গ্ৰহণ কৰিয়েই মই অকল প্ৰধান মন্ত্ৰীয়েই নহয়, দেশৰ প্ৰধান সেৱক হিচাপে দেশবাসীক শ্ৰদ্ধা কৰিম বুলি মন্তব্যৰ বৰ্তমান উন্নয়নৰ প্ৰেক্ষাপটত আখৰে আখৰে পালন কৰা বুলি হৈছে কেইবাটাও উদাহৰণ দাঙি ধৰে। কংগ্ৰেছ চৰকাৰৰ দিনত কংগ্ৰেছ দলে ৰাইজক কৰা প্ৰতাৰণা সমূহৰ বিষয়েও বিভিন্ন ধৰণৰ উদাহৰণ দাঙি ধৰে। সদৌ শেষত আমি সকলো সময়তে মিলাপ্ৰীতিৰে থাকিম বুলি ভাষণ সামৰি ন্যূনতম বৃদ্ধিৰ বাবে গ্ৰাম গ্ৰাম্য নিশ্চয়তা( G RAM G), প্ৰধান মন্ত্ৰী আবাস যোজনা ( PMAY-G), প্ৰধান মন্ত্ৰী আবাস যোজনা ( PMAY-G), ৰাষ্ট্ৰীয় সামাজিক সহায়ৰ কাৰ্যসূচী (NSAP), ৰেচন কাৰ্ড, উজ্জ্বলা আঁচনি, জলসিঞ্চন, আয়ুষ্মান ভাৰত, প্ৰধান মন্ত্ৰী কিষাণ সন্মান নিধি(PM KISHAN) মুঠ ৯টা আঁচনিৰ হিতাধিকাৰীসকলৰ সৈতে অন্তৰংগ বাৰ্তালাপ কৰে। বাৰ্তালাপ অনুষ্ঠানত হিতাধিকাৰী সকলে আঁচনি সমূহ লাভ কৰাৰ বাবে দেশৰ প্ৰধান মন্ত্ৰী গৰাকীলৈ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ যোগেদি ধন্যবাদ জ্ঞাপন কৰে। উক্ত অনুষ্ঠানত তিনিচুকীয়া সমষ্টিৰ বিধায়ক সঞ্জয় কিষাণ, অসম গৃহ নিৰ্মাণ বিভাগৰ অধ্যক্ষ পুলক গোহাঁই, বিজেপিৰ ৰাজ্যিক মুখপাত্ৰ মনোজ ধানোৱাৰ, মৰাণ স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য অৰুণজ্যোতি মৰাণ, মাকুম সম জিলাৰ অতিৰিক্ত আয়ুক্ত মিৰ্জানা হুছেইন, তিনিচুকীয়া জিলা প্ৰশাসনৰ বিষয়ববীয়া সকল, বিজেপি তিনিচুকীয়া জিলা সভাপতি কুশকান্ত বড়া, মাকুম মণ্ডলৰ সভাপতি উদয় বড়া, মাকুম আঞ্চলিক পঞ্চায়তৰ সভানেত্ৰী ৰাধা গগৈ, ভাৰতীয় চাহ মজদুৰ সংঘৰ ডুমডুমা শাখাৰ সভাপতি জীমদাৰ তাঁতী, মাকুম পৌৰ সভাৰ পৌৰপতি অৰ্চনা শইকীয়া লগতে ৱাৰ্ড আয়ুক্ত সকল প্ৰমুখ্যে মাকুম সমষ্টিৰ অন্তৰ্গত বিভিন্ন শিতানৰ চৰকাৰী আঁচনিৰ হিতাধিকাৰী সকল উপস্থিত থাকে।

# নগাঁৱৰ ৮গৰাকী আৰক্ষীলৈ ডিজিপিৰ প্ৰশংসা পদক

**অসম বাৰ্তা, নগাঁও, ৩ জানুৱাৰী ঃ** অসম আৰক্ষীৰ আৰক্ষী সঞ্চালকৰ পদক ২০২৫ লাভ কৰাৰ বাবে নগাঁও আৰক্ষীৰ ৮ গৰাকী বিষয়া-কৰ্মীলৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছে। আৰক্ষী বিষয়া সকলৰ দৃষ্টান্তমূলক সেৱা, অসাধাৰণ অৱদান আৰু কৰ্তব্যৰ প্ৰতি অক্লান্ত নিষ্ঠা সঁচাকৈয়ে প্ৰশংসনীয় আৰু বাহিনীটোৰ বাবে গৌৰৱৰ বিষয় হৈ পৰিছে। উল্লেখ্য যে, নগাঁৱৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক স্বপ্নীল ডেকা (সোণৰ মেডেল), অতিৰিক্ত আৰক্ষী অধীক্ষক (অপৰাধ শাখা) জয়ন্ত বৰুৱা, পৰিদৰ্শক সঞ্জীত কুমাৰ ৰয়, উপ পৰিদৰ্শক সুৰজ দত্ত, উপ পৰিদৰ্শক বিজু বড়ো, লেঞ্চ নায়ক মিজানুৰ হাজৰিকা, লেঞ্চ নায়ক পৰশমনি হীৰা, কনিষ্ঠবল (ইউবি) হানিফ চৌধুৰীয়ে চিলভাৰ মেডেল লাভ কৰি নগাঁৱলৈ গৌৰৱ কঢ়িয়াই আনিছে।

## এই গ্ৰাহক সেৱা কেন্দ্ৰৰ জৰিয়তে অঞ্চলটোৰ ৰাইজ যথেষ্ট উপকৃত হ'ব ঃ ৰূপক দাস

# ঢেকীয়াজুলিৰ চেনিমাৰী চাইডিঙত ভাৰতীয় ষ্টেট বেংকৰ গ্ৰাহক সেৱা কেন্দ্ৰৰ শুভ উদ্বোধন




**অসম বাৰ্তা, ঢেকীয়াজুলি, ৩ জানুৱাৰী ঃ** শোণিতপুৰ জিলাৰ অন্তৰ্গত ঢেকীয়াজুলি ৰাজহচক্ৰ এলেকাৰ চেনিমাৰী চাইডিঙত আজি ভাৰতীয় ষ্টেট বেংকৰ এটা নতুন গ্ৰাহক সেৱা কেন্দ্ৰৰ শুভ উদ্বোধন কৰা হয়। অঞ্চলবাসীৰ বাবে বেংকিং সেৱা অধিক সহজলভ্য কৰাৰ লক্ষ্যৰে স্থাপন কৰা এই কেন্দ্ৰটো আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰে ভাৰতীয় ষ্টেট বেংকৰ ঢেকীয়াজুলি শাখাৰ মুখ্য প্ৰবন্ধক ৰূপক দাস দেৱে। উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি ৰূপক দাস দেৱে কয় যে গ্ৰাম্য আৰু আধা-গ্ৰাম্য অঞ্চলত বেংকিং সেৱা আগবঢ়াবলৈ গ্ৰাহক সেৱা কেন্দ্ৰসমূহে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। এনে কেন্দ্ৰৰ জৰিয়তে সঞ্চয় একাউণ্ট খোলা, ধন জমা-উত্তোলন, বিভিন্ন চৰকাৰী আঁচনিৰ সুবিধা আদিৰ লাভ গ্ৰাহকে সহজতে লাভ কৰিব পাৰিব বুলি তেওঁ উল্লেখ কৰে। আজিৰ উক্ত অনুষ্ঠানত বিশেষ অতিথি হিচাপে উপস্থিত থাকে গ্ৰাহক সেৱা কেন্দ্ৰসমূহৰ নিৰীক্ষক ৰূপেশ মহাতু, ভাৰতীয় জনতা পাৰ্টিৰ শোণিতপুৰ জিলাৰ সাধাৰণ সম্পাদক প্ৰকাশ তাঁতী, চেনিমাৰী গাঁও পঞ্চায়তৰ সভাপতি পাৰ্থজিৎ ৰয়, পানবাৰী জিলা পৰিষদৰ সদস্যা মিছনা তীৰ্কী, ভোটপাৰা গাঁও পঞ্চায়তৰ সভানেত্ৰী কৃষ্ণা গোৱালা, মিজিবাৰী গাঁও পঞ্চায়তৰ সভানেত্ৰী জুলিকা মুণ্ডা, সদৌ অসম আদিবাসী ছাত্ৰ সন্থাৰ ঢেকীয়াজুলি আঞ্চলিক সমিতিৰ সভাপতি চিকদাৰ কিষাণ, হিৰাজুলি চাহ বাগিছাৰ হিচাপ পৰীক্ষক হেমন্ত শইকীয়াৰ উপৰিও অঞ্চলটোৰ বহুতো বিশিষ্ট লোক আৰু স্থানীয় ৰাইজ। উদ্বোধনী অনুষ্ঠানত বক্তাসকলে নতুনকৈ স্থাপিত গ্ৰাহক সেৱা কেন্দ্ৰটোৱে চেনিমাৰী আৰু কাষৰীয়া অঞ্চলসমূহৰ লোকসকলক বেংকিং ব্যৱস্থাৰ সৈতে অধিক সংযুক্ত কৰিব বুলি আশা ব্যক্ত কৰে। বিশেষকৈ দৰিদ্ৰ আৰু গ্ৰাম্য লোকসকলৰ বাবে এই কেন্দ্ৰটো উপকাৰী হ'ব বুলিও মন্তব্য কৰে তেওঁলোকে। অনুষ্ঠানৰ শেষত গ্ৰাহক সেৱা কেন্দ্ৰটোৰ পৰিচালক ৰৌচন কুমাৰে উদ্বোধনী অনুষ্ঠান সফল কৰি তুলিবলৈ আন্তৰিক সহযোগ আগবঢ়োৱা সকলো অতিথি, স্থানীয় জনপ্ৰতিনিধি আৰু অঞ্চলবাসীলৈ কৃতজ্ঞতা জ্ঞাপন কৰে।

## বৰক্ষেত্ৰীৰ জাগাৰাৰ সমাজকৰ্মীৰ মৃত্যু; জাগাৰাত শোকৰ ছাঁ

**অসম বাৰ্তা, বৰক্ষেত্ৰী, ৩ জানুৱাৰী ঃ** নলবাৰী জিলাৰ বৰক্ষেত্ৰীৰ জাগাৰা বায়ন চুবুৰী নিবাসী সমাজকৰ্মী তথা বিজেপি দলৰ সক্ৰিয় কৰ্মী অৰবিন্দ বৈশ্য আৰু নাই। ৭৪ বছৰ বয়সত ভৰি দিয়া জাগাৰা গাঁৱৰ সমাজকৰ্মীজন দীৰ্ঘদিন ধৰি স্বাস-প্ৰশ্বাসজনিত ৰোগত আক্ৰান্ত হৈ আছিল। যোৱা নিশা ৯.৪০ বজাত ইহসংসাৰৰ পৰা বিদায় লয়। দীৰ্ঘদিন ধৰি তেওঁ স্বাস-প্ৰশ্বাসজনিত ৰোগত আক্ৰান্ত লোকজনক তিনিমাহ পূৰ্বে উন্নত চিকিৎসাৰ বাবে পৰিয়ালৰ লোকে চেন্নাইত চিকিৎসাধীন হৈ আছিল। কিছু সুস্থ হোৱাত পৰিয়ালৰ লোকে ঘৰলৈ লৈ আহেযদিওঁ যোৱা নিশা হাৰ্ট ষ্ট্ৰোক হৈ ইহসংসাৰৰ পৰা বিদায় লয়। উল্লেখ্য যে সংসাৰ বন্ধনত আৱদ্ধ নোহোৱা ব্যক্তিজন ৰাজহুৱা প্ৰতিটো অনুষ্ঠানৰ লগত জড়িত হৈআছিল। জাগাৰাৰ দুৰ্গাপূজা সমিতি, সভা-সমিতিকে ধৰি সদৌ অসম কবি সন্মিলনৰ বৰক্ষেত্ৰী শাখাৰ সদস্য হিচাপেও কাৰ্যনিৰ্বাহ কৰিছিল। উল্লেখ্য যে সেৱা সমৰ্পণ বটা লাভ কৰা ব্যক্তিগৰাকী বৰক্ষেত্ৰী জাগাৰা মণ্ডল বিজেপিৰ উপ-সভাপতি হিচাপে সক্ৰিয়তাৰে কাম কৰি দল গঠন কৰাত সহায় কৰিছিল। তেওঁৰ মৃত্যুত জাগাৰা জাগাৰা সভা সমিতি, জাগাৰা দুৰ্গাপূজা সমিতি, বৰক্ষেত্ৰী জাগাৰা মণ্ডল বিজেপি, 'সদৌ অসম কবি সন্মিলন'ৰ অন্তৰ্ভুক্ত বৰক্ষেত্ৰী কবি সন্মিলনকে ধৰি জাগাৰাৰ সকলো অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰিছে।

## সাংবাদিক ত্ৰৈলোক্য দত্তৰ মৃত্যুত গভীৰ শোক প্ৰকাশ 'মাছ'ৰ

**অসম বাৰ্তা বিশেষ, পেঙেৰী, ৩ জানুৱাৰী ঃ** মানৱ অধিকাৰ সংগ্ৰাম সমিতিৰ (মাছ) ডিব্ৰুগড় জিলাৰ অধ্যক্ষ ভদেশ্বৰ দাস, প্ৰচাৰ সম্পাদক ৰণ্টু দত্ত, হিৰুমাই শইকীয়া, সংগঠনটোৰ কেন্দ্ৰীয় সচিব মনোজ দুৱৰাই সংবাদ মাধ্যমক জনাইছে যে চাবুৱা পেছ ক্লাৱৰ উপদেষ্টা তথা 'নিউজ লাইভ'ৰ সংবাদিক ত্ৰৈলোক্য দাসৰ অকাল মৃত্যুত তেওঁলোক শোকস্তব্ধ হৈপৰিছে। সংগঠনটোৱে তেওঁৰ মৃত্যু সমাজৰ বাবে অপূৰণীয় ক্ষতি বুলিও গণ্য কৰি তেওঁৰ বিদেহ আত্মাৰ চিৰ শান্তি কামনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছে।

দীৰ্ঘদিনীয়া আশা পূৰণ হোৱাৰ কথা ব্যক্ত মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাৰ

# নলবাৰীত দেশপ্ৰাণ নগেন শৰ্মাৰ আৱক্ষ মূৰ্তি উন্মোচন



**অসম বাৰ্তা, নলবাৰী, ৩ জানুৱাৰী ঃ** নলবাৰী চহৰৰ মাজ মজিয়াত ২ জানুৱাৰীৰ সন্ধিয়াৰ ভাগত প্ৰাক্তন মন্ত্ৰী প্ৰয়াত নগেন শৰ্মাৰ স্মৃতিত দেশপ্ৰাণ নগেন শৰ্মা যান-বাহন আস্থান আৰু এটি পূৰ্ণ্যঅবয়বৰ আৱক্ষ মূৰ্তি আনুষ্ঠানিকভাৱে উন্মোচন কৰা হয়। মূৰ্তিটো আনুষ্ঠানিকভাৱে উন্মোচন কৰে নলবাৰী সমষ্টিৰ প্ৰাক্তন বিধায়িকা তথা প্ৰয়াত নগেন শৰ্মাৰ পত্নী ড° অলকা দেশাই শৰ্মাই। মূৰ্তিটো উন্মোচন কৰি দিয়া ভাষণত ড° শৰ্মাই তেওঁৰ স্বামীৰ নামত এটি আস্থান নিৰ্মাণ কৰাৰ লগতে ইয়াত এটি আৱক্ষ মূৰ্তি স্থাপন কৰা কাৰ্যক প্ৰশংসা কৰে। তেওঁ কয় যে তেওঁ আৰু তেওঁৰ কন্যাই প্ৰয়াত শৰ্মাৰ স্মৃতিত গুৱাহাটীত এখন বিদ্যালয় পৰিচালনা কৰি আহিছে। বিধায়ক হৈ থকা সময়ত চৰকাৰী টকাৰে তেওঁৰ স্মৃতি যুগমীয়া কৰিবলৈ চেষ্টা কৰা নাছিলো। তেওঁৰ স্বামীয়ে ৰাইজৰ সেৱা কৰাৰ বাবে ৰাজনীতি কৰিছিল বুলি উল্লেখ কৰে। ইয়াৰ পূৰ্বে দেশপ্ৰাণ নগেন শৰ্মা যান বাহন আস্থানটো আনুষ্ঠানিকভাৱে উদ্বোধন কৰে মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই। ভাষণ প্ৰসংগত মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই কয় যে নলবাৰীৰ উন্নয়নৰ বাবে প্ৰয়াত নগেন শৰ্মাই যি প্ৰচেষ্টা হাতত লৈছিল সেয়া বৰ্তমান বাস্তৱত ৰূপায়িত হৈছে। এই আৱক্ষ মূৰ্তিটো ২০১২ চনতে নিৰ্মাণ আৰম্ভ কৰা হৈছিল কিন্তু স্থানৰ অভাৱৰ বাবে ১৩ বছৰ অপেক্ষা কৰিব লগা হৈছিল। নলবাৰীৰ উন্নয়নৰ প্ৰতি নগেন শৰ্মাৰ অপৰিসীম অৱদান থকাৰ পিছতো তেওঁৰ মূৰ্তি স্থাপন কৰিবলৈ কোনেও মাটি দিবলৈ আগ্ৰহপ্ৰকাশ নকৰিলে। অৱশেষত নলবাৰী চহৰৰ মাজ মজিয়াত পুৰণি অসামৰিক চিকিৎসালয় চৌহদত এই মূৰ্তিটো স্থাপনৰ ব্যৱস্থা কৰা হয়। ইয়াৰ পিছতে নলবাৰী জিলা সাহিত্য সভাৰ সভাপতি ড° বীৰেন কুমাৰ চক্ৰৱৰ্তীৰ সভাপতিত্বত অনুষ্ঠিত উদ্বোধনী সভাত জিলা আয়ুক্ত নিবেদন দাস পাটোৱাৰী, জেষ্ঠ আৰক্ষী অধীক্ষক বিবেকানন্দ দাস, বিশিষ্ট চিকিৎসক ডাঃ উমেশ চক্ৰৱৰ্তী, পৌৰপটি জয়শ্ৰী তালুকদাৰ, উপ পৌৰপতি ড° ৰবীন দাস, বিজেপিৰ জিলা সভাপতি জয়ন্ত বুজৰ বৰুৱা সহ ভালেমান ৰাইজ উপস্থিত থাকে।

# বনৰীয়া হাতীৰ আক্ৰমণত কোনোমতে প্ৰাণৰক্ষা বিজনীৰ ধলাদাণ্ডা গাঁৱৰ এজন ব্যক্তিৰ

**অসমবাৰ্তা, বিজনী, ৩ জানুৱাৰী ঃ** চিৰাং জিলাৰ বিজনীৰ ধলাদাণ্ডা গাঁৱত বনৰীয়া হাতীৰ আক্ৰমণত কোনোমতে প্ৰাণৰক্ষা এজন ব্যক্তিৰ। প্ৰাণৰক্ষা হোৱা ব্যক্তিজনৰ নাম নীলকান্ত ৰায়(৫৫)। এই ঘটনা সংঘটিত হৈছে মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ ভিতৰত, হাতী সুৰক্ষাৰ বৈদ্যুতিক বেৰৰ পৰা কিছু দুৰত্বত। স্থানীয় ৰাইজ আৰু ওচৰ-চুবুৰীয়াই জনোৱা মতে, মানাহ ৰাষ্ট্ৰীয় উদ্যান আৰু ধলাদাণ্ডা গাঁৱৰ সীমান্তৰ মাজত বৈদ্যুতিক বেৰৰ ঠিক সন্মুখত নলীকান্ত ৰায়ে গৰু ৰাখিছিল। কিন্তু হঠাৎ গৰু কেইটা হাতী সুৰক্ষাৰ বৈদ্যুতিক বেৰ পাৰ হৈ মানস ৰাষ্ট্ৰীয় উদ্যানৰ ভিতৰত সোমাই পৰে। গৰুকেইটাক আনিবলৈ উদ্যানৰ ভিতৰলৈ যোৱাৰ সময়তেই এটা বনৰীয়া হাতীয়ে নলীকান্ত ৰায়ৰ ওপৰত আক্ৰমণ চলায়। ঠিক সেই মুহূৰ্ততেই নলীকান্ত ৰায়ে চিঞৰি উঠে। তেওঁৰ চিঞৰ শুনি ওচৰৰ এজন ব্যক্তিয়ে চিঞৰ-বাখৰ আৰম্ভ কৰে। চুবুৰীয়াৰ উচ্চ ধ্বনি আৰু চিঞৰ-বাখৰ শুনি হাতীটো ঘটনাস্থলীৰ পৰা আঁতৰি যায় আৰু আক্ৰমণ বন্ধ কৰে। হাতীয়ে মানুহক এৰি থৈ যোৱাৰ পিছত, সেই সুযোগতেই নলীকান্ত ৰায়ে কোনোমতে নিজৰ প্ৰাণ ৰক্ষা কৰিবলৈ সক্ষম হয়। পিছত স্থানীয় ৰাইজে আহত নলীকান্ত ৰায়ক উদ্ধাৰ কৰি ১০৮ গাড়ীৰে চিকিৎসালয়লৈ প্ৰেৰণ কৰে।

নৱম শ্ৰেণীৰ ১০৬ গৰাকী ছাত্ৰ-ছাত্ৰীক চাইকেল প্ৰদান

# দৌলাশাল হাইস্কুলত বিনামূলীয়া চাইকেল বিতৰণ



**অসম বাৰ্তা, দৌলাশাল, ৩ জানুৱাৰী ঃ** নলবাৰী জিলাৰ দৌলাশাল হাইস্কুলত কালি অনুষ্ঠিত হৈ যায় ছাত্ৰ-ছাত্ৰীৰ মাজত বিনামূলীয়া চাইকেল বিতৰণ অনুষ্ঠান। নৱম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ মাজত বিতৰণ কৰা হয় চৰকাৰে যোগান ধৰা বিনামূলীয়া চাইকেলসমূহ। কালি দিনৰ ১২ বজাত বিদ্যালয় প্ৰাংগণত অনুষ্ঠিত হয় এই চাইকেল বিতৰণ অনুষ্ঠান। বিনামূলীয়া চাইকেল বিতৰণ অনুষ্ঠানটো আনুষ্ঠানিকভাবে উদ্বোধন কৰে ৫৭ নং দৌলাশাল-ৰামপুৰ গাঁও পঞ্চায়তৰ সভানেত্ৰী নিশামণি মেধিয়ে। চাইকেল বিতৰণ অনুষ্ঠানটো উদ্বোধন কৰি গাঁও পঞ্চায়তৰ সভানেত্ৰীগৰাকীয়ে অসম চৰকাৰ আৰু মুখ্যমন্ত্ৰী ডক্টৰ হিমন্ত বিশ্ব শৰ্মাক ধন্যবাদ জ্ঞাপন কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি গুৰুত্বপূৰ্ণ মন্তব্য প্ৰদান কৰে। বিদ্যালয়লৈ অহা-যোৱা আৰু টিউচন কৰিবলৈ যাওঁতে চাইকেলখন ব্যৱহাৰ কৰিবলৈ ছাত্ৰ-ছাত্ৰীসকলক গাঁও পঞ্চায়তৰ সভানেত্ৰী নিশামণি মেধিয়ে আহ্বান জনায়। নৱম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলক হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ বাবে মনোযোগেৰে অধ্যয়ন কৰিবলৈও আহ্বান জনায় নিশামণি মেধিয়ে। বিদ্যালয়খনৰ নৱম শ্ৰেণীৰ মুঠ ১০৬ গৰাকী ছাত্ৰ-ছাত্ৰীৰ মাজত বিনামূলীয়া চাইকেল বিতৰণ কৰা হয় বুলি জানিবলৈ দিয়ে বিদ্যালয়খনৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক জয়ন্ত কুমাৰ দাসে। বিদ্যালয়খনৰ সহকাৰী শিক্ষক ৰমনী নাথে আঁত ধৰা চাইকেল বিতৰণ অনুষ্ঠানটোত বিদ্যালয় পৰিচালনা ও উন্নয়ন সমিতিৰ উপ সভাপতি ফনেন নাথ, পশ্চিম বৰক্ষেত্ৰী-ধৰ্মপুৰ মণ্ডল বিজেপিৰ অনুসূচীত জাতি মৰ্চাৰ সাধাৰণ সম্পাদক বাবুল বণিক্য, পশ্চিম বৰক্ষেত্ৰী-ধৰ্মপুৰ মণ্ডল বিজেপিৰ উপ সভাপতি ববিতা ডেকা বৈশ্য, বিদ্যালয়খনৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক জয়ন্ত কুমাৰ দাসকে ধৰি বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰীসকল উপস্থিত থাকে।

# পদ্মশ্ৰী লক্ষ্মিমী বৰুৱাৰ জীৱনৰ আধাৰত জিতু কলিতাৰ প্ৰযোজনাত 'সংগ্ৰামী লখিমী' তথ্যচিত্ৰ উন্মোচন

**অসম বাৰ্তা, যোৰহাট, ৩ জানুৱাৰী ঃ** যোৰহাটস্থিত কনকলতা মহিলা আৰবান কোঃ অপাৰেটিভ বেংক লিমিটেডৰ প্ৰতিষ্ঠাপক, পদ্মশ্ৰী লক্ষিমী বৰুৱাৰ জীৱন আৰু সংঘাতক লৈ সাংবাদিক জিতু কলিতাই ইতিমধ্যে "অঘৰী জীৱনৰ সোণোৱালী সপোন" গ্ৰন্থৰ আধাৰত নিৰ্মাণ কৰি উলিওৱা তথ্য চিত্ৰ 'সংগ্ৰামী লখিমী' আজি আই কনকলতা মহিলা তীৰ্থ আৰু গ্লবেল মেডিয়াৰ সহযোগত গড়আলিৰ কনকলতা বেংকৰ মুখ্য কাৰ্যলয়ত এক আড়ম্বৰপূৰ্ণ অনুষ্ঠান উন্মোচন হয়। যোৰহাট অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ অধ্যাপিকা ড° অদিতি বেজবৰুৱাৰ সভাপতিত্বত হোৱা সভাত শিক্ষাবিদ ড০ মালিনী বিশিষ্ট অতিথি, অধ্যপিকা শকুন্তলা দেবী, যোৰহাট জিলা সাহিত্য সভাৰ প্ৰাক্তন উপ-সভানেত্ৰী মৃণালিনী গোস্বামী, যোৰহাট সদৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ঋষিকেশ হাজৰিকা অনুষ্ঠানটিত উপস্থিত থাকে। সংগ্ৰামী লখিমী নামৰ তথ্যচিত্ৰখন শুভউদ্বোধন কৰে প্ৰেৰণাৰ অধ্যক্ষা চায়েৰা ৰহমানে। মৃদুস্থতা কটকীয়ে আঁত ধৰা সভাখনৰ আৰম্ভণিতে কনকলতা বেংক মহিলা তীৰ্থ সদস্যাসকলে সমবেত সংগীত পৰিবেশনে অনুষ্ঠানটি আৰম্ভণি কৰে। তথ্য চিত্ৰখনৰ নিৰ্মাতা তথা পৰিচালক জিতু কলিতাই লক্ষ্মিমী বৰুৱাৰ জীৱনাদৰ্শণৰ ভিত্তিত উলিওৱা তথ্য চিত্ৰখনৰ বিষয়ে বক্তব্য চমু পৰিচয় আগবঢ়ায়। আনহাতে লক্ষ্মিমী বৰুৱাই জিতু কলিতাৰ এই প্ৰচেষ্টাক শলাগ লোৱা লগতে তেওঁৰ কৰ্মময় জীৱন সফল হ'ল বুলি কয় বক্তব্য আগবঢ়াই। যোৰহাট সদৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ঋষিকেশ হাজৰিকাই বক্তব্যত কয় যে—জিতু কলিতাই যি দৰে যাদৰ পায়েঙক প্ৰতিষ্ঠা কৰিছিল তেনেকৈ লখিমী বাইদেউকো বিশ্বদৰবাৰত প্ৰতিষ্ঠা কৰিবলৈ পাৰিব বুলি আশা কৰিছোঁ। লগতে ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া গৰাকীয়ে বৰ্তমান মহিলাসকলৰ সুৰক্ষাৰ ক্ষেত্ৰত কেবাটাও সজাগতাৰ দিশৰ ওপৰত চমু আলোকপাত কৰে। এই অনুষ্ঠানতে তথ্য চিত্ৰখনত জড়িত পুণিমা হাজৰিকাৰ লগতে ইডেন ষ্টুডিঅ' পৰিচালক প্ৰাঞ্জল প্ৰতীম ভৰালী আৰু কলা কৌশলী ব্যৱস্থাপক সকলক চিনাকি কৰি দিয়ে। তথ্য চিত্ৰখনৰ লগত জড়িত গায়ত্ৰী দেৱী, চন্দন ঠাকুৰে ৰসাল বক্তব্য প্ৰদান কৰে। সৰ্বশেষত ডাঃ তুলতুল বৰুৱাই সব্যসাচী প্ৰকাশন প্ৰকাস কৰা লক্ষিমী বৰুৱাৰ জীৱনৰ ওপৰত লিখা আন এখন গ্ৰন্থও সভাতে শুভউন্মোচন কৰে বাহনা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষা শকুন্তলা দেৱীয়ে। উন্মোচনী সভাত শতাধিক ৰাইজ উপস্থিত থাকে।

## সম্পাদকীয়

# কাজিৰঙা এলিভেটেড কৰিড'ৰ ঃ এক যুগান্তকাৰী, তথাপি চিন্তাৰ পদক্ষেপ

বিশ্ব ঐতিহ্যক্ষেত্ৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ জীৱ-জন্তুৰ নিৰাপদ চলাচলৰ দীৰ্ঘদিনীয়া সমস্যাৰ এক সম্ভাব্য সমাধানৰূপে অনুমোদিত হৈছে ৩৪.৪৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ এলিভেটেড কৰিড'ৰ। ৰাষ্ট্ৰীয় ঘাইপথ এনএইচ ৭১৫ৰ কলিয়াবৰ-নুমলীগড় অংশত এই কৰিড'ৰ নিৰ্মাণ হ'ব। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ইয়াক 'গেম চেঞ্জাৰ' আখ্যা দিয়াটো একাংশত যুক্তিসংগত। কিয়নো ইয়াৰ জৰিয়তে উদ্যানৰ মাজেৰে সঘনাই সংঘটিত হোৱা বনৰীয়া জীৱ-জন্তুৰ পথ দুৰ্ঘটনা, যান-বাহনৰ গতি বৃদ্ধি আৰু মানুহ আৰু বন্যপ্ৰাণীৰ মাজত সহাৱস্থানৰ এক সম্ভাব্য নমুনা স্থাপন কৰিব পাৰে।

ইয়াৰ সুবিধাসমূহ স্পষ্ট। প্ৰথমতে, ই বন্যপ্ৰাণীৰ বাবে নিৰাপদ চলাচলৰ সুযোগ সৃষ্টি কৰিব, বিশেষকৈ বাৰিষা বানপানীৰ সময়ত সিহঁতৰ প্ৰাকৃতিক প্ৰব্ৰজন পথ মুক্ত ৰাখিব। দ্বিতীয়তে, বৰ্তমান বাধ্যতামূলক ধীৰ গতিৰ ফলত হোৱা সময়ৰ ক্ষতিপূৰণ কৰি যাতায়াতৰ সুচলতা আনি দিব। তৃতীয়তে, ই পৰ্যটন শিল্পলৈ নতুন গতি প্ৰদান কৰি অৰ্থনীতিত কৰ্মসংস্থান সৃষ্টিৰ সুযোগ বৃদ্ধি কৰিব। মুঠ ৬৯৫৭ কোটি টকাৰ এই প্ৰকল্পে দুটা ৰাষ্ট্ৰীয় ঘাইপথ, তিনিটা ৰেলৱে ষ্টেচন আৰু তিনিটা বিমানবন্দৰক সংযোগ কৰি অসমৰ যোগাযোগ নেটৱাৰ্ক শক্তিশালী কৰাত অৰিহণা যোগাব।

কিন্তু, এই মহৎ উদ্দেশ্যৰ মাজত কিছুমান গুৰুত্বপূৰ্ণ চিন্তাৰ বিষয়ও লুকাই আছে। এলিভেটেড কৰিড'ৰৰ নিৰ্মাণত কৰিবলগীয়া বিশাল খনন, স্তম্ভ স্থাপন আদিয়ে স্বল্পম্যাদী ভাৱে কাজিৰঙাৰ প্ৰকৃতিক পৰিৱেশ আৰু জীৱ-জন্তুৰ শান্তিত ব্যাঘাত ঘটোৱাটো নিশ্চিত। নিৰ্মাণকালীন শব্দ, কঁপনি আৰু মানুহৰ উপস্থিতিয়ে বন্যপ্ৰাণীৰ স্বাভাৱিক আচৰণত প্ৰভাৱ পেলাব পাৰে। দীৰ্ঘম্যাদী ভাৱে চালেও, কংক্ৰিটৰ দীঘলীয়া গাঁথনিয়ে প্ৰাকৃতিক পৰিৱেশৰ দৃশ্যৰূপ আৰু বাস্তুসংস্থানিক অবিচ্ছিন্নতা কিছু পৰিমাণে ৰুদ্ধ কৰিব পাৰে। গতিকে, এই কৰিড'ৰ 'বন্যপ্ৰাণীবান্ধৱ' হ'ব নে নহয় সেয়া নিৰ্ভৰ কৰিব ইয়াৰ নক্সা, নিৰ্মাণৰ সময়ত অতিৰিক্ত সাৱধানতা আৰু পৰিৱেশসন্মত ব্যৱস্থাপনাৰ ওপৰত।

এই যুগান্তকাৰী প্ৰকল্পটোৱে সফলতা লাভ কৰিবলৈ হ'লে ইয়াৰ সুবিধাৰ লগত জড়িত জটিলতাসমূহক গুৰুত্বসহকাৰে বিবেচনা কৰাটো প্ৰয়োজন। চৰকাৰ, পৰিৱেশবিদ, বন্যপ্ৰাণী বিশেষজ্ঞ আৰু অভিযন্তাসকলৰ মাজত এক নিবিৰ সহযোগিতা থাকিব লাগিব যাতে কাজিৰঙাৰ সোণৰ সম্পদ- ইয়াৰ গঁড়, হাতী, বাঘ আদি জীৱ-জন্তুৰ জীৱনধাৰাৰ ওপৰত ইয়াৰ নেতিবাচক প্ৰভাৱ সৰ্বনিম্ন ৰখাতো নিশ্চিত হয়। আশা কৰো, এই কৰিড'ৰ কাজিৰঙাৰ সংৰক্ষণ আৰু অঞ্চলটোৰ উন্নয়নৰ মাজত এক দৃষ্টান্তমূলক সমতাবস্থা স্থাপন কৰিবলৈ সক্ষম হ'ব।

◀◀ বিংশ শতিকাৰ আশী আৰু নৱৈৰ দশক আছিল গ্ৰীটিংছ কাৰ্ডৰ বাবে সোণালী সময়। সেই সময়ৰ অসমৰ সমাজ জীৱনলৈ মনত পেলালে আজিও এক উমাল স্মৃতিয়ে আমাক আৱৰি ধৰে। ডিচেম্বৰ মাহৰ মাজভাগৰ পৰাই বজাৰবোৰৰ সৰু সৰু দোকানবোৰ লগতে ফুটপাথৰ দোকান বোৰত ৰং-বিৰঙী কাৰ্ডেৰে ভৰি পৰিছিল। স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ পৰা আৰম্ভ কৰি বয়োজ্যেষ্ঠ জনলৈকে সকলোৰে মাজত এক অভুতপূৰ্ব উখল-মাখল পৰিৱেশ সৃষ্টি হৈছিল। দৰাচলতে সেই সময়ত কাৰ্ড এখন নিৰ্বাচন কৰাটো আছিল এক বিৰল কাম। ▶▶

# গ্ৰীটিংছ কাৰ্ডৰ বিৱৰ্তন আৰু পৰিৱৰ্তিত নৱবৰ্ষৰ শুভেচ্ছা




বৰ্তমান যুগটো তথ্য আৰু প্ৰযুক্তিৰ যুগ। বিজ্ঞানৰ চৰম উৎকৰ্ষ সাধনে সমাজৰ সকলো দিশতে পৰিৱৰ্তন সাধিত কৰিছে। যান্ত্ৰিকতাৰ এই যুগটোত মানুহৰ আৱেগবোৰ যেন একো একোটা ডিজিটেল অভিব্যক্তিলৈ পৰিণত হৈছে। তাৰ লগে লগে সলনি হৈছে মানুহৰ জীৱনশৈলী আৰু আৱেগ প্ৰকাশৰ মাধ্যম সমূহ। নৱ বৰ্ষ সমাগত। পুৰণিক বিদায় দি এটা নতুন বছৰক আকোৱালি লবলৈ আমি সাজু হৈছো। সাজু হৈছো নৱবৰ্ষক আদৰিবলৈ আৰু ইজনে সিজনক নৱবৰ্ষৰ বাবে শুভেচ্ছা জনাবলৈ। নতুন বছৰক আদৰাৰ এই মুহূৰ্তত মনলৈ অহা এসময়ৰ আপোন শব্দটোৱেই হৈছে গ্ৰীটিংছ কাৰ্ড। সম্প্ৰতি যান্ত্ৰিকতাৰ ধামখুমীয়াত পৰি আমি বহু কিবাকিবি হেৰুৱাই পেলোৱাৰ লগতে হেঁপাহৰ গ্ৰিটিংছ কাৰ্ডখনকো হেৰুৱাই পেলালো। আজিৰ প্ৰজন্মৰ বাবে নৱবৰ্ষৰ শুভেচ্ছা মানে ম'বাইলৰ পৰ্দাত ভাঁহি উঠা এটা বাৰ্তা বা সামাজিক মাধ্যমত দিয়া এটা ষ্টেটাচ। কিন্তু আজিৰ পৰা প্ৰায় ২০-২৫ বছৰৰ আগতে নতুন বছৰক আদৰাৰ অন্যতম পৰম্পৰা আছিল গ্ৰীটিছ কাৰ্ডৰ ব্যৱহাৰ। গ্ৰীটিংছ কাৰ্ড আছিল আৱেগ আৰু আন্তৰিকতাৰ নিৰ্ভেজাল অনুভূতি প্ৰকাশৰ মাধ্যম। কিন্তু সময়ৰ সোঁতত এই আৱেগ, এই পৰম্পৰা লাহে লাহে নোহোৱা হ'ল। বৰ্তমান গ্ৰিটিংছ কাৰ্ড হ'ল- অতীতৰ সোণসেৰীয়া স্মৃতিৰ গাথা। এতিয়া মাথোঁ সোঁৱৰণীৰ পাততহে আছে গ্ৰিটিংছ কাৰ্ডৰ সজল স্মৃতি। আপোনজনৰ হাতৰ উমাল পৰশেৰে জীপাল হৈ উঠা এই কাৰ্ডখনেই আছিল এটা সময়ত মৰমৰ আদান-প্ৰদানৰ এক অন্যতম মাধ্যম। কিন্তু সময়ৰ পৰিৱৰ্তনত এতিয়া অতীত হ'ল- মৰমৰ উমসনা, আৱেগেৰে সিক্ত গ্ৰিটিংছ কাৰ্ডখন। গ্ৰীটিংছ কাৰ্ড এতিয়া মাথোঁ বুকুৰ মৰমসনা এখিলা সৰাপাত- এক নষ্টালজিয়া। এটা সময়ত ইংৰাজী নৱবৰ্ষৰ সময়ছোৱা আছিল উৎসৱ মুখৰ আৰু আৱেগিক। সেই সময়ত আজিৰ দৰে হাতৰ মুঠিতে পৃথিৱীখন নাছিল। নাছিল চছিয়েল মিডিয়াৰ তীব্ৰ জোৱাৰ। আছিল কেৱল আন্তৰিকতা আৰু ৰঙীন কাগজৰ মনোমোহা গ্ৰীটিংছ কাৰ্ড।

**নলিনী ৰঞ্জন ভূঞা**

গ্ৰীটিংছ কাৰ্ডৰ ইতিহাস অত্যন্ত প্ৰাচীন। নৱবৰ্ষ উপলক্ষে প্ৰাচীন সময়ৰে পৰাই সমাজত বিভিন্ন উপহাৰৰ জৰিয়তে শুভেচ্ছা জনোৱাৰ নিয়ম প্ৰচলিত আছিল, য'ত ফুলৰ থোপা, কাৰুকাৰ্য খোদিত কাঠৰ টুকুৰা, জলফাইৰ ডালৰ সামগ্ৰী, সুগন্ধিৰ বটল বা সোণপানী চৰোৱা পাত্ৰই বিশেষ স্থান লাভ কৰিছিল। উদাহৰণ স্বৰূপে- প্ৰাচীন মিচৰৰ মানুহে সুগন্ধি তেলৰ বটল বা খাদ্যৰ টোপোলাত তেওঁ লোকৰ ভাষাত 'শুভেচ্ছাৰে' বুলি লিখি আত্মীয়লৈ প্ৰেৰণ কৰিছিল। একেদৰে ৰোমান সকলেও নৱবৰ্ষৰ দিনটোত 'নতুন বছৰ সুখৰ আৰু সমৃদ্ধিৰ হওক' বুলি লিখা ধাতুৰ মোহৰ বা তেলৰ চাকি উপহাৰ দি আনন্দ বিনিময় কৰিছিল। আনহাতে চীনৰ ৰাষ্ট্ৰীয় সংগ্ৰহালয়ত সংৰক্ষিত তথ্যৰ পৰা জানিব পাৰি যে- চীনা সকলৰ মাজতো অতিজৰে পৰা গ্ৰীটিংছ কাৰ্ডৰ ব্যৱহাৰ আছিল। নতুন বছৰৰ আৰম্ভণিতে চীনা সকলে শুভেচ্ছা জনোৱাৰ বাবে সৰু সৰু পত্ৰ আদান-প্ৰদান কৰাৰ এক সুন্দৰ পৰম্পৰা আছিল। ষষ্ঠ শতিকাৰ মিচৰীয় কবৰতো মৃতকৰ ব্যক্তিগত শুভেচ্ছা পত্ৰ উদ্ধাৰ হোৱাৰ কথাই মিচৰতো শুভেচ্ছা জনোৱাৰ পৰম্পৰা পোহৰলৈ আহিছে। প্ৰাচীন মিচৰীয় সকলে পেপিৰাছ কাগজেৰে নিৰ্মিত শুভেচ্ছা পত্ৰ ব্যৱহাৰ কৰি ইজনে সিজনক শুভকামনা জনাইছিল বুলি জনা গৈছে। ইউৰোপত পঞ্চদশ শতিকাৰ পৰাই হাতেৰে নিৰ্মিত শুভেচ্ছা পত্ৰৰ প্ৰচলন আৰম্ভ হৈছিল। সেই সময়ত ইউৰোপৰ দেশ সমূহত ৰং-বিৰঙৰ কাঠেৰে শুভেচ্ছা জনোৱাৰ পৰম্পৰা আছিল। আনহাতে চতুৰ্দশ শতিকাত ফ্ৰান্স বা জাপানত কোনো বিশেষ অনুষ্ঠানত কাঠত খোদিত কৰি শুভেচ্ছাবাণী পঠোৱা হৈছিল। আমাৰ দেশ ভাৰত বৰ্ষত দ্বাদশ শতিকাতে বিশেষ আড়ম্বৰপূৰ্ণ অনুষ্ঠান উপলক্ষ্যে শুভেচ্ছা বাৰ্তাৰ ঘোষণাৰে তামৰ ফলিত লিপিবদ্ধ কৰি প্ৰদান কৰাৰ প্ৰথা প্ৰচলিত আছিল। নৱম-দশম শতিকাৰ কবি ৰাজশেখৰৰ 'কৰ্পূৰ মঞ্জৰী' কাব্যত সেই সময়ৰ প্ৰেমিক-প্ৰেমিকাৰ মাজত এক প্ৰকাৰৰ ৰঙীণ কাৰ্ড আদান-প্ৰদান হোৱাৰ উল্লেখ পোৱা যায়।

আধুনিক গ্ৰীটিংছ কাৰ্ডৰ ইতিহাস বিচাৰ কৰিলে দেখা যায় যে —১৮৪৩ চনত ব্ৰিটেইনৰ যোছেফ চি হৰ্চলিয়ে বিশ্বৰ প্ৰথমখন শুভেচ্ছা পত্ৰ প্ৰস্তুত কৰি এই পৰম্পৰাক এক নতুন মাত্ৰা প্ৰদান কৰে। সেয়ে যোছেফ চি হৰ্চলিক আধুনিক গ্ৰীটিংছ কাৰ্ডৰ জন্মদাতা বুলি কোৱা হয়। তেওঁ তেওঁৰ বন্ধু ছাৰ হেনৰী ক'ললৈ বৰদিনৰ ওলগ জনাই হাতেৰে আঁকা চাৰে পাঁচ ইঞ্চি দৈৰ্ঘ্যৰ এখন বিশেষ কাৰ্ড প্ৰেৰণ কৰিছিল- য'ত লিখা আছিল 'A Merry Christmas and A Happy New Year'। অৱশ্যে এনে কাৰ্ডৰ ব্যৱহাৰ সমগ্ৰ বিশ্বত জনপ্ৰিয় হৈ পৰে প্ৰথম মহাসমৰৰ সময়ৰ পৰাহে। যুদ্ধৰ বিভীষিকাৰ মাজত ঘৰৰ পৰা বহুদূৰত থকা সৈনিক সকলে উৎসৱ-পাৰ্বনৰ সময়ত ঘৰৰ মানুহ আৰু আত্মীয়ক মৰম যাচিবলৈ এনে কাৰ্ডৰ সহায় লৈছিল-যাক গ্ৰীটিংছ কাৰ্ড বোলা হৈছিল। পৰৱৰ্তী সময়ত দ্বিতীয় মহাসমৰে এই পৰম্পৰাক অধিক ব্যাপক কৰি তোলে আৰু কালক্ৰমত ই সমগ্ৰ বিশ্বতে আৱেগ আৰু আন্তৰিকতাৰ এক অন্যতম বাৰ্তাবাহক হিচাপে পৰিগণিত হয়।

বিংশ শতিকাৰ আশী আৰু নৱৈৰ দশক আছিল গ্ৰীটিংছ কাৰ্ডৰ বাবে সোণালী সময়। সেই সময়ৰ অসমৰ সমাজ জীৱনলৈ মনত পেলালে আজিও এক উমাল স্মৃতিয়ে আমাক আৱৰি ধৰে। ডিচেম্বৰ মাহৰ মাজভাগৰ পৰাই বজাৰবোৰৰ সৰু সৰু দোকানবোৰ লগতে ফুটপাথৰ দোকান বোৰত ৰং-বিৰঙী কাৰ্ডেৰে ভৰি পৰিছিল। স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ পৰা আৰম্ভ কৰি বয়োজ্যেষ্ঠ জনলৈকে সকলোৰে মাজত এক অভূতপূৰ্ব উখল-মাখল পৰিৱেশ সৃষ্টি হৈছিল। দৰাচলতে সেই সময়ত কাৰ্ড এখন নিৰ্বাচন কৰাটো আছিল এক বিৰল কাম। কোনোবাই যদি ডাঙৰ কাৰ্ডত থকা উজ্জ্বল ফুলৰ ছবি পচন্দ কৰিছিল, আন কোনোবাই আকৌ বিচাৰিছিল কাৰ্টুন চৰিত্ৰ বা প্ৰকৃতিৰ নৈসৰ্গিক দৃশ্য থকা সৰু কাৰ্ড। সেই সময়ৰ বন্ধু-বান্ধৱীৰ মাজত কাৰ্ডৰ আদান-প্ৰদানৰ যি প্ৰতিযোগিতা চলিছিল তাৰ মাজত কোনো প্ৰদৰ্শনৰ আভিজাত্য নাছিল, আছিল কেৱল আত্মীয়তা। বিশেষকৈ কাৰ্ডৰ ভিতৰত লিখা কবিতাৰ পংক্তি বা চুটি বাৰ্তাবোৰে মানুহৰ মনত গভীৰ সাঁচ বহুৱাইছিল। যিসকলে বজাৰৰ পৰা কাৰ্ড কিনিবলৈ আৰ্থিকভাৱে সমৰ্থ নাছিল বা যিসকল অধিক সৃজনীশীল আছিল তেওঁলোকে নিজ হাতে কাৰ্ড তৈয়াৰ কৰিছিল। ড্ৰয়িং পেপাৰ কাটি তাত ৰং বা স্কেটচ পেনেৰে ফুল-লতা আদিৰ ছবি আঁকি, চিকমিকিয়া তৰাজাতীয় ষ্টীকাৰ লগাই সজোৱা সেই কাৰ্ডবোৰৰ মূল্য কোনো দামী কাৰ্ডতকৈ কম নাছিল। সেইবোৰত নিহিত হৈ আছিল এজন ব্যক্তিৰ সময়, শ্ৰম আৰু আন্তৰিকতা।

আশী-নৱৈ দশকৰ নৱবৰ্ষৰ আন এক গুৰুত্বপূৰ্ণ অংগ আছিল ডাক বিভাগৰ ব্যস্ততা। ডিচেম্বৰৰ শেষৰ সপ্তাহটোত পিয়ন বা ডাকোৱাল জনে কঢ়িয়াই অনা চিঠিবোৰৰ মাজত শুভেচ্ছা পত্ৰবোৰ বিচাৰি উলিওৱাটো আছিল এক অনন্য আনন্দ। ডাকঘৰৰ ছাপ মৰা সেই ৰঙীণ লেফাফাবোৰৰ বাবে পিয়ন বা ডাকোৱালজন অহালৈ পদূলিমুখত ৰৈ থকাৰ যি ব্যাকুলতা, সেয়া আজিৰ 'ইনষ্ট্যাণ্ট' বাৰ্তাৰ যুগত কল্পনা কৰাটোও কঠিন। মানুহে কাৰ্ডবোৰ পাই অতি সযতনে আলমাৰিৰ ড্ৰয়াৰত, ড্ৰয়িং ৰূমৰ বেৰত বা কিতাপৰ ভাঁজত থৈ দিছিল। সেই কাৰ্ডবোৰৰ পৰা এক ধৰণৰ সুবাস ওলাইছিল- যি আছিল আন্তৰিকতাৰ সুবাস। কেৱল বন্ধু-বান্ধৱীৰ মাজতেই নহয়, শিক্ষক-ছাত্ৰ ছাত্ৰীৰ মাজত বা দূৰৈৰ সম্পৰ্কীয় আত্মীয়ৰ মাজতো এই বিনিময় চলিছিল। ইয়াৰ জৰিয়তে সমাজৰ বিভিন্ন স্তৰৰ মানুহৰ মাজত এক অদৃশ্য বান্ধোন গঢ়ি উঠিছিল, যিয়ে সামাজিক সংহতি ৰক্ষাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল।

ক্ৰমাগত ভাৱে একবিংশ শতিকাৰ আৰম্ভণিৰ পৰাই সেই দৃশ্যপট সলনি হ'বলৈ আৰম্ভ কৰিলে। তথ্য-প্ৰযুক্তিৰ বিপ্লৱে মানুহৰ যোগাযোগৰ ধৰণটোৱেই সলাই পেলোৱাৰ লগে লগে গ্ৰীটিংছ কাৰ্ডৰ ব্যৱস্থাটো লুপ্ত হৈ ম'বাইলৰ ক্ষুদ্ৰ বাৰ্তা বা এছএমএছৰ জৰিয়তে শুভেচ্ছা জনোৱাৰ প্ৰথা আৰম্ভ হ'ল। ইয়াৰ পিছত আহিল সামাজিক মাধ্যমৰ ঢৌ। ফেচবুক, হোৱাটছএপ আৰু ইনষ্টাগ্ৰামৰ আগমনৰ ফলত গ্ৰীটিংছ কাৰ্ডৰ সেই বিশাল বজাৰখন সম্পূৰ্ণ ভাৱে লুপ্ত হৈ পৰিল। এতিয়া নৱবৰ্ষৰ শুভেচ্ছা জনাবলৈ এসপ্তাহৰ আগৰ পৰা ডাকঘৰলৈ যাব নালাগে বা বজাৰত কাৰ্ড বিচাৰি ঘূৰিব নালাগে। মাত্ৰ এটা ক্লিকতে বা এটা 'ষ্টেটাচ' আপডেটৰ জৰিয়তে আমি হেজাৰ হেজাৰ মানুহক একেলগে শুভেচ্ছা জনাব পাৰো। আজি মোবাইলৰ জৰিয়তে প্ৰেৰণ কৰা বাৰ্তাবোৰৰ বেছিভাগেই হ'ল 'কপি-পেষ্ট' কৰা বাৰ্তা। তাত নিজৰ ভাষা বা নিজৰ আখৰৰ সেই আমেজটো নাথাকে। যান্ত্ৰিকতাই আমাক সুবিধাবাদী কৰাৰ লগতে আৱেগবোৰকো বহু পৰিমাণে কৃত্ৰিম কৰি তুলিলে।

পৰিৱৰ্তিত নৱবৰ্ষৰ উদ্‌যাপনৰ শৈলীটোও এতিয়া বহু পৰিমাণে বাহ্যিক প্ৰদৰ্শন কেন্দ্ৰিক হৈ পৰিছে। আগৰ দিনত নৱবৰ্ষৰ উদ্‌যাপন আছিল ঘৰুৱা। পৰিয়ালৰ সদস্য সকলে মিলি আয়োজন কৰা খানা বা ওচৰ-চুবুৰীয়াৰ সৈতে পতা আড্ডাই আছিল উদযাপনৰ আনন্দ। বৰ্তমান এই ব্যৱস্থাৰ সলনি নৈশ ক্লাবৰ পাৰ্টি, হোটেলৰ ব্যয় বহুল ডিনাৰ আৰু অতিমাত্ৰা আতচবাজীৰ শব্দলৈ ৰূপান্তৰিত হৈছে। সম্প্ৰতি আধুনিকতাই আমাক উন্নত সা-সুবিধা দিছে, দূৰৈৰ বন্ধুজনৰ লগত ভিডিঅ' কলত মুখামুখিকৈ কথা পতাৰ সুযোগ দিছে। সেয়া স্বাভাৱিকতেই ইতিবাচক কথা। তথাপিতো পুৰণি দিনৰ সেই ধূলিময় ৰাস্তাৰে চাইকেল চলাই বন্ধুৰ ঘৰলৈ গৈ দিয়া গ্ৰীটিংছ কাৰ্ডখনৰ মাদকতা আছিল অনন্য। সেই আমেজ আৰু আন্তৰিকতাৰ তুলনা বৰ্তমানৰ কোনো ব্যৱস্থাৰ লগতে হব নোৱাৰে। সেয়া আছিল স্বতস্ফুত, অকৃত্ৰিম আৰু গভীৰ আৱেগৰ মূৰ্ত প্ৰকাশ।

পৰিশেষত কব পাৰি যে- পৰিৱৰ্তন প্ৰকৃতিৰ নিয়ম। সময়ৰ লগত খোজ মিলাই আগবাঢ়ি যোৱাটোৱেই হ'ল জীৱন। কিন্তু এই পৰিৱৰ্তনৰ যাত্ৰাত আমি আমাৰ শিপা আৰু সৰলতাক পাহৰি যোৱাটো উচিত নহয়। আজিৰ ল'ৰা-ছোৱালীবোৰে হয়তো কেতিয়াও অনুভৱ কৰিব নোৱাৰিব পিয়ন বা ডাকোৱালৰ বাবে বাট চোৱাৰ সেই মাদকতাৰ কথা। তেওঁলোকে বুজি নাপাব সেই ৰঙীন কাগজৰ গ্ৰীটিংছ কাৰ্ডবোৰৰ আঁৰত লুকাই থকা নিঃস্বাৰ্থ মৰম আৰু ভালপোৱা বোৰ। নতুন বছৰে প্ৰতিবাৰেই নতুন আশা কঢ়িয়াই আনে। গতিকে সেই আশা আৰু পৰিৱৰ্তনৰ মাজেদিও আমাৰ সাংস্কৃতিক আৰু মানৱীয় মূল্যবোধবোৰক ৰক্ষা কৰি চলাটোৱেই হ'ব আমাৰ যুগান্তকাৰী দায়িত্ব। আধুনিকতাৰ দৌৰত আমি যেন আন্তৰিকতাৰ সেই চানেকিবোৰ সম্পূৰ্ণৰূপে হেৰুৱাই নেপেলাওঁ, সেয়াই আমাৰ কাম্য হোৱা উচিত।

# শীতবন্ধৰ ক্ষেত্ৰত এক ৰাজ্য, এক সিদ্ধান্ত হ'ব লাগে

সম্পাদকলৈ চিঠি

ঠাণ্ডাৰ বাবে কামৰূপ মহানগৰ জিলা আৰু মাজুলী জিলাত এসপ্তাহলৈকে বিদ্যালয় বন্ধৰ জাননী ওলাল। ইতিমধ্যে ঠাণ্ডাক লৈ বিদ্যালয় বন্ধ ঘোষণাৰ ক্ষেত্ৰত জিলাৰ আয়ুক্ত সকলে নিজাববীয়াকৈ সিদ্ধান্ত ল'ব পাৰিব বুলি শিক্ষামন্ত্ৰীয়ে ঘোষণা কৰিছিল। কিন্তু দুখন জিলাৰ বাদে আন কোনো জিলাতে বিদ্যালয় বন্ধ দিয়া হোৱা নাই। কিছু জিলাত বিদ্যালয় আৰম্ভ সময় দহ বজা নিৰ্ধাৰণ কৰিছে বিদ্যালয় পৰিদৰ্শকসকলে। ডিচেম্বৰ, জানুৱাৰীৰ দিনকেইটা অতিপাত ঠাণ্ডাৰ দিন। সেয়েহে জোতা-মোজা, ভাল ছুৱেটাৰ, টুপী বা অন্য গৰম কাপোৰ নথকা দুখীয়া ঘৰৰ ছাত্ৰ-ছাত্ৰীয়ে এইকেইদিন বিদ্যালয়লৈ যাব পৰা নাই। পাঠগ্ৰহণৰ পৰা তেওঁলোক বঞ্চিত হৈছে। দিনৰ প্ৰায় দহবজালৈকে কুঁৱলী পৰি থাকে। মটৰচাইকেলেৰে বিশ, ত্ৰিশ কিঃ মিঃ দূৰৈৰ বিদ্যালয়লৈ যোৱা শিক্ষক সকলেও কুঁৱলী ফালিয়েই বিদ্যালয়লৈ যাব লগাত পৰিছে। ফলত কাহ, চৰ্দি আদি হৈছে। বিদ্যালয় বন্ধৰ ক্ষেত্ৰত এটাই সিদ্ধান্ত প্ৰযোজ্য হ'ব লাগে ৰাজ্যজুৰি। এই সিদ্ধান্ত ল'ব লাগে চৰকাৰ নাইবা শিক্ষা বিভাগে। একেখন ৰাজ্যৰে কোনোবা জিলাত বিদ্যালয় খোলা, কোনোবা জিলাত বিদ্যালয় বন্ধ এইবিলাক কি নিয়ম? কি জিলা চাই চাই শীতপ্ৰবাহ হৈছে নেকি? এতিয়ালৈকে বিদ্যালয় বন্ধ নিদিয়া জিলাত কি ঠাণ্ডা পৰা নাই? কণকণ ছাত্ৰ-ছাত্ৰীসকলক কিয় ইমান কষ্ট দিয়া হৈছে? একাংশ ছাত্ৰ -ছাত্ৰী অতিপাত ঠাণ্ডাৰ মাজতো বিদ্যালয় আহিবলৈ বাধ্য, কাৰণ অভিভাৱকে নিবিচাৰে শ্ৰেণী খটি কৰাটো। ফলত ছাত্ৰ-ছাত্ৰীসকলৰো দেহত ঠাণ্ডা সোমাই জ্বৰ, কাহ, চৰ্দি, বমি হ'বলৈ ধৰিছে। বহু জিলাই গুণোৎসৱৰ ফলাফল বেয়া হ'ব বুলিয়েই বন্ধ দিয়া নাই। চৰকাৰে যেনেকৈ এক দেশ এক কৰৰ কথা কয়, এক দেশ এক নিৰ্বাচনৰ কথা কয়, একেই যুক্তিত বন্ধৰ ক্ষেত্ৰতো এক ৰাজ্য এক সিদ্ধান্ত হোৱা উচিত। আগতে বছৰেকীয়া পৰীক্ষাৰ শেষত ডিচেম্বৰ মাহত পাঠদান বন্ধ থাকে। ছাত্ৰ-ছাত্ৰীসকলে শীতৰ দিনকেইটাত বন্ধ পাই ছিল। আজিকালি শৈক্ষিক বৰ্ষ সালসলনি হোৱাত ডিচেম্বৰ মাহতো বিদ্যালয় চলি থাকে। ফলত ঠাণ্ডাত ছাত্ৰ-ছাত্ৰীসকল ভুক্তভোগী হয়। যিসময়ত মহাবিদ্যালয়, উচ্চ ন্যায়ালয়তো ঠাণ্ডাৰ বন্ধ ঘোষণা হয়, তেনে সময়ত ৰাজ্যৰ প্ৰাথমিক বিদ্যালয়ৰ বাবেও ঠাণ্ডাৰ বন্ধ দিয়া নহয়। এইবিলাক কথা চৰকাৰে অনুধাৱন কৰি অতিপাত শীতৰ দিনকেইটাত শীঘ্ৰে শিক্ষানুষ্ঠানসমূহৰ বাবে ঠাণ্ডা বন্ধ ঘোষণা কৰিবলৈ আহ্বান জনালোঁ।

*যতীন বৰা*
*লেখকৰ ঠিকনা ঃ গোলাঘাট*
*ইমেইল ঃ borahjatin61@gmail.com*

# অচিনাকি হৈ পৰিল ডাকঘৰৰ চিনাকি ৰঙা প'ষ্টবক্সটো

তাহানিৰ ডাকঘৰলৈ গৈ শাৰী পাতি প'ষ্টবক্সত চিঠি পত্ৰ দিয়া ইনলেণ্ড কাৰ্ড, গ্ৰিটিংছ কাৰ্ড দিয়া আদি নিয়মবোৰ সময়ৰ সোঁতৰ লগত যেন সলনি হৈ গ'ল। এতিয়া আপোনাৰ মোৰ ডাকঘৰৰ সেই ৰঙা ৰঙৰ প'ষ্টবক্স সমূহত কাৰোবালৈ বুলি চিঠি গ্ৰিটিংছ কাৰ্ড আদি প'ষ্ট কৰিবলৈ যোৱাৰ সময় নাইকিয়া হ'ল। এলাগী হৈ পৰিল এই প'ষ্টবক্সসমূহ। তেতিয়াৰ সেই প'ষ্টবক্স সমূহৰ ঠাইত আজিৰ আধুনিকতাৰ যুগত ম'বাইল ফোন আৰু এছ এম এছ ইণ্টাৰনেটৰ গুৰুত্ব বাঢ়িল।

সেই চিৰ সেউজ গীতটো- "চিঠিৰ বোজা মই পিঠিত বান্ধি লৈ পৰৰ চেনেহ কঢ়িয়াও, মোৰহে চেনেহীয়ে কিনো ভাবিছে একো গমকে নাপাও......।" এই সুমধুৰ গীতটি নুশুনা ব্যক্তি হয়তো অসমত নালাব। ষাঠিৰ দশকৰ এই গীতটি সংস্কৃতিবান প্ৰতিজন অসমীয়াৰ হৃদয়ত বাজি আছে আজিও। গীতটি মনলৈ আহিলেই চকুৰ আগত ভাঁহি উঠে চিঠিৰ মেটমৰা বোজা কঢ়িয়াই লৈ ফুৰা পাহোৱাল ডাকোৱাল জনৰ চেহেৰা।

**দ্বীপেন শইকীয়া**

ইয়াৰ উপৰিও চকুৰ আগত জিলিকি উঠে নগৰ চহৰ কিম্বা গাঁও অঞ্চলৰ তিনি আলি চাৰি আলি বোৰৰ ঠায়ে ঠায়ে ৰ'দ, বৰষুণ, বতাহ-ধুমুহাকো নেওচি থিয় হৈ থকা ৰঙা ৰঙৰ তাহানি পুৰণি প'ষ্টবক্স সমূহৰ ছবিবোৰ। কিন্তু আধুনিক প্ৰযুক্তি বিদ্যাৰ নতুন নতুন আবিষ্কাৰে ক্ৰমান্বয়ে যেন নোহোৱা কৰি পেলাইছে এই ৰঙা ৰঙৰ প'ষ্টবক্স তথা ডাকোৱালৰ প্ৰয়োজনীয়তা সমূহ।

আজিৰ পৰা কেৱল দুই দশক আগলৈকে প্ৰিয়জন বা দূৰণিত থকা মামা-মামি, জেঠাই-জেঠো, মাহী-মহা, পেহা-পেহীহঁতৰ লগতে বন্ধ-বান্ধৱীৰ বাবে চিঠি লিখি ওচৰতে থকা প'ষ্টবক্স সমূহত চিঠিখন জমা দি থৈ অহাটো এটা স্বাভাৱিক কথা আছিল আৰু এই সুবাদতে অসমীয়া সমাজত বহুল ভাৱে ব্যৱহাৰ হৈছিল ইংলেণ্ড কাৰ্ড, প'ষ্টকাৰ্ডৰ। বিশেষকৈ প্ৰতিৰক্ষা বিভাগত দূৰ-দূৰণিত কৰ্মৰত জোৱানসকলৰ নিজৰ ঘৰখনৰ লগত বা প্ৰিয়জনৰ লগত যোগাযোগ ৰক্ষা কৰাৰ একমাত্ৰ উপায় আছিল এই ইনলেণ্ড কাৰ্ড, প'ষ্টকাৰ্ডসমূহ। কিন্তু এতিয়া একৈশ শতিকাৰ অত্যাধুনিক প্ৰযুক্তিবিদ্যাৰ দিনত প্ৰতিৰক্ষা বিভাগৰ জোৱানসকলৰ মাজতো এলাগী হ'ব ধৰিছে ইনলেণ্ড কাৰ্ড, প'ষ্টকাৰ্ডসমূহ। বৰ্তমান প্ৰতিৰক্ষা বিভাগৰ জোৱান সকলেও প্ৰযুক্তিবিদ্যাৰ প্ৰভাৱত ম'বাইল - ফোনৰ সহজ ব্যৱহাৰে অপ্ৰয়োজনীয় কৰিলে ইনলেণ্ড কাৰ্ড, প'ষ্টকাৰ্ড তথা প'ষ্ট বক্সক। আনকি দেশৰ ভিতৰতে নহয় বিদেশত থকা জনৰ সৈতেও ছেকেণ্ডৰ ভিতৰতে ভাৱ বিনিময় কৰাৰ সুবিধা আনি দিলে ম'বাইল ফোন, এছ এম এছ, ইণ্টাৰনেট ফেছবুক, টুইটাৰ আদি নন ব্যৱস্থা সমূহে। কাণেৰে শুনাৰ বাহিৰেও পৰস্পৰে পৰস্পৰৰ ছবি চাই চাই ভাৱ বিনিময় কৰাৰ সুবিধা আছে ইণ্টাৰনেটৰ এই নতুন নতুন আৱিষ্কাৰবোৰত। অৱশ্যে ইণ্টাৰনেটৰ এই ব্যৱস্থা অলপ ব্যবহুল হোৱা হেতুকে এছ এম এছৰ ব্যৱহাৰেই বৰ্তমান সময়ত যুৱ প্ৰজন্মৰ লগতে একাংশ বয়সীয়াল লোকৰ মাজত অধিক পছন্দ।

সম্প্ৰতি বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ প্ৰভাৱে চিনাকি ডাকোৱাল, প'ষ্টবক্স, ইংলেণ্ড কাৰ্ড, প'ষ্ট কাৰ্ড আদি সৰ্বসাধাৰণৰ মাজত অচিনাকি হৈ থাকি ম'বাইল ফোন, এছ এম এছ, ইণ্টাৰনেট আদি মাধ্যম সমূহ আধুনিক সমাজ ব্যৱস্থাত মানুহৰ মাজত জনপ্ৰিয় হৈ পৰিছে যদিও পূৰ্বৰ দৰে ইয়াত নোহোৱা হৈছে আন্তৰিকতা কিম্বা আৱেগ। ঘৰৰ পৰা দূৰত থকা আপোন জনৰ পৰা চিঠি এখন আহিব বুলি অধীৰ আগ্ৰহেৰে বাট চাই থকাৰ মাদকতা নতুবা চিনাকি ডাকোৱালজন আহি পদূলিত থিয় হলেই মনত জাগি উঠা অবৰ্ণনীয় মনৰ যি ভাৱ সেয়া কেতিয়াও ম'বাইল ফোন, এছ এম এছ বা ইণ্টাৰনেটৰ ফেছবুক, টুইটাৰে কেতিয়াও দিব নোৱাৰে।

আপোনজনৰ চিনাকি আখৰেৰে লিখি পঠিওৱা প্ৰিয়জনৰ চিঠিখন খুলি ল'লেই -কেনে আছা তুমি? ভালনে তোমাৰ? মোলৈ মনত পৰেনে? আদি বাক্য কেইটাই প্ৰেয়সীক হৃদয়ত যি অজান আলোড়নৰ সৃষ্টি কৰে সেই ম'বাইল ফোনৰ এছ এম এছৰ হাউ আৰ ইউ বাক্যশাকীয়ে কেতিয়াও প্ৰেয়সীৰ হৃদয়ত তেনে আলোড়ন সৃষ্টি কৰিব নোৱাৰে।



উল্লেখ্য যে বৰ্তমান সমগ্ৰ অসমত প্ৰায় ১৮৪৮৪টা পষ্টবক্স আছে যদিও তাৰে ৮০ শতাংশ পষ্টবক্সৰ আজিকালি কোনো কাম নাই। ফলত অসম ডাক বিভাগে এই কামত নহা প'ষ্টবক্স সমূহ নিৰ্দিষ্ট ঠাইৰ পৰা উঠাই আনি মুখ্য কাৰ্যালয়ত নিৰ্দিষ্ট কামত জমা কৰি থব লগাত পৰিছে। ঠিক সেইদৰে নগাঁও চহৰৰো বিভিন্ন স্থানত প্ৰায় ৭৫টা পষ্টবক্স আছিল যদিও তাৰে ৮৫ শতাংশ পষ্টবক্সত এতিয়া চিঠিপত্ৰ জমা নহয়। নগাঁৱৰ প্ৰধান ডাকঘৰৰ মুখ্য পষ্টব'টোতে এতিয়া আগৰ দৰে চিঠি পত্ৰ জমা নোহোৱালৈ চাই বৰ্তমান সমগ্ৰ নগাঁও জিলাতে চিঠি পত্ৰ লিখা মানুহৰ সংখ্যা যথেষ্ট কমি গৈছে। এতিয়া বৰ্তমান নিবনুৱা যুৱক-যুৱতীসকলে সময়ে সময়ে একাংশ চৰকাৰী চাকৰি বিচাৰি আবেদন কৰাৰ সময়তেহে ডাকঘৰৰ নিৰ্দিষ্ট প'ষ্টবক্স কেইটামান ভৰ্তি হৈ পৰা দেখা যায়। যদিও আজি কিছু মাহৰ পৰা অনলাইন আবেদনৰ বাবে সেইয়াও হ্ৰাস পাইছে। আকৌ ঠিক সেইদৰে বহুদিনলৈ পুনৰ ডাকঘৰৰ ৰঙা বঙৰ প'ষ্টবক্স সমূহ ৰ'দৈ বৰষুণে খালী হৈ থকা পৰিলক্ষিত হয়। তথাপি আধুনিক মানুহে দ্ৰুতবেগী সময়ৰ তাগিদাত আঁকোৱালি ল'বলৈ বাধ্য হৈছে এই আবেগ অনুভূতিহীন যান্ত্ৰিক মাধ্যম সমূহক। যাৰ বিনিময়ত আমাৰ মাজতে অচিনাকি হৈ পৰিছে চিনাকি পুৰণি প'ষ্টবক্স সমূহ, চিনাকি ডাকোৱাল জন, ইনলেণ্ড কাৰ্ড, প'ষ্টকাৰ্ড, চিনাকি গ্ৰীটিংষ্ট কাৰ্ড সমূহ। একৈশ শতিকাৰ অত্যাধুনিক প্ৰযুক্তি বিদ্যাৰ দিনত এতিয়া পুনৰ জানো ঘূৰি আহিব তাহানিৰ এই পষ্ট'বক্স ব্যৱহাৰৰ তথা নষ্টালজিয়াৰে ভৰা সুমধুৰ দিনবোৰ?

# বিস্মিতি গৰ্ভত বিলীন হৈ পৰিল গ্ৰীটিংছ কাৰ্ড

সম্পাদকলৈ চিঠি

বৰ্তমান আধুনিক যান্ত্ৰীকতাৰ যুগত নতুন প্ৰজন্মৰ মাজত হেৰাই গৈছে নৱবৰ্ষত প্ৰিয়জনে উপহাৰ দিয়া গ্ৰীটিংছ কাৰ্ড। আজিৰ পৰা প্ৰায় ২০ বছৰৰ আগতে নৱেম্বৰ মাহ আৰম্ভ হোৱাৰ লগে লগে নতুন বছৰৰ উপহাৰ হিচাপে প্ৰিয় জনে আদান প্ৰদান কৰে এখন গ্ৰীটিংছ কাৰ্ড। তেতিয়াৰ দিনত নৱেম্বৰ মাহৰ পৰাই এই গ্ৰীটিংছ কাৰ্ড বিলাক নগৰ- চহৰ প্ৰায় দোকানত সজাই পৰাই দোকান শুৱনি কৰে। দোকানীয়ে ক্ৰেতাৰ বাবে অপেক্ষা কৰে। এখন গ্ৰীটিংছ কাৰ্ডৰ মূল্য ২ টকাৰ পৰা ১০০ টকা পৰ্য্যন্ত আছিল। বহু লোকেই কাগজেৰে তৈয়াৰ কৰি লৈছিল গ্ৰীটিংছ কাৰ্ড। সাধাৰণতে এই কাৰ্ড বিলাকত চৰাই, ফুল, শিশুৰ ছবি, প্ৰাকৃতিক দৃশ্য, ইত্যাদি অংকন কৰা থাকে। লগতে এই কাৰ্ডত ইংৰাজী নতুন বছৰৰ শুভেচ্ছা বাৰ্তা লিখি প্ৰেৰণ কৰে প্ৰিয় জনলৈ। তেতিয়াৰ দিনত এই কাৰ্ড সমূহ চ'ৰা ঘৰত সুন্দৰকৈ সজাই থোৱা দেখা যায়। কিন্তু সেইয়া এতিয়া অতীত হৈ পৰিল। লগতে বৰ্তমান সময়ত এই গ্ৰীটিংছ কাৰ্ড বিস্মিতিৰ গৰ্ভত বিলীন হল। যান্ত্ৰীকতাই গ্ৰাস কৰিলে এই কাৰ্ড সমূহ। এতিয়া মোবাইলতে নতুন বছৰৰ শুভেচ্ছা জনাই সীমাবদ্ধ হৈ পৰিল। গাঁও নগৰ দোকান বিলাকত গ্ৰীটিংছ কাৰ্ড ওলোমাই থোৱা দৃশ্য এতিয়া দুৰ্লভ। মোবাইলৰ ফেচবুক, হোৱাটছ এপ, ইনষ্টাগ্ৰামত উপলদ্ধ হৈ পৰিল শুভেচ্ছা বাণী। আনহাতে নৱেম্বৰ মাহৰ পৰা জানুৱাৰী মাহলৈকে গ্ৰীটিংছ কাৰ্ড আদান প্ৰদান হৈ থাকে। সমান্তৰাল কৈ ডাক প্ৰচলনো নাইকিয়া হৈ পৰিছে। নতুন বছৰৰ প্ৰাক মুহূৰ্তত ডাকুৱালে চাইকেলৰ টিলিঙা বজাই ঘৰত গ্ৰীটিংছ কাৰ্ড, চিঠি, দিবলৈ আৰু নাহে। বিজ্ঞানে আমাক বহুদূৰ আগুৱাই লৈ গৈছে। এতিয়া নতুন বছৰৰ মৰম, শুভেচ্ছা, আশীৰ্বাদ সহজতে গ্ৰহণ কৰা হৈছে।

*দিগন্ত শৰ্মা*

# বিদ্যা ভাৰতী অখিল ভাৰতীয় প্ৰচাৰ-অভিলেখাগাৰ বিভাগৰ দুদিনীয়া যুটীয়া বৈঠক



**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৩ জানুৱাৰী ঃ** শিক্ষাৰ মানোন্নয়ন, সাংগঠনিক সমন্বয় আৰু সাংস্কৃতিক মূল্যবোধ অধিক শক্তিশালী কৰাৰ লক্ষ্যৰে বিদ্যা ভাৰতীৰ অখিল ভাৰতীয় প্ৰচাৰ আৰু অভিলেখাগাৰ বিভাগৰ এক গুৰুত্বপূৰ্ণ যুটীয়া বৈঠক ঝাৰখণ্ডৰ ৰাঁচীত শনিবাৰৰ পৰা দুদিনীয়াকৈ আৰম্ভ হৈছে। ঝাৰখণ্ডৰ ৰাঁচীৰ আদিত্য প্ৰকাশ জালান টি-চাৰ্চ ট্ৰেনিং কলেজৰ প্ৰেক্ষাগৃহত আয়োজিত বৈঠক ৪ জানুৱাৰী ৰবিবাৰে সমাপন হ'ব। ৩ জানুৱাৰীত পুৱা ৯ বজাত বৈঠকত দেশৰ সকলো প্ৰান্তৰ প্ৰচাৰ আৰু অভিলেখাগাৰ বিভাগৰ প্ৰমুখ উপস্থিতিত বন্তি প্ৰজ্বলনৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰে শিক্ষাবিদ বিদ্যা ভাৰতী অখিল ভাৰতীয় মহামন্ত্ৰী দেশৰাজ শৰ্মা, বিদ্যা ভাৰতী অখিল ভাৰতীয় প্ৰচাৰ বিভাগৰ প্ৰভাৰী সুধাকৰ ৰেড্ডী, বিদ্যা ভাৰতীৰ অখিল ভাৰতীয় অভিলেখাগাৰ প্ৰমুখ ললিত বিহাৰী গোস্বামী, মধ্য প্ৰদেশ অভিলেখাগাৰ ৰাজেন্দ্ৰ বাঘেল, ক্ষেত্ৰীয় মন্ত্ৰী ৰামকেশ নাৰচাৰীয়া প্ৰমুখ্যে বিশিষ্ট ব্যক্তিৰ উপস্থিতিত সম্পন্ন হয়। ইয়াৰ পিছতে "শিশু সন্দেশ" পত্ৰিকা লগতে বিভিন্ন ক্ষেত্ৰৰ পত্ৰিকা সমূহ উন্মোচন কৰা হয়। বৈঠকৰ আৰম্ভণিতে প্ৰচাৰ বিভাগৰ প্ৰভাৰী সুধাকৰ ৰেড্ডীয়ে প্ৰস্তাৱিক ব্যক্তব্য ৰাখি অভিলেখ লিপিবদ্ধ কৰাৰ জড়িতে ইতিহাস সুৰক্ষিত কৰাৰ লগতে প্ৰচাৰ বিভাগৰ কামকাজৰ বিদ্যা ভাৰতী পঞ্চপদী সংস্কাৰমুখী শিক্ষাৰ বিষয়ে সমাজ অৱগত কৰি প্ৰচাৰ প্ৰসাৰ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিবলৈ প্ৰতিনিধিসকলক আহ্বান জনায়। মুখ্য বক্তা হিচাবে উপস্থিত থকা বিদ্যা ভাৰতী অখিল ভাৰতীয় মহামন্ত্ৰী দেশৰাজ শৰ্মাই বিদ্যা ভাৰতীৰ সাংগঠনিক কাম কাজ সুদৃঢ় কৰিবলৈ লগতে দীৰ্ঘকালীন যোজনা ভৱিষ্যতৰ দৃষ্টিৰে প্ৰচাৰ-প্ৰসাৰ, অভিলেখ, ইতিহাস আৰু অনুভৱ সুৰক্ষিত কৰি ভৱিষ্যতৰ প্ৰজন্মই মাৰ্গদৰ্শন লব পাৰিব বুলি উল্লেখ কৰে। মহামন্ত্ৰী শৰ্মাই বিদ্যা ভাৰতীৰ শক্তিশালী সাংগঠনিক স্থিতি গঢ়ি তুলিবলৈ প্ৰচাৰ আৰু অভিলেখাগাৰৰ কৰ্মকৰ্তা উৎসাহিত কৰা লগতে আহ্বান জনায়। ইয়াৰ উপৰিও সম্পাদকীয় লেখন কৌশল ওপৰত সৌৰভ মালব্য, চিত্ৰ চয়ণ কৌশল ওপৰত ড০ নৰেন্দ্ৰ কুমাৰ মিশ্ৰ আৰু পত্ৰিকা প্ৰকাশনৰ ওপৰত ড° দিবাংশু কুমাৰে অতি গুৰুত্বপূৰ্ণ তথ্য আৰু কৌশল দাঙি ধৰে। বৈঠকত পঞ্চপদী শিক্ষা ব্যৱস্থাৰ ৰূপায়ণ, বিভিন্ন নতুন যোজনা প্ৰস্তুত কৰাৰ লগতে প্ৰচাৰ আৰু অভিলেখাগাৰ ক্ষেত্ৰত কাৰ্যকৰী প্ৰশিক্ষণ প্ৰদান কৰা হ'ব। এই বৈঠকলৈ বিদ্যা ভাৰতী পূৰ্বোত্তৰ ক্ষেত্ৰৰ প্ৰচাৰ বিভাগৰ সংযোজক বিকাশ শৰ্মা, শিশু শিক্ষা সমিতি উত্তৰ অসম প্ৰান্তৰ প্ৰচাৰ বিভাগৰ সংযোজক মুকুটেশ্বৰ গোস্বামী, বিদ্যা ভাৰতী সংবাদ পত্ৰিকাৰ সম্পাদিকা গায়ত্ৰী গোস্বামী, পূৰ্বোত্তৰ ক্ষেত্ৰ আৰু অভিলেখাগাৰ অসম প্ৰান্তৰ দায়িত্বত থকা ভূষণ গোস্বামী, দক্ষিণ অসমৰ অভিলেখাগাৰ প্ৰমুখ মেঘাঞ্জন চক্ৰৱৰ্তী, দক্ষিণ অসমৰ প্ৰচাৰ প্ৰমুখ কুনলজিৎ দেৱ, মেঘালয় প্ৰান্ত প্ৰচাৰ প্ৰমুখ বিবেক তিৱাৰী, মনিপুৰ প্ৰান্ত প্ৰচাৰ প্ৰমুখ ভীমসেন শৰ্মা, চচিয়েল মেডিয়া প্ৰমুখ শ্ৰীবাস শৰ্মাই অংশগ্ৰহণ কৰিছে। উল্লেখযোগ্য যে বিদ্যা ভাৰতীৰ অধীনস্থ মাতৃভাষা মাধ্যমৰ বিদ্যালয়সমূহে বিগত চাৰিটা দশকত পূৰ্বোত্তৰ ভাৰতত সংস্কাৰমুখী শিক্ষাৰ জৰিয়তে মানৱ সম্পদ বিকাশৰ ক্ষেত্ৰত এক অতুলনীয় অৱদান আগবঢ়াই আহিছে। এক প্ৰেছ বিজ্ঞপ্তি যোগে প্ৰচাৰ প্ৰমুখ মুকুটেশ্বৰ গোস্বামীয়ে এই বিষয়ে জানিবলৈ দিছে।

# নকছাৰিত সদৌ অসম শিশু ভাওনাৰ শুভাৰম্ভ

## স্মৃতিগ্ৰন্থ 'শ্ৰী বৎস' উন্মোচন

**অসম বাৰ্তা, নকছাৰি, ৩ জানুৱাৰী ঃ** মৰিয়নি সমষ্টিৰ অন্তৰ্গত নকছাৰিত শুক্ৰবাৰে হৰিনামৰ ধ্বনিৰে আকাশ-বতাহ মুখৰিত হৈ পৰে। কালিৰে পৰা নকছাৰিৰ দেৱেৰাপাৰ চাৰিআলিত শ্ৰী বৎস শিল্পীসমাজৰ উদ্যোগত আৰু স্থানীয় ৰাইজৰ সহযোগত সদৌ অসম ভিত্তিত দ্বিতীয় বৰ্ষৰ বাবে শিশু ভাওনা প্ৰতিযোগিতা আৰু দিহানাম প্ৰতিযোগিতা আৰম্ভ হৈছে। ২ জানুৱাৰীৰ পৰা ১০ জানুৱাৰীলৈকে অনুষ্ঠিত হ'ব লগা প্ৰতিযোগিতাৰ আজি প্ৰথম দিনাৰ পুৱা গছপুলি ৰোপণৰ পাছতে বীৰেণ হাজৰিকা সোঁৱৰণি মূল তোৰণ উন্মোচন কৰে সমাজকৰ্মী কেশৱ লাহনে। পতাকা উত্তোলন কৰে উদ্‌যাপন সমিতিৰ সভাপতি বুদ্ধেশ্বৰ চুতীয়াই। নামঘৰৰ গুৰু আসন প্ৰতিষ্ঠা, নাম-প্ৰসংগৰ হৰিনামৰ ধ্বনিৰে গংগাধৰ বৰুৱা-মফজুল হুছেইন সমন্বয় ক্ষেত্ৰ ৰজনজনাই উঠে। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত সংগীত সূৰ্য জুবিন গাৰ্গলৈ বিশেষ শ্ৰদ্ধা আগবঢ়ায়। ইয়াৰ পাছতে নকছাৰি-লাহিং-ফেছুৱাল ভিন্ন প্ৰান্তৰ পৰা অহা প্ৰায় চাৰিহাজাৰোধিক মহিলাই একত্ৰিত হৈ দিহানাম পৰিবেশনে বৈকুণ্ঠপুৰী কৰি তোলে। অনুষ্ঠানৰ শুভাৰম্ভ কৰি মৰিয়নি সমষ্টিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে শ্ৰী বৎস শিল্পীসমাজক অভিনন্দন জ্ঞাপনৰ লগতে জাতি-ধৰ্ম-নিৰ্বিশেষে সকলো একত্ৰিত হৈ গুৰুজনাৰ সৃষ্টিৰাজীক সন্মান আৰু চৰ্চাকৰাৰ প্ৰয়াসক ভূয়সী প্ৰশংসা কৰে। অনুষ্ঠানত খ্ৰীষ্টান নগাসম্প্ৰদায়ৰ মহিলাসকলে বাইবেলৰ মহানবাণী পাঠ কৰাৰ লগতে অসমৰ বিশিষ্ট জিকিৰ শিল্পী নেকিব ইছলামৰ তত্ত্বাৱধানত হাজাৰোধিক মহিলাই জিকিৰ পৰিবেশন কৰি সমন্বয় আৰু ভাতৃত্ববোধৰ পৰিবেশ নকছাৰিত আছে তাক পুনৰ প্ৰমাণ কৰে। কাৰ্যসূচীত যোৰহাট জিলা পৰিষদৰ সভাপতি সুৰজিত শইকীয়া, অৱসৰী অধ্যক্ষ অলকানন্দ চুতীয়া, গুণকান্ত গগৈ, ললিত গগৈ, অসীম বৰুৱা, পল্লৱী গগৈ, যাদৱ দুৱৰা প্ৰমুখ্য বহু ব্যক্তি অংশ লয়। অনুষ্ঠানৰ আঁত ধৰে শ্ৰী বৎস শিল্পীসমাজৰহে হিতেশ্বৰ হাজৰিকাই। অনুষ্ঠানত মৰিয়নি-নকছাৰি সাংবাদিকসকলকো পৰিচয় কৰাই সন্মানীত কৰে। ইয়াৰ পাছতে ৰণজিত গগৈৰ সম্পাদনাত প্ৰকাশ কৰি উলিওৱা স্মৃতিগ্ৰন্থ 'শ্ৰী বৎস' উন্মোচন কৰি বিশিষ্ট প্ৰাক্তন শিক্ষাবিষয়া তথা ছেৱা তথা শিক্ষা সংসদৰ সচিব কমলজ্যোতি গগৈয়ে নকছাৰিত শ্ৰী বৎস শিল্পী সমাজে ভাওনা শিল্পক আজি দীৰ্ঘ বছৰে কেনেকৈ অসম পৰ্যায়ৰ আগশাৰীৰ দললৈ পৰিণত কৰাইছে তাক প্ৰশংসা কৰাৰ লগতে নৱপ্ৰজন্মক অসমীয়া সংস্কৃতি শিকা-চৰ্চা কৰাৰ পৰিবেশ গঢ় দিয়াৰ প্ৰাসংগিকতা দোহাৰে। বিশিষ্ট অতিথিৰূপে ড° মণ্টু কুমাৰ বৰাই অংশ লৈ ভাওনা অনুষ্ঠিত কৰাৰ লগতে গুৰুজনাৰ মহান আদৰ্শ নৱপ্ৰজন্মই ল'ব পাৰিব লাগিব বুলি দোহাৰে তেতিয়া এনে অনুষ্ঠানৰ সাৰ্থকতা থাকে বুলি কয়। মৰিয়নি মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মূৰব্বী অধ্যাপিকা ড° মানবী গগৈ, বিশিষ্ট কবি -শিক্ষয়িত্ৰী জোনমণি গগৈ, নকছাৰি শাখা সাহিত্য সভাৰ সম্পাদক প্ৰণৱ কুমাৰ গগৈ, অৱসৰী শিক্ষক বিনন্দ দুৱৰা, সৰ্বেশ্বৰ গগৈ, বুদ্ধেশৰ চুতীয়া অংশ লয়। অনুষ্ঠানৰ আঁত ধৰে উদযাপন সমিতিৰ সম্পাদক হিতেশ্বৰ হাজৰিকাই। সন্ধ্যা সদৌ অসম ভিত্তিত দিহা নাম প্ৰতিযোগিতা অনুষ্ঠিত হয়। ৯ জানুৱাৰীলৈকে প্ৰতিদিনে দুখনকৈ ভাওনা প্ৰদৰ্শন হোৱাৰ লগতে ১০ জানুৱাৰীত বঁটা বিতৰণী অনুষ্ঠান অনুষ্ঠিত হব।

# নগাঁৱত ৰাষ্ট্ৰীয় পথ সুৰক্ষা মাহ পালন

**অসম বাৰ্তা, নগাঁও, ৩ জানুৱাৰী ঃ** বিভিন্ন সময়ত বিশেষকৈ শীত কালত ঘন কুঁৱলীৰ তথা অনান্য বিভিন্ন কাৰণত পথ দুৰ্ঘটনাৰ পৰা ৰাইজক সুৰক্ষা দিয়াৰ স্বাৰ্থত ১ জানুৱাৰী পৰা ৩১ জানুৱাৰীলৈকে পালন কৰা হ'ব ৰাষ্ট্ৰীয় পথ সুৰক্ষা মাহ। সেই উপলক্ষ্যে আজি নগাঁও চহৰৰ বিভিন্ন পথত ৰাইজৰ মাজত পথ সুৰক্ষা সম্পৰ্কে সজাগতা অভিযান আৰম্ভ কৰে নগাঁও জিলা পৰিবহণ বিষয়া কাৰ্যালয়লে। সজাগতা অভিযানত অংশগ্ৰহণ কৰি নগাঁৱৰ পৰিবহণ বিষয়া সীমান্ত বৰাই সুৰা সেৱন কৰি গাড়ী চলোৱাৰ পৰা বিৰত থাকিবলৈ ৰাইজক আহ্বান জনাই লগতে হেলমেট পৰিধান কৰি আৰু গাড়ী চলোৱাৰ সময়ত মোবাইল ফোন ব্যৱহাৰ পৰা বিৰত থাকিবলৈ আহ্বান জনায়। উল্লেখ্য যে পথ সুৰক্ষা সম্পৰ্কে বহু ব্যক্তিয়ে অকালতে পৰিয়ালৰ আত্মীয় স্বজনক হেৰুৱাবলগীয়া হয়। বহুতৰে জীৱন, ঘূণীয়া হৈছে চিৰজীৱনৰ বাবে। এই অভিযানৰ প্ৰধান উদ্দেশ্যই আছিল যে পথ সুৰক্ষা আৰু সজাগতা সৃষ্টিৰ জৰিয়তে নগাঁৱত পথ দুৰ্ঘটনা ৰোধ কৰা। আজিৰ এই অভিযানৰ সময়ত নগাঁও পৰিবহণ প্ৰৱৰ্তক বিষয়া সকলৰ লগতে পৰিহবন কাৰ্যালয়ৰ কৰ্মচাৰী সকল উপস্থিত থাকে। উল্লেখ যে মাহজোৰাকৈ চলিব লগীয়া এই ৰাষ্ট্ৰীয় সজাগতা পথ সুৰক্ষা প্ৰতিটো দিনেই বেলেগ বেলেগ স্থানত আয়োজিত হ্ব আৰু এই সজাগতাৰ জৰিয়তে ৰাইজ তথা যুৱক যুৱতী সকল উপকৃত হ'ব বুলি পৰিবহণ বিষয়া সীমান্ত বৰাই আশা প্ৰকাশ কৰিছে।

## দেৰগাঁও বালিজান পথ দুৰ্ঘটনাত নিহতসকলৰ পবিত্ৰ স্মৃতিত মুকলি কৰা হ'ল স্মৃতিসৌধৰ

# সমাজকৰ্মী বিবেক বৰাৰ প্ৰশংসনীয় পদক্ষেপ

**অসম বাৰ্তা, দেৰগাঁও, ৩ জানুৱাৰী ঃ** ২০২৪ বৰ্ষৰ ৩ জানুৱাৰীত গোলাঘাটৰ বছা ভৰলুৱা গাঁৱৰ পৰা টিলিঙা মন্দিৰলৈ গৈ থকা অৱস্থাত দেৰগাঁও বালিজানত সংঘটিত হোৱা ভয়ংকৰ পথ দুৰ্ঘটনাত প্ৰাণ হেৰুওৱা ১২ জন লোকৰ স্মৃতি যুগমীয়া কৰাৰ উদ্দেশ্যে দেৰগাঁৱৰ বিশিষ্ট সমাজকৰ্মী বিবেক বৰাই নিজাকৈ প্ৰায় ৩ লাখ টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা স্মৃতিসৌধৰ আজি মুকলি কৰা হয়। সেই উদ্দেশ্যে আজি বছা ভৰলুৱা পথাৰত অৱস্থিত সমাধিস্থলীত বছা ভৰলুৱা গাঁৱৰ ৰাইজ, মৃতকৰ পৰিয়াল আৰু বিবেক বৰাৰ শুভাকাংক্ষীৰ উপস্থিতিত সমাধিস্থলীত ধৰ্মীয় নীতি-নিয়মেৰে স্মৃতিসৌধৰ মুকলি অনুষ্ঠান সমাপন হয়। অনুষ্ঠানটোত গাঁওখনৰ ৰাইজ, মৃতকৰ পৰিয়াল আৰু দেৰগাঁও গোলাঘাটৰ সংবাদ মাধ্যমৰ ব্যক্তি সকল উপস্থিত থাকে। বিবেক বৰাৰ এনে পদক্ষেপক সকলোৰে প্ৰশংসা কৰাৰ লগতে গাঁৱৰ ৰাইজ আৰু মৃতকৰ পৰিয়ালৰ প্ৰতিজন সদস্যই ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে।

## দুধনৈ সমষ্টিৰ ২৮ হেজাৰ ৯৩ গৰাকী হিতাধিকাৰীৰ প্ৰত্যেককে ১০ হেজাৰ টকাৰ চেক বিতৰণ

# দুধনৈ মহাবিদ্যালয় খেলপথাৰত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ বিশাল জনসভা

### মহিলা উদ্যমিতা আঁচনিৰ হিতাধিকাৰীক চেক প্ৰদান



**ষ্টাফ ৰিপৰ্টাৰ, দুধনৈ, ৩ জানুৱাৰী ঃ** আজি দুধনৈ মহাবিদ্যালয় খেলপথাৰত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ এক বিশাল সভা অনুষ্ঠিত হয়। দুধনৈ মহাবিদ্যালয় খেলপথাৰত অনুষ্ঠিত হোৱা মৰ্যাদাপূৰ্ণ অনুষ্ঠানত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত এক বৃহৎ চেক বিতৰণ কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। মুখ্যমন্ত্ৰী গৰাকীয়ে মুখ্য অতিথি হিচাপে অনুষ্ঠানটোত উপস্থিত থাকি ১৫ নং দুধনৈ(জনজাতি) বিধানসভা সমষ্টিৰ অন্তৰ্গত মহিলা আত্ম সহায়ক গোটৰ যোগ্য মহিলা হিতাধিকাৰীসকলক নিজহাতে চেক বিতৰণ কৰে। এই আঁচনিৰ জৰিয়তে যোগ্য প্ৰতিজন মহিলা সদস্যাক ১০, ০০০ টকাৰ বীজ পুঁজি সহায় হিচাবে প্ৰদান কৰি সৰু-সুৰা ব্যৱসায়, কৃষি, পশুপালন, হস্তশিল্প আৰু অন্যান্য উপাৰ্জনমূলক উদ্যোগ আৰম্ভ কৰিবলৈ উৎসাহিত কৰা হয়। এই আঁচনিখনে মহিলা সকলৰ আৰ্থিক বিকাশৰ জৰিয়তে আত্মনিৰ্ভৰ অসম গঢ়াৰ পৰিকল্পনা বাস্তৱত ৰূপায়ণ হব। আজিৰ অনুষ্ঠানত গোৱালপাৰা জিলাত জিলা পৰ্যায়ৰ মনিটৰিং কমিটিৰ অনুমোদনৰ অধীনত ২৮, ০৯৩ গৰাকী হিতাধিকাৰী অন্তৰ্ভুক্ত কৰা হ'ব, যাৰ ভিতৰত ২৭, ৯৪৭জন সক্ৰিয় আত্মসহায়ক গোটৰ সদস্যাক ২৭, ৯৪, ৭০, ০০০ (সাতাইশ কোটি চৌৰানব্বৈ লাখ সত্তৰ হাজাৰ টকা) প্ৰদান কৰা হ'ব আৰু ১৪৬গৰাকী সক্ৰিয় কেডাৰক ২১, ৯০, ০০০ (একৈশ লাখ নব্বৈ হাজাৰ টকা) প্ৰদান কৰা হ'ব। মুঠ বিতৰণৰ পৰিমাণ ২৮, ১৬, ৬০, ০০০ (আঠাইশ কোটি যোল্ল লাখ ষাঠি হাজাৰ টকা মাত্ৰ)। এই সহায়ৰ দ্বাৰা অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ অধীনস্থ ১৫নং দুধনৈ বিধানসভা সমষ্টিৰ ২, ৬৯৫টা আত্ম সহায়ক গোট আৰু ১৭৭টা গ্ৰাম্য সংগঠন উপকৃত হ'ব, যাৰ ফলত দুধনৈ আৰু ৰংজুলি ব্লকসমূহত জীৱিকাৰ ক্ষেত্ৰত উল্লেখযোগ্য উন্নতি সাধিত হ'ব। উল্লেখ্য যে মুখ্যমন্ত্ৰী গৰাকেয়ে মুখ্য অতিথিৰ ভাষণত ৰাইজক উদ্দেশ্যি কয় যে- নিৰ্বাচন সমাগত শাসনাধিষ্ঠ চৰকাৰখনে সকলো শ্ৰেণীৰ সহায় হোৱাকৈ বিভিন্ন জনকল্যাণ আঁচনি গ্ৰহণ কৰিছে। যাৰ সহায়ত ৰাজ্যৰ সাধাৰণ শ্ৰেণী উপকৃত হৈছে। সেয়েহে আগন্তুক নিৰ্বাচনত বিজেপিৰ সপক্ষে ভোট প্ৰদান কৰিলে চেনি, নিমখ, দাইল বিনা পইচাত উপলব্ধ হব। মুখ্যমন্ত্ৰী গৰাকীয়ে পুনৰ কয় যে কংগ্ৰেছে লুঙি, ধূতি, সূতা কম্বল বিতৰণ কৰিছিল তাৰ বিপৰীতে আমি মহিলা সকলক লাখপতি বনাইছো, অৰুণোদয় দিছোঁ। ছাত্ৰ-ছাত্ৰী সকলক সহায়ৰ হাত আগবঢ়াইছো। কথা দিয়া মতে যোগ্য জনক চাকৰি দিছো। আনহাতে ফেব্ৰুৱাৰী মাহৰ পৰা অৰুণোদয় হিতাধিকাৰীয়ে ৮ হেজাৰকৈ টকা লাভ কৰিব। অৰুণোদয় নোপোৱা সকলোকো অৰুণোদয় পোৱাৰ ব্যৱস্থা কৰা হ্ব। মহিলা উদ্যমিতা আঁচনিৰ হিতাধিকাৰী সকলে পাব আৰু দুটা কিস্তি। মুখ্যমন্ত্ৰী গৰাকীয়ে তেওঁৰ ভাষণত উল্লেখ কৰে যে তিনিটাতকৈ অধিক সন্তান জন্ম দিয়াৰ পিছত একাংশই ইয়াক আল্লাৰ দান বুলি কয়। কিন্তু সন্তান জন্ম দিয়াটো কেবল স্বামী-স্ত্ৰীৰ আলোচনাৰ মাজেৰেহে হয়, ইয়াত আল্লাক মিছাতে দোষ দিয়ে। আজিৰ অনুষ্ঠানত প্ৰায় ৩৫হেজাৰৰো অধিক লোক উপস্থিত থাকে। আজি অনুষ্ঠিত উক্ত অনুষ্ঠানত গোৱালপাৰা জিলাৰ অভিভাৱক মন্ত্ৰী অশোক সিংহল, ৫নং গুৱাহাটী লোকসভা সমষ্টিৰ সাংসদ বিজুলী কলিতা মেধী, ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভা, গোৱালপাৰা জিলা পৰিষদৰ সভাপতি মহন্ত ৰাভা, অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ পৰিচালন সঞ্চালক কুণ্টলমণি শৰ্মা বৰদলৈ, গোৱালপাৰাৰ জিলা আয়ুক্ত প্ৰদীপ টিমুং, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া মৃগাংক চৌধুৰী, অসম চৰকাৰী বেচা কিনা নিগমৰ অধ্যক্ষ আব্দুৰ ৰহিম জিব্ৰান, অসম শক্তি বিতৰণ নিগম লিমিটেডৰ সঞ্চালক ড° প্ৰকাশ কাশ্যপ, গোৱালপাৰা উন্নয়ন প্ৰাধিকৰণৰ সভাপতি দীপক কুমাৰ নাথ, গোৱালপাৰা জিলা বিজেপিৰ সভাপতি দীপাংক নাথ, ৰাজ্যিক বিজেপিৰ মুখপাত্ৰ ৰূপম গোস্বামী আদিয়ে অংশগ্ৰহণ কৰে। গোৱালপাৰা জিলাৰ দুধনৈ সমজিলাৰ সমজিলা আয়ুক্ত অৰুণ কুমাৰ ব্ৰহ্ম, গোৱালপাৰা পশ্চিম সমজিলাৰ সমজিলা আয়ুক্ত নৱজিৎ পাঠক, অতিৰিক্ত জিলা আয়ুক্ত জগদীশ ব্ৰহ্মকে আদি কৰি গোৱালপাৰা জিলা প্ৰশাসনৰ অন্যান্য বিষয়াসকলে অনুষ্ঠানটোত সক্ৰিয়ভাৱে উপস্থিত থাকে।

# ডুমডুমা থানাৰ নতুন প্ৰভাৰী হিচাপে পৰিদৰ্শক অভিজিৎ বৰুৱাৰ যোগদান



**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ৩ জানুৱাৰী ঃ** ডুমডুমা থানাৰ ভাৰপ্ৰাপ্ত বিষয়া হিচাপে নতুনকৈ যোগদান কৰিছে অসম আৰক্ষীৰ পৰিদৰ্শক অভিজিৎ বৰুৱাই। ২০২৬ বৰ্ষৰ প্ৰথমটো দিনত ডুমডুমা থানাত যোগদান কৰা বৰুৱাই ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰীৰ তদাৰকী কোষত কৰ্মৰত হৈ আছিল। পৰিদৰ্শক অভিজিৎ বৰুৱা পৰিদৰ্শক প্ৰাঞ্জল চেতিয়াৰ স্থলাভিষিক্ত হ'ব। চেতিয়াক ডিগবৈ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া হিচাপে বদলি কৰা হৈছে। আনহাতে, শুকুৰবাৰে সন্ধিয়া ডুমডুমা থানাৰ নাগৰিক সমিতিৰ এটি সঁজাতি দলে নতুন ভাৰপ্ৰাপ্ত বিষয়া অভিজিৎ বৰুৱাক সাক্ষাৎ কৰি ডুমডুমালৈ আদৰণি জনায়। নাগৰিক সমিতিৰ সভাপতি বিনোদ তাঁতীৰ নেতৃত্বত যোৱা দলটিত আছিল সমিতিৰ সদস্য ক্ৰমে ৰাজ কুমাৰ গাৰোদিয়া, দিলীপ প্ৰসাদ আৰু অভিজিৎ খাটনিয়াৰ। তেখেতসকলৰ উপস্থিতিতে নতুন ভাৰপ্ৰাপ্ত বিষয়াগৰাকীয়ে ডুমডুমা থানাৰ নাগৰিক সমিতিৰ পদেন সম্পাদকৰ দায়িত্বভাৰো চমজি লয়। পাছত পৰিদৰ্শক অভিজিৎ বৰুৱাই নাগৰিক সমিতিৰ দলটিৰ সৈতে বিভিন্ন বিষয়ত মত বিনিময় কৰে।

# ৰূপহীহাটৰ নগাঁও-নলতলি ৰাজ্যিক ঘাইপথৰ ঔঅনাত লাখ-লাখ পৰিভ্ৰমী চৰাইৰ জলকেলিৰ সৌন্দৰ্য উপভোগ পথচাৰীৰ



**অসম বাৰ্তা, ৰূপহীহাট, ৩ জানুৱাৰী ঃ** বছৰৰ আৰম্ভণিতে প্ৰকৃতিপ্ৰেমী ৰাইজৰ বাবে আছে এটা ভাল খবৰ। আপুনি পৰিভ্ৰমী চৰাই চাই ভাল পায় নেকি। তেতিয়া হ'লে আৰু এতিয়া যাব নালাগে বেলেগ ঠাইত। এতিয়াৰ পৰা আপুনি ৰূপহীহাটৰ নগাঁও-নলতলি ৰাজ্যিক ঘাইপথৰ ঔঅনাস্থিত জলাশয় সমূহত চাব পাৰিব বিভিন্ন পৰিভ্ৰমী চৰাই। লাখ-লাখ চৰাইৰ জলকেলিত আপোনাৰ মন উৎফুল্ল হৈপৰিব। বহু দূৰ দূৰণিৰ পৰা শীতৰ আগমনৰ লগে লগে বিভিন্ন প্ৰজাতিৰ চৰাই ঔঅনাৰ জলাশয় সমূহত জলকেলিত সাতুৰি-নাদুৰি চৌপাশ মুখৰিত কৰি তুলিছে। নগাঁও-নলতলি ৰাজ্যিক ঘাইপথত পথচাৰী সকলে পৰিভ্ৰমী চৰাইৰ জলকেলিৰ মনোমোহা সৌন্দৰ্য পথৰ কাষৰ পৰা উপভোগ কৰিছে। পথচাৰী সকলে নিজৰ মবাইলত বন্ধী কৰিছে পৰিভ্ৰমী চৰাইৰ জলকেলিৰ মনোমোহা দৃশ্য। প্ৰকৃতিপ্ৰেমী ৰাইজে বন বিভাগক এই ঠাইখিনিৰ ওপৰত নজৰ ৰাখিবলৈ আহ্বান জনাইছে।

## "ভক্তি-অঞ্জলি" স্মৃতিগ্ৰন্থ উন্মোচন জিলা আয়ুক্ত যতীন বৰাই

# কোকৰাঝাৰ-চিৰাং জিলাৰ ৰূপালী জয়ন্তীৰ বাৰ্ষিক অধিৱেশন আৰম্ভণি



**অসম বাৰ্তা, বাসুগাঁও, ৩ জানুৱাৰী ঃ** বাসুগাঁওস্থিত শংকৰী সংস্কৃতি বিকাস কেন্দ্ৰ, মণিকাঞ্চন সমন্বয় ক্ষেত্ৰত শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ কোকৰাঝাৰ-চিৰাং জিলা শাখাৰ ৰূপালী জয়ন্তী বৰ্ষৰ বাৰ্ষিক অধিৱেশনভাগি আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হয়। আজি প্ৰথম দিনৰ ৰূপালী জয়ন্তী উৎসৱৰ স্মৃতি যুগমীয়া কৰি ৰখাৰ উদ্দেশ্যে প্ৰকাশ কৰি উলিওৱা "ভক্তি অঞ্জলি" নামৰ স্মৃতিগ্ৰন্থ খনি উন্মোচন কৰে চিৰাং জিলা আয়ুক্ত যতীন বৰাই। তেওঁ উন্মোচন কৰি কয় যে শ্ৰীমন্ত শংকৰদেৱক বাদ দি অসমীয়া জাতি মহাশূন্য। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ আধ্যাত্মিক চিন্তা-চেতনাৰেৰে অসম গঢ়িব লাগিব। এইবুলি মন্তব্য প্ৰকাশ কৰে উন্মোচক চিৰাং জিলা আয়ুক্ত গৰাকীয়ে। ইয়াৰ প্ৰাকমুহূৰ্তত আদৰণি ভাষণ দাঙি ধৰে ধুবুৰী জিলা শৰণ সদস্য হেমন্ত ভকত বাপে। তেওঁ মহাপুৰুষ শ্ৰীমন্তশংকৰদেৱে অসমীয়া জাতিটোক কি দিয়া নাইবুলি উল্লেখ কৰি অসমীয়া, বাংলা, হিন্দী, উৰিয়া ইত্যাদি ভাষাৰ সংমিশ্ৰণত এক নতুন ভাষাৰ সৃষ্টি কৰি জাতিটোক আগুৱাই লৈ যোৱাৰ বাবে সকলো প্ৰচেষ্টা অব্যাহত ৰাখিছিল বুলি সভা উদ্বোধন কৰা হেমন্ত ভকতবাপে বক্তব্যত দাঙি ধৰে। "ব্যক্তিৰ আধ্যাত্মিক আৰু সামাজিক উত্তৰণত মহাপুৰুষীয়া পৰম্পৰাৰ প্ৰাসংগিকতা" শীৰ্ষক বিষয়-বস্তুৰ ওপৰত তত্ত্বগধুৰ বক্তব্য দাঙি ধৰে মুখ্য আলোচক বিশ্বনাথ চাৰিআলি ৰণ্টু শইকীয়াই। তেওঁ অসমীয়া ভাষা-সাহিত্য-সংস্কৃতি, ধৰ্মীয়-আধ্যাত্মিক দিশত পথ প্ৰদৰ্শক শ্ৰীমন্ত শংকৰদেৱৰ নীতি-আৰ্দশৰ ওপৰত সাৱলীল বক্তব্য দাঙি ধৰে। আজিৰ পৰা পাঁচশ বছৰ আগতে একশৰণ নামধৰ্ম প্ৰচাৰ কৰি বহুতো দিলে অসমীয়া জাতিটোক মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে। শ্ৰীমন্ত শঙ্কৰদেৱৰ আধ্যাত্মিক আদৰ্শ মানি চলা হেতেন আজি সমাজখন বিপথে পৰিচালিত নহ'ল হেতেন। আজিৰ দিনত ছোৱালীৰো নিচামুক্তি কেন্দ্ৰ আছে ঠায়ে ঠায়ে। কিমান ভয়ংকৰ দিন। এইবুলি উদ্বেগ প্ৰকাশ কৰি গুৰুগম্ভীৰ বক্তব্য দাঙি ধৰি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ নীতি আৰ্দশৰে পৰিচালিত হৈ সুস্থ সবল সমাজ গঢ়িবলৈ আহ্বান জনাই বক্তব্য দাঙি ধৰে মুখ্য আলোচক গৰাকী। অনুষ্ঠানটিত বি টি চিৰ পাৰিষদ শুকুৰসিং মুছাহাৰী, কোঁচ ৰাজবংশী সাহিত্য সভাৰ সভাপতি তথা গৱেষক পণ্ডিত ড° দ্বিজেন্দ্ৰ নাথ ভকত, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰচাৰ শাখাৰ সদস্য মধূসুদন কলিতা, আক্ৰাছুৰ সভাপতি মনোজ কুমাৰ ৰায়, সম্পাদক বলোৰাম বৰ্মন, সদৌ সূত্ৰধৰ ছাত্ৰ সন্থাৰ সভাপতি লক্ষ্মীকান্ত সূত্ৰধৰ, আবছুৰ সম্পাদক খনি বসুমতাৰী, চিৰং জিলা আছুৰ সভাপতি নৱকান্ত বৰ্মন, সদৌ সূত্ৰধৰ যুৱ ছাত্ৰ সন্থাৰ উপদেষ্টা তথা শিক্ষক তথা প্ৰাণ সূত্ৰধৰ, সদৌ বি টি আৰ বাঙালী যুৱ ছাত্ৰ ফেডাৰেচনৰ সম্পাদক শুভ মজুমদাৰ ইত্যাদি অতিথি সকল। উল্লেখযোগ্য যে অনুষ্ঠানটিত কোকৰাঝাৰ-চিৰাং জিলাখন ২৫ বছৰ আগতে যিসকলে যথেষ্টখিনি ত্যাগ চিকাৰ কৰি ইতিমধ্যে বৈকুণ্ঠগামী হৈছে তেখেত সকলৰ পৰিয়ালবৰ্গক বিশেষ সম্বৰ্ধনা জনায়। আজিৰ দৰে কাইলৈও দিনযোৱা বাৰেৰহণীয়া কাৰ্যসুচীত সকলোৰে উপস্থিতি কামনা কৰিছে আদৰণী সমিতিৰ কাৰ্যকৰী সভাপতি শম্ভু ৰাজবংশী আৰু সাধাৰণ সম্পাদক তপন কুমাৰ ৰায়ে।

# চামগুৰিত গৰু চিণ্ডিকেট সন্দৰ্ভত কৃষক শ্ৰমিক উন্নয়ন সংগ্ৰাম সমিতিৰ সংবাদমেল



**অসম বাৰ্তা, পুৰণিগুদাম, ৩ জানুৱাৰী ঃ** মধ্য অসমৰ নগাঁও জিলাত চোৰাং গৰু সৰবৰাহৰ ছিণ্ডিকেট চক্ৰ সক্ৰিয় হৈ থকাৰ পাছতো আৰক্ষী প্ৰশাসনে নীৰৱ ভূমিকা পালন কৰি অহা বুলি আজি কৃষক শ্ৰমিক উন্নয়ন সংগ্ৰাম সমিতি, অসম নামৰ সংগঠনটোৱে এক সংবাদমেলৰ জৰিয়তে অভিযোগ উত্থাপন কৰিছে। সংগঠনটোৰ ৰাজ্যিক সভাপতি প্ৰদীপ কলিতাই সংবাদমেল সম্বোধন কৰি কয় যে, নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানা আৰু খাটোৱাল আৰক্ষী থানাৰ অন্তৰ্গত সংখ্যালঘু অধ্যুষিত মোৱামাৰী, বৰমা, চায়ু তিনিআলি, পেনাই, শিৱস্থান আদি অঞ্চলসমূহ গৰু চোৰ আৰু চোৰাং গৰু সৰবৰাহৰ প্ৰধান ঘাটিত পৰিণত হোৱাৰ পাছতো আৰক্ষীয়ে কোনো ধৰণৰ পদক্ষেপ গ্ৰহণ কৰা নাইবুলি অভিযোগ কৰে। চোৰাং গৰু সৰবৰাহৰ ক্ষেত্ৰত আৰক্ষীৰ ব্যৰ্থতা উদঙাই সভাপতিগৰাকীয়ে কয় যে, গৰু চোৰ বিলাকৰ সৈতে চামগুৰিৰ গৰু সৰবৰাহ চক্ৰটোৰ এক নিবিড় সম্পৰ্ক আছে। যিবোৰ চোৰে অসমীয়া গাঁও সমূহৰ পৰা প্ৰায় প্ৰতিদিনে কৃষিজীৱী ৰাইজৰ গৰুবোৰ চোৰ কৰি গোহালি উদং কৰি আহিছে। সভাপতিগৰাকীয়ে অভিযোগ উত্থাপন কৰি কয় যে, গৰু চিণ্ডিকেট চক্ৰটোৰ লগত জনৈক ডেকা আৰু জনৈক গগৈ, আদিৰ দৰে পাচিং মাফিয়া সকল জড়িত আছে আৰু এই সকলৰ বিৰুদ্ধে আৰক্ষীয়ে আজি পৰ্যন্ত কোনো ধৰণৰ তদন্তৰ ব্যৱস্থা গ্ৰহণ কৰা নাইবুলি অভিযোগ উঠিছে। এনে কাৰ্যত এক প্ৰকাৰে সন্দেহ ঘণীভূত হোৱাৰ লগতে আৰক্ষীয়ে বিহিত ব্যৱস্থা কেতিয়ালৈ কৰিব বুলিও সংবাদমেলখনত প্ৰশ্ন উত্থাপন কৰিছে। আজি চামগুৰিত আয়োজিত সংবাদমেলত কৃষক শ্ৰমিক সংগ্ৰাম সমিতি, অসমৰ সভাপতি প্ৰদীপ কলিতাই ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে চামগুৰি আৰু খাটোৱাল থানাৰ অন্তৰ্গত একাংশ সংখ্যালঘু অধ্যুষিত অঞ্চলত চলি থকা গৰু ছিণ্ডিকেটৰ ওপৰত সৰৱ হৈ পৰে লগতে চামগুৰি আৰু খাটোৱাল থানাৰ আৰক্ষীৰ দীৰ্ঘদিনীয়া ভূমিকাত অসন্তুষ্টি প্ৰকাশ কৰে। কৃষক শ্ৰমিক সংগ্ৰাম সমিতি, অসমৰ তৰফৰ পৰা চোৰাং গৰু চিণ্ডিকেট সন্দৰ্ভত অসম আৰক্ষীৰ সঞ্চালক প্ৰধানলৈ আৰু অসম আৰক্ষীৰ অপৰাধ শাখাত পৃথকে-পৃথকে দুখনকৈ এজাহাৰ দাখিল কৰা হৈছেবুলি সভাপতি প্ৰদীপ কলিতাই সংবাদমেলত অৱগত কৰে। উক্ত এজাহাৰত গৰু সৰবৰাহকাৰী আৰু পাচিং মাফিয়াৰ সম্পূৰ্ণ তথ্য উল্লেখ কৰাৰ পাছতো আৰক্ষীয়ে নীৰৱতা অৱলম্বন কৰাত অধিক ৰহস্যৰ সৃষ্টি হৈছে বুলি উল্লেখ কৰে।

## দেশজুৰি কংগ্ৰেছে ঘোষণা

দেশজুৰি তিনি পৰ্যায়ৰ ব্যাপক আন্দোলনৰ ঘোষণা কৰিছে। "এমজিএনৰেগা বাচাও সংগ্ৰাম" নামৰ এই অভিযান ৮ জানুৱাৰীৰ পৰা আৰম্ভ হৈ প্ৰায় ৪৫ দিন ধৰি চলিব আৰু ইয়াৰ মূল উদ্দেশ্য হৈছে নতুন আইনখন প্ৰত্যাহাৰ কৰি এমজিএনৰেগাক মূল ৰূপত পুনৰুদ্ধাৰ কৰা। শনিবাৰে নতুন দিল্লীত কংগ্ৰেছৰ মুখ্য কাৰ্যালয়ত অনুষ্ঠিত এক সংবাদমেলত দলৰ সাধাৰণ সম্পাদক কে চি বেণুগোপাল আৰু জয়ৰাম ৰমেশে এই কাৰ্যসূচীৰ বিশদ বিৱৰণ প্ৰকাশ কৰে। বেণুগোপালে কয় যে, নতুন আইনখনে এমজিএনৰেগাৰ মৌলিক চৰিত্ৰ ধ্বংস কৰিছে - কামক অধিকাৰৰ পৰা চৰকাৰী অনুগ্ৰহলৈ পৰিণত কৰিছে, পঞ্চায়তৰ ক্ষমতা কাঢ়ি লৈছে আৰু বাজেটৰ সীমাৰে দাবীভিত্তিক নিয়োগক বাধা দিছে। "এই আইন প্ৰত্যাহাৰ নকৰিলে গ্ৰাম্য দৰিদ্ৰ, মহিলা শ্ৰমিক, দলিত আৰু আদিবাসীসকলৰ ওপৰত গুৰুতৰ প্ৰভাৱ পৰিব, "বুলি তেওঁ সতৰ্ক কৰে। প্ৰথম পৰ্যায় (৮ জানুৱাৰীৰ পৰা)ত ৰাজ্য কংগ্ৰেছ কমিটীৰ কাৰ্যালয়ত সম্পাদক আৰু প্ৰভাৰীসকলৰ উপস্থিতিত দিনজোৰা প্ৰস্তুতিমূলক বৈঠক অনুষ্ঠিত হ'ব। ১০ জানুৱাৰীত জিলা কংগ্ৰেছ কমিটীৰ কাৰ্যালয়ত জিলা পৰ্যায়ৰ সংবাদমেলৰ আয়োজন কৰা হ'ব। তাৰ পিছদিনা ১১ জানুৱাৰীত জিলা সদৰত মহাত্মা গান্ধী আৰু বি আৰ আম্বেদকাৰৰ প্ৰতিমূৰ্তিৰ সন্মুখত এদিনীয়া অনশন কাৰ্যসূচী পালন কৰা হ'ব। দ্বিতীয় পৰ্যায় (১২ জানুৱাৰীৰ পৰা ৩০ জানুৱাৰীলৈ)ত এই সময়ছোৱাত দেশৰ সকলো গ্ৰাম পঞ্চায়তত পঞ্চায়ত পৰ্যায়ৰ চৌপাল আৰু প্ৰচাৰ অভিযান চলোৱা হ'ব। কংগ্ৰেছ সভাপতি মল্লিকাৰ্জুন খৰ্গেৰ পৰা এখন পত্ৰ প্ৰেৰণ কৰি এমজিএনৰেগা শ্ৰমিকসকলক সংগঠিত কৰা হ'ব। বিধানসভা পৰ্যায়ত নুক্কড় সভা আৰু প্ৰচাৰপত্ৰ বিতৰণৰ কাৰ্যসূচীও অন্তৰ্ভুক্ত। ৩০ জানুৱাৰীত শ্বহীদ দিৱসত ৱাৰ্ড পৰ্যায়ত এমজিএনৰেগা শ্ৰমিকসকলৰ সৈতে শান্তিপূৰ্ণ ধৰ্ণা অনুষ্ঠিত হ'ব। তৃতীয় পৰ্যায় (৩১ জানুৱাৰীৰ পৰা ২৫ ফেব্ৰুৱাৰীলৈ)ত ৩১ জানুৱাৰীৰ পৰা ৬ ফেব্ৰুৱাৰীলৈ জিলা আয়ুক্ত বা ডিএমৰ কাৰ্যালয়ৰ সন্মুখত জিলা পৰ্যায়ৰ "এমজিএনৰেগা বাচাও" ধৰ্ণা চলিব। ৭ ফেব্ৰুৱাৰীৰ পৰা ১৫ ফেব্ৰুৱাৰীলৈ ৰাজ্যিক পৰ্যায়ত বিধানসভা ঘেৰাও কাৰ্যসূচী অনুষ্ঠিত হ'ব। শেষত ১৬ ফেব্ৰুৱাৰীৰ পৰা ২৫ ফেব্ৰুৱাৰীৰ ভিতৰত সমগ্ৰ দেশতে চাৰিখন খণ্ডত এআইচিচিৰ মহাসমাৱেশ বা ৰেলীৰ আয়োজন কৰা হ'ব। জয়ৰাম ৰমেশে কয় যে, এই আন্দোলন কেৱল কংগ্ৰেছৰ নহয়, ই গ্ৰাম্য শ্ৰমিকৰ অধিকাৰৰ সংগ্ৰাম। "কৃষক আন্দোলন দিল্লীকেন্দ্ৰিক আছিল, কিন্তু এই সংগ্ৰাম পঞ্চায়তৰ পৰা আৰম্ভ হৈ গোটেই দেশত বিয়পিব। আমি বিৰোধী দলসমূহৰ সৈতে আলোচনা কৰিম আৰু সকলোকে এই যুঁজত অন্তৰ্ভুক্ত কৰাৰ চেষ্টা কৰিম, "বুলি তেওঁ ঘোষণা কৰে। কংগ্ৰেছে নতুন আইনখনক আদালতত প্ৰত্যাহ্বান জনোৱাৰ কথাও উল্লেখ কৰিছে। প্ৰণিধানযোগ্য যে, এমজিএনৰেগাই গ্ৰাম্য অৰ্থনীতিৰ মেৰুদণ্ড হিচাপে কাম কৰি আহিছে আৰু কোটি কোটি দৰিদ্ৰ পৰিয়ালক নিয়োগৰ নিশ্চিতা প্ৰদান কৰিছে। কংগ্ৰেছে এই অভিযানৰ জৰিয়তে পঞ্চায়তী ৰাজ ব্যৱস্থাৰ ক্ষমতা আৰু গ্ৰাম্য শ্ৰমিকৰ অধিকাৰ সুৰক্ষিত কৰাৰ দাবী জোৰদাৰ কৰিব বুলি আশা কৰা হৈছে। এই আন্দোলনে ৰাজনৈতিক পৰিৱেশত নতুন উত্তেজনাৰ সৃষ্টি কৰিব বুলি বিশে-ষকসকলে মত প্ৰকাশ কৰিছে।

## ভয়ংকৰ পথ দুৰ্ঘটনাত আহত

সন্মুখত। জানিব পৰা মতে, আশিস বিদ্যাৰ্থী আৰু ৰূপালী বৰুৱা হোটেলত নিশাভোজ সাৰি ৰাস্তা পাৰ হৈ থকাৰ সময়তে দিছপুৰৰ ফালৰ পৰা অহা AS-01 DY 5061 নম্বৰৰ এভেঞ্জাৰ মটৰচাইকেলখনে তীব্ৰগতিত আহি তেওঁলোকক খুন্দা মাৰে। এই দুৰ্ঘটনাত মটৰচাইকেল চালকজনো আহত হয়। ঘটনাৰ খবৰ পোৱাৰ লগে লগে গীতানগৰ আৰক্ষী ঘটনাস্থলীত উপস্থিত হয় আৰু আহত মটৰচাইকেল আৰোহীজনক গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰে। আনহাতে, আশিস বিদ্যাৰ্থী আৰু তেওঁৰ পত্নীক ততালিকে এপ'ল' হাস্পতাললৈ লৈ যোৱা হয়। এপ'ল' হাস্পতালৰ জনসম্পৰ্ক বিষয়াই প্ৰকাশ কৰা অনুসৰি, দুৰ্ঘটনাত আহত হোৱা দুয়োজনে প্ৰাথমিক চিকিৎসা লাভ কৰিছে আৰু বৰ্তমান তেওঁলোকৰ অৱস্থা সুস্থিৰ। আশিস বিদ্যাৰ্থীক প্ৰয়োজনীয় চিকিৎসা প্ৰদান কৰি ডিছচাৰ্জ কৰা হৈছে, কিন্তু তেওঁৰ পত্নী ৰূপালী বৰুৱাক কিছুমান পৰীক্ষাৰ বাবে হাস্পতালত ভৰ্তি কৰি ৰখা হৈছে। বিষয়াজনে লগতে কয় যে, দম্পতীহালৰ অৱস্থা চিন্তাৰ বিষয় নহয় আৰু শীঘ্ৰে সম্পূৰ্ণৰূপে সুস্থ হৈ উঠিব বুলি আশা কৰা হৈছে। উল্লেখ্য যে, আশিস বিদ্যাৰ্থী বলীউডকে ধৰি বিভিন্ন ভাষাৰ চলচ্চিত্ৰত অভিনয় কৰি জাতীয় বঁটা লাভ কৰা এগৰাকী খ্যাতনামা অভিনেতা। তেওঁৰ পত্নী ৰূপালী বৰুৱা অসমৰ গুৱাহাটীৰ বাসিন্দা আৰু ফেশ্বন উদ্যোগী। এই দুৰ্ঘটনাৰ খবৰে তেওঁলোকৰ অনুৰাগীসকলৰ মাজত চিন্তাৰ সৃষ্টি কৰিছে, কিন্তু দুয়োৰে সুস্থতাৰ খবৰে সকাহ লাভ কৰিছে। আৰক্ষীয়ে ঘটনাৰ তদন্ত অব্যাহত ৰাখিছে আৰু তীব্ৰগতিৰ বাবে দুৰ্ঘটনা সংঘটিত হোৱা বুলি প্ৰাথমিক অনুমান কৰিছে।

## সত্ৰ ন্যায়াধীশৰ আদালতত

আৱেগিক কৰি তুলিছে। আদালতে গোচৰটোৰ পৰৱৰ্তী শুনানিৰ তাৰিখ ১৭ জানুৱাৰীত ধাৰ্য কৰিছে। শুনানিৰ অন্তত গৰিমা গাৰ্গে সাংবাদিকৰ আগত কেইবাটাও গুৰুত্বপূৰ্ণ মন্তব্য প্ৰকাশ কৰিছে। তেওঁ কয়, "আজিৰ শুনানিত অভিযুক্তসকলৰ ওপৰত চাৰ্জফ্ৰেম হ'ব বুলি আমি আশা কৰিছিলো, কিন্তু সেয়া হোৱা নাই। অধিবক্তা আনন কুমাৰ ভূঞাই অমৃতপ্ৰভা মহন্তৰ হৈ জামিনৰ আবেদন দাখিল কৰিছে। লগতে জানিব পাৰিছো যে, সিদ্ধাৰ্থ শৰ্মাইও শক্তিশালী অধিবক্তা নিয়োগ কৰিছে।" গৰিমাই লগতে চৰকাৰক পুনৰ অনুৰোধ জনাই কয়, "আমাৰ আইনী যুঁজখন অধিক সবল কৰিবলৈ এটা শক্তিশালী আইনী টীমৰ প্ৰয়োজন। আমি চৰকাৰৰ পৰা এই সহায়ৰ আশা কৰিছো। বাকী সাতগৰাকী অভিযুক্তৰ মুখত কোনো ধৰণৰ অনুশোচনা বা পশ্চাত্তাপ দেখা পোৱা নাই, যিটো অতি দুখৰ কথা।" জুবিন গাৰ্গক লৈ আৱেগিক হৈ পৰি গৰিমাই কয়, "জুবিন গাৰ্গ কেৱল মোৰ স্বামী নাছিল, তেওঁ আপোনালোক সকলোৰে আছিল। তেওঁ অসমৰ প্ৰতিগৰাকী লোকৰ হৃদয়ত বাস কৰিছিল, এটা আৱেগ আছিল, প্ৰাণৰ মানুহ আছিল। জুবিনৰ অনুপস্থিতি কেতিয়াও সাধাৰণ ঘটনা নহয়। যিসকলে এই অসুৰকাৰ্য কৰিছে, তেওঁলোকক শাস্তি দিয়াৰ পৰা কোনেও ৰক্ষা কৰিব নোৱাৰে। অসুৰবধ হ'বই লাগিব আৰু ন্যায় নিশ্চিতভাৱে প্ৰতিষ্ঠা হ'ব।"

## বিজেপিয়ে স্বাধীনভাৱে কাম কৰে, আৰএছএছে

বা অন্যান্য সংযুক্ত গোটক চাই আৰএছএছক বিচাৰ নকৰিবলৈ তেওঁ কয়। ভাগৱতে কয় যে আৰ এছ এছৰ লক্ষ্য সমাজক একত্ৰিত কৰি ভাৰতক শক্তিশালী কৰি তোলা। আৰ এছ এছৰ বিষয়ে এটা ভুৱা আখ্যান আছে, মানুহে ইয়াৰ নিৰ্ভৰযোগ্য উৎস পৰীক্ষা কৰিব লাগে। তেওঁ লগতে কয় যে আৰ এছ এছে মূল্যবোধ আৰু লক্ষ্য শিকায়, কিন্তু ইয়াৰ সদস্যসকলক নিয়ন্ত্ৰণ নকৰে। ভাৰতত বহুবাৰ আক্ৰমণ হৈছে; আমি বুজিব লাগিব আৰু একত্ৰিত হ'ব লাগিব। আমি আমাৰ সংস্কৃতি আৰু পৰম্পৰাক লৈ গৌৰৱ কৰা উচিত। ভাগৱতে আত্মনিৰ্ভৰশীল হোৱা (আত্মনিৰ্ভৰ) আৰু স্থানীয় সামগ্ৰী সমৰ্থন কৰাত গুৰুত্ব আৰোপ কৰে। আৰ এছ এছৰ বিত্তীয় অৱস্থা সুস্থিৰ; ই বাহিৰৰ ধনৰ ওপৰত নিৰ্ভৰশীল নহয়। সংগঠনটোৱে আগতেও প্ৰত্যাহ্বানৰ সন্মুখীন হৈছিল যদিও এতিয়া ই যথেষ্ট শক্তিশালী। ভাগৱতে কয় যে ভুল ধাৰণাৰ বাবে মানুহে আৰ এছ এছক প্ৰায়ে ভুল বুজে। তেওঁ মানুহক RSS শাখা এটাত গৈ ভালদৰে বুজিবলৈ আমন্ত্ৰণ জনায়। সামৰণিত ভাগৱতে ৰাইজক আহবান জনাই যে তেওঁলোকে নিজেই আৰ এছ এছৰ অভিজ্ঞতা লাভ কৰক। "আহা নিজে চাব" আৰএছএছক মিঠাইৰ সোৱাদ লোৱাৰ দৰে তাৰ মিঠা বুলি ক'লে।

## আইপিএলৰ পৰা মুকলি কৰা

পটভূমিত ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডে (বিচিচিআই) কঠোৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। বিচিচিআয়ে কলকাতা নাইট ৰাইডাৰ্ছ (কেকেআৰ) ফ্ৰেঞ্চাইজিক নিৰ্দেশ দিছে যে, বাংলাদেশী বেগী বলাৰ মুস্তাফিজুৰ ৰহমানক আইপিএল ২০২৬ৰ দলৰ পৰা মুকলি কৰি দিব লাগিব। এই সিদ্ধান্তৰ ফলত আইপিএলত বাংলাদেশী খেলুৱৈৰ অংশগ্ৰহণৰ ক্ষেত্ৰত নতুন বিতৰ্কৰ সৃষ্টি হৈছে। বিচিচিআইৰ সচিব দেৱজিৎ শইকীয়াই সংবাদ মাধ্যমক জনোৱা অনুসৰি, "শেহতীয়া পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি বিচিচিআয়ে কেকেআৰক তেওঁলোকৰ দলৰ পৰা বাংলাদেশী খেলুৱৈ মুস্তাফিজুৰ ৰহমানক মুকলি কৰি দিবলৈ নিৰ্দেশ দিছে। যদি কেকেআৰে তেওঁৰ সলনি আন এজন খেলুৱৈ বিচাৰে, তেন্তে বিচিচিআয়ে অনুমতি প্ৰদান কৰিব।" এই নিৰ্দেশৰ পিছতে কেকেআৰে আনুষ্ঠানিকভাৱে মুস্তাফিজুৰক দলৰ পৰা বাদ দিয়াৰ কথা ঘোষণা কৰিছে। উল্লেখ্য যে, বিগত ডিচেম্বৰ মাহত অনুষ্ঠিত আইপিএল ২০২৬ৰ মিনি নিলামত কেকেআৰে মুস্তাফিজুৰ ৰহমানক ৯.২০ কোটি টকাত ক্ৰয় কৰিছিল। চেন্নাই ছুপাৰ কিংছ আৰু দিল্লী কেপিটেলছৰ সৈতে তীব্ৰ প্ৰতিযোগিতাৰ অন্তত কেকেআৰে এই বাংলাদেশী পেচাৰগৰাকীক নিজৰ দলত অন্তৰ্ভুক্ত কৰাত সফল হৈছিল। এই ক্ৰয়ৰ ফলত মুস্তাফিজুৰ আইপিএল ইতিহাসত সৰ্বাধিক দামী বাংলাদেশী খেলুৱৈ হিচাপে নাম লিপিবদ্ধ হৈছিল। কিন্তু নিলামৰ পিছতে বাংলাদেশত হিন্দু সংখ্যালঘুৰ ওপৰত হোৱা হিংসাৰ ঘটনাৰ প্ৰতি লক্ষ্য কৰি একাংশ ৰাজনৈতিক নেতা, ধৰ্মীয় গুৰু আৰু সমাজৰ পৰা তীব্ৰ সমালোচনাৰ সৃষ্টি হৈছিল। কেকেআৰৰ সহ-মালিক বলীউড তাৰকা শ্বাহৰুখ খানকো এই সিদ্ধান্তৰ বাবে টাৰ্গেট কৰা হৈছিল। আইপিএল ২০২৬ৰ মিনি নিলামত মুঠ সাতজন বাংলাদেশী খেলুৱৈৰ নাম অন্তৰ্ভুক্ত হৈছিল— মুস্তাফিজুৰ ৰহমান, ৰিছাদ হোছেইন, টাস্কিন আহমেদ, তানজিম হাছান চাকিব, নাহিদ ৰানা, ৰকিবুল হাছান আৰু মহম্মদ শ্বোৰিফুল ইছলাম। কিন্তু কেৱল মুস্তাফিজুৰহে ফ্ৰেঞ্চাইজিৰ দ্বাৰা ক্ৰয় হৈছিল। মুস্তাফিজুৰে ইতিমধ্যে আইপিএলত ৬০খন মেচত ৬৫টা উইকেট লাভ কৰি নিজৰ ক্ষমতা প্ৰমাণ কৰিছে আৰু বিভিন্ন দলৰ হৈ খেলি অভিজ্ঞতা অৰ্জন কৰিছে। এই সিদ্ধান্তই ক্ৰিকেটৰ লগতে ৰাজনীতি আৰু কূটনৈতিক সম্পৰ্কৰ মাজত এক নতুন মাত্ৰা যোগ কৰিছে। বিচিচিআইৰ এই পদক্ষেপে দেশৰ শেহতীয়া পৰিস্থিতিৰ প্ৰতি সংবেদনশীলতা প্ৰকাশ কৰিছে বুলি একাংশই মত পোষণ কৰিছে, আনহাতে ক্ৰীড়া আৰু ৰাজনীতিক পৃথক ৰখাৰ পোষকতা কৰা লোকে এই সিদ্ধান্তৰ সমালোচনা কৰিছে। কেকেআৰে এতিয়া মুস্তাফিজুৰৰ সলনি আন এজন বিদেশী খেলুৱৈৰ সন্ধান কৰিব লাগিব, যাৰ বাবে বিচিচিআয়ে সহায় কৰিব বুলি আশ্বাস দিছে। এনে ঘটনাই পুনৰবাৰ ক্ৰীড়া জগতত ৰাজনৈতিক প্ৰভাৱৰ প্ৰশ্ন উত্থাপন কৰিছে আৰু আইপিএলৰ ভৱিষ্যতৰ বাবে নতুন দিশ নিৰ্ধাৰণ কৰিব পাৰে।

## অমৃতপ্ৰভাৰ পিছতেই আন তিনি অভিযুক্তই পালে

কৰিছে। অভিযুক্ত শ্যামকানু মহন্ত, শেখৰ জ্যোতি গোস্বামী আৰু সিদ্ধাৰ্থ শৰ্মাৰ হৈ যুঁজিবলৈ বিশিষ্ট অধিবক্তাসকলে দায়িত্ব গ্ৰহণ কৰাৰ খবৰে গোচৰটোক আৰু অধিক জটিল কৰি তুলিছে। জুবিন গাৰ্গৰ মেনেজাৰ সিদ্ধাৰ্থ শৰ্মাৰ আইনী প্ৰতিনিধিত্ব কৰিব উচ্চতম ন্যায়ালয়ৰ অভিজ্ঞ অধিবক্তা অনিল মিশ্ৰই। ইফালে, উত্তৰ-পূব ভাৰত উৎসৱৰ মুখ্য সংগঠক শ্যামকানু মহন্তৰ হৈ উকালতি কৰিব কলকাতাৰ প্ৰখ্যাত অধিবক্তা ৰাজদ্বীপ বেনাৰ্জীয়ে। আনহাতে, জুবিনৰ দীৰ্ঘদিনীয়া বেণ্ডমেট শেখৰ জ্যোতি গোস্বামীৰ প্ৰতিনিধিত্ব কৰিব অধিবক্তা এছ. কলিতাই। এই তিনিওগৰাকী অধিবক্তাই ইতিমধ্যে আদালতত বিভিন্ন আবেদন দাখিল কৰিছে আৰু অভিযুক্তসকলৰ স্বাৰ্থ ৰক্ষাৰ বাবে সক্ৰিয় হৈ উঠিছে। উল্লেখযোগ্য যে, ৩ জানুৱাৰীত গোচৰটোৰ দ্বিতীয়খন শুনানি অনুষ্ঠিত হৈছে। এই শুনানিৰ পিছতে পৰৱৰ্তী তাৰিখ ১৭ জানুৱাৰীত ধাৰ্য কৰা হৈছে। সেইদিনা শ্যামকানু মহন্ত, সিদ্ধাৰ্থ শৰ্মা আৰু শেখৰ জ্যোতি গোস্বামীৰ জামিন আবেদনৰ শুনানি অনুষ্ঠিত হোৱাৰ সম্ভাৱনা আছে। অধিবক্তাসকলে এই আবেদনসমূহ দাখিল কৰি অভিযুক্তসকলক জামিনত মুকলি কৰাৰ চেষ্টা কৰিব বুলি জানিব পৰা গৈছে। ইপিনে, শ্যামকানু মহন্তৰ অধিবক্তা ৰাজদ্বীপ বেনাৰ্জীয়ে দায়িত্ব গ্ৰহণ কৰাৰ লগে লগে কাম আৰম্ভ কৰিছে। ৩ জানুৱাৰীৰ শুনানিতে তেওঁ এখন বিশেষ আবেদন দাখিল কৰিছে, য'ত শ্যামকানুৰ জব্দ কৰা বেংক একাউণ্টৰ ধন মুকলি কৰি দিয়াৰ দাবী জনোৱা হৈছে। অধিবক্তাগৰাকীয়ে যুক্তি দাঙি ধৰিছে যে, এই ধন মুকলি নকৰিলে অভিযুক্তৰ আইনী প্ৰতিৰক্ষা ব্যাহত হ'ব পাৰে। আনফালে, গোচৰটোত আন এগৰাকী অভিযুক্ত অমৃতপ্ৰভা মহন্তৰ জামিন আবেদনৰ শুনানিও ৩ জানুৱাৰীত অনুষ্ঠিত হৈছে। তেওঁৰ অধিবক্তা আনন কুমাৰ ভূঞাই জামিনৰ বাবে আবেদন দাখিল কৰিছিল যদিও আদালতে সেই আবেদন নাকচ কৰিছে। লগতে, অমৃতপ্ৰভা মহন্তৰ চাৰ্জফ্ৰেমৰ শুনানিও একেদিনাই সম্পন্ন হৈছে। জুবিন গাৰ্গৰ মৃত্যুৰ তদন্ত এতিয়াও এছ আই টিৰ অধীনত চলি আছে আৰু গোচৰটোত হত্যাৰ অভিযোগকে ধৰি একাধিক গুৰুতৰ ধাৰা যোগ কৰা হৈছে। এই ঘটনাই অসমৰ ৰাজনৈতিক আৰু সাংস্কৃতিক মহলত ব্যাপক চৰ্চাৰ সৃষ্টি কৰিছে। আদালতৰ পৰৱৰ্তী শুনানিসমূহে গোচৰটোৰ দিশ নিৰ্ধাৰণ কৰিব বুলি আশা কৰা হৈছে। পৰিয়াল আৰু অনুৰাগীসকলে ন্যায়ৰ দাবীত সোচ্চাৰ হৈ থকাৰ মাজতে এই আইনী প্ৰক্ৰিয়াই অধিক উত্তেজনাৰ সৃষ্টি কৰিছে।

## বিশ্বৰ ৮০০ কোটি লোকে প্ৰকৃতিক ভাল পালে

দ্ৰুতগতিত গলি যোৱাৰ পৰিণতি পৰোক্ষভাৱে উত্তৰ-পূবতো পৰিব বুলি সকীয়াই দি তেওঁ কয় যে, সাগৰপৃষ্ঠৰ উচ্চতা ইতিমধ্যে ৯ ইঞ্চি বাঢ়িছে আৰু এই প্ৰক্ৰিয়া অব্যাহত থাকিলে সাগৰৰ কাষৰীয়া দেশসমূহ ডুব যোৱাৰ লগতে উত্তৰ-পূবাঞ্চলত পানী নাইকিয়া হৈ পৰিব। শনিবাৰে যোৰহাটৰ জয়া ভৱন প্ৰাংগণত অনুষ্ঠিত দুদিনীয়া ফুলৰ উৎসৱত অংশগ্ৰহণ কৰিবলৈ অহাৰ সময়ত সাংবাদিকৰ সৈতে কথা পাতি যাদৱ পায়েংগে কয়, "গছ-গছনি নিৰ্বিচাৰে কটাৰ ফলতে ব্ৰহ্মপুত্ৰৰ জলস্তৰ ক্ৰমাৎ হ্ৰাস পাইছে। বিশ্বৰ বিভিন্ন প্ৰান্তত বৰফ গলি অৰ্ধেক হৈ গৈছে। এইদৰে চলি থাকিলে সাগৰৰ পানী বাঢ়ি উপকূলীয় অঞ্চলসমূহ ডুব যাব আৰু আমাৰ উত্তৰ-পূবাঞ্চলত পানীৰ চৰম অভাৱে দেখা দিব।" ২০২৬ চনৰ পৰিকল্পনা সন্দৰ্ভত সোধা প্ৰশ্নৰ উত্তৰত অৰণ্য মানৱগৰাকীয়ে কয়, "মই গছৰ পুলি ৰোৱা মানুহ। যি দেশে বা ঠায়ে মাতে, সেই ঠাইলৈ যাম আৰু গছ ৰোম। পৃথিৱী এখন আৰু পৰিয়াল এটাই। গছৰ পুলি কেৱল ৰোৱা নহয়, ইয়াক যতন লৈ ডাঙৰ কৰিব লাগে আৰু নতুন প্ৰজন্মক প্ৰকৃতিৰ গুণাগুণৰ বিষয়ে শিকোৱাটো মোৰ দায়িত্ব। বিশ্বৰ ৮০০ কোটি লোকে একো কৰিব নালাগে — কেৱল প্ৰকৃতিক ভালপালে সকলো সমস্যা নাইকিয়া হৈ যাব।" ফুলৰ উৎসৱত অংশগ্ৰহণ কৰি যাদৱ পায়েংগে নৱপ্ৰজন্মক ফুলৰ প্ৰতি আকৰ্ষিত কৰাৰ বাবেও পৰামৰ্শ দিয়ে। তেওঁ কয়, "ফুল ছিঙি আনি সজোৱা নহয়। ফুলৰ পুলি আনি ৰুৱাৰ পদ্ধতি দেখুৱাব লাগে। টাবতো ফুলৰ পুলি ৰুলে ছাত্ৰ-ছাত্ৰীসকলে বুজিব পাৰে। ফুলৰ ডাল কাটি আনি প্ৰদৰ্শন কৰাৰ পৰিৱৰ্তে জীৱন্ত পুলিৰে শিক্ষা দিয়াটোহে উচিত।" যোৰহাট ফ্লাৱাৰ ছ'চাইটিৰ উদ্যোগত আয়োজিত এই দুদিনীয়া উৎসৱৰ মূল উদ্দেশ্য হৈছে ফুলৰ খেতিৰ জৰিয়তে স্বাৱলম্বী হোৱাৰ পথ দেখুৱাই নৱপ্ৰজন্মক ফুলৰ প্ৰতি আগ্ৰহী কৰি তোলা। অৰণ্য মানৱৰ উপস্থিতিয়ে এই উৎসৱক আৰু অধিক তাৎপৰ্যপূৰ্ণ কৰি তুলিছে। প্ৰণিধানযোগ্য যে, যাদৱ পায়েংগে দশকৰ পৰা দশক ধৰি অক্লান্ত পৰিশ্ৰমেৰে যোৰহাটৰ মাজুলীত এখন বিশাল অৰণ্য সৃষ্টি কৰি বিশ্ব দৰবাৰত অসমৰ নাম উজ্জ্বলাই তুলিছে। তেওঁৰ এই বাৰ্তাই জলবায়ু পৰিৱৰ্তনৰ গুৰুতৰ প্ৰভাৱৰ প্ৰতি সকলোকে সচেতন কৰি তুলিছে।

## ভেনিজুৱেলাৰ কাৰাকাছত

বন্দী কৰি দেশৰ বাহিৰলৈ উৰুৱাই নিয়া হৈছে। এই ঘটনাই লেটিন আমেৰিকাৰ ৰাজনৈতিক পৰিস্থিতিত ব্যাপক উত্তেজনাৰ সৃষ্টি কৰিছে আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। স্থানীয় সময় অনুসৰি শনিবাৰে পুৱাৰ ভাগত কাৰাকাছত কমেও সাতোটা বিস্ফোৰণৰ শব্দ শুনা যায় আৰু কম উচ্চতাত বিমান উৰি ফুৰাৰ খবৰ পোৱা গৈছে। প্ৰত্যক্ষদৰ্শীসকলে জনোৱা অনুসৰি, ফুৱেৰ্তে তিউনা সামৰিক ঘাঁটি, লা কাৰ্লটা বিমানঘাঁটি আৰু হিগুৱেৰ'তে বিমানবন্দৰৰ দৰে গুৰুত্বপূৰ্ণ স্থাপনাত অগ্নিকাণ্ডৰ ঘটনা ঘটিছে। আক্ৰমণৰ ফলত চহৰৰ কেইবাখনো অঞ্চলত বিদ্যুৎ যোগান বন্ধ হৈ পৰে আৰু নাগৰিকসকলৰ মাজত তীব্ৰ আতংকৰ সৃষ্টি হয়। আক্ৰমণ কাৰাকাছৰ বাহিৰেও মিৰাণ্ডা, আৰাগুৱা আৰু লা গুৱাইৰা ৰাজ্যতো চলোৱা হৈছে বুলি জানিব পৰা গৈছে। আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে নিজৰ ছ'চিয়েল মিডিয়া প্লেটফৰ্ম ট্ৰুথ ছ'চিয়েলত এই অভিযানক "বৃহৎ মাপৰ সফল আক্ৰমণ" বুলি অভিহিত কৰি ঘোষণা কৰে যে, আমেৰিকান এলিট স্পেচিয়েল ফ'ৰ্চৰ সহায়ত মাদুৰো দম্পতীক গ্ৰেপ্তাৰ কৰা হৈছে। ট্ৰাম্পে এই অভিযানক নাৰ্কো-টেৰ'ৰিজমৰ বিৰুদ্ধে যুঁজৰ অংশ বুলি দাবী কৰিছে আৰু কয় যে, এইটো আমেৰিকাৰ আইন প্ৰয়োগকাৰী সংস্থাৰ সৈতে মিলিত অভিযান আছিল। তেওঁ লগতে জানিবলৈ দিয়ে যে, অহা কেইঘণ্টামানৰ ভিতৰত এই সন্দৰ্ভত বিস্তৃত সংবাদমেল অনুষ্ঠিত হ'ব। ইফালে, ভেনিজুৱেলাৰ চৰকাৰে এই আক্ৰমণক "গুৰুতৰ সামৰিক আগ্ৰাসন" বুলি নিন্দা কৰি এক আনুষ্ঠানিক বিবৃতি প্ৰকাশ কৰিছে। চৰকাৰৰ মতে, এই আক্ৰমণৰ মূল উদ্দেশ্য দেশখনৰ বিপুল তেল সম্পদ আৰু খনিজ পদাৰ্থৰ দখল লোৱা। বিবৃতিত আমেৰিকাক ৰাষ্ট্ৰসংঘৰ চনদৰ ১ আৰু ২নং অনুচ্ছেদৰ স্পষ্ট উলংঘা কৰাৰ অভিযোগ উত্থাপন কৰা হৈছে আৰু ইয়াক আঞ্চলিক শান্তিৰ প্ৰতি ভাবুকি বুলি অভিহিত কৰা হৈছে। চৰকাৰে দেশজুৰি ৰাষ্ট্ৰীয় জৰুৰীকালীন অৱস্থা ঘোষণা কৰি সশস্ত্ৰ বাহিনীক সম্পূৰ্ণৰূপে মোতায়েন কৰাৰ নিৰ্দেশ দিছে। প্ৰতিৰক্ষা মন্ত্ৰী ভ্লাদিমিৰ পাদ্ৰিনো ল'পেজে এই আক্ৰমণক "দেশৰ ইতিহাসত সৰ্ববৃহৎ আগ্ৰাসন" বুলি অভিহিত কৰি প্ৰতিৰোধৰ আহ্বান জনাইছে। ভেনিজুৱেলাৰ উপ-ৰাষ্ট্ৰপতি ডেলচি ৰ'ড্ৰিগেজে টেলিভিছনত প্ৰচাৰিত এক ভাষণত মাদুৰো দম্পতীৰ অৱস্থান অজ্ঞাত বুলি ঘোষণা কৰি আমেৰিকাৰ পৰা তেওঁলোকৰ জীৱনৰ প্ৰমাণ দাবী কৰিছে। চৰকাৰে নাগৰিকসকলক ৰাজপথলৈ ওলাই আহি এই "সাম্ৰাজ্যবাদী আগ্ৰাসন"ৰ বিৰুদ্ধে প্ৰতিবাদ কৰিবলৈ আহ্বান জনাইছে। লগতে, ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদ, চেলাক আৰু অসংলগ্ন আন্দোলনৰ সন্মুখত এই অভিযোগ উত্থাপন কৰাৰ কথা ঘোষণা কৰা হৈছে। এই ঘটনাৰ পটভূমিত আমেৰিকা আৰু ভেনিজুৱেলাৰ মাজত দীৰ্ঘদিনীয়া উত্তেজনাৰ কথা উল্লেখযোগ্য।ট্ৰাম্প প্ৰশাসনে মাদুৰোক নাৰ্কো-টেৰ'ৰিজমৰ নেতা বুলি অভিযোগ উত্থাপন কৰি দেশখনৰ ওপৰত কঠোৰ নিষেধাজ্ঞা আৰোপ কৰি আহিছে আৰু সম্প্ৰতি কেৰিবিয়ান সাগৰত ভেনিজুৱেলাৰ জাহাজসমূহৰ ওপৰত আক্ৰমণ তীব্ৰতৰ কৰিছিল। এই আক্ৰমণে আন্তঃৰাষ্ট্ৰীয় সম্পৰ্কত নতুন সংকটৰ সৃষ্টি কৰিছে আৰু বিশ্বৰ বিভিন্ন দেশে ইয়াৰ নিন্দা কৰিছে। হতাহতিৰ সঠিক সংখ্যা এতিয়াও প্ৰকাশ পোৱা নাই, কিন্তু পৰিস্থিতি অতি উত্তেজনাপূৰ্ণ হৈ পৰিছে।

## ৯ জানুৱাৰীত ১২ ঘণ্টীয়া

উল্লেখ্য যে, অসম বিধানসভাৰ শীতকালীন অধিবেশনৰ অন্তিম দিনা মন্ত্ৰীগোটে দাখিল কৰা জনজাতিকৰণ বিধেয়কক ভেঁকোভাওনা বুলি আখ্যায়িত কৰিছে আক্ৰাছুই.। অসমৰ কোচৰাজবংশী জনগোষ্ঠীক জনজাতিকৰণৰ দাবীত চলি থকা ধাৰাবাহিক আন্দোলনৰ সময়ত ৰাজ্য চৰকাৰৰ মন্ত্ৰীগোটে বিধানসভাত দাখিল কৰা প্ৰতিবেদন কেন্দ্ৰীয় চৰকাৰলৈ পঠিয়ালে নে নাই সেই সন্দৰ্ভত চৰকাৰক স্থিতি স্পষ্ট কৰিবলৈ আহ্বান জনাইছে। কোচ ৰাজবংশী জনগোষ্ঠীৰ জনজাতিকৰণ কৰিব নে নাই সেই সন্দৰ্ভত অহা ৭ তাৰিখৰ ভিতৰত চৰকাৰৰ স্থিতি স্পষ্ট কৰিবলৈ আক্ৰাছুৰ সভাপতি দীপেন ৰায়ে আহ্বান জনাইছে। আজি গোসাঁইগাঁও প্ৰেছ ক্লাবত সংবাদমেল সম্বোধন কৰি সভাপতি গৰাকীয়ে ৰাজ্য চৰকাৰৰ সন্দেহজনক ভূমিকা আৰু লেহেমীয়া পদক্ষেপক লৈ সন্দেহ প্ৰকাশ কৰিছে। আনহাতে সাধাৰণ সম্পাদক সুনাধৰ ৰায়েও ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ সদিচ্ছাৰ অভাৱত কোচৰাজবংশী জনগোষ্ঠীয়ে জনজাতিকৰণৰ পৰা বঞ্চিত হৈ থকা বুলি ক্ষোভ উজাৰে। অসমত বসবাস কৰা কোচৰাজবংশী জনগোষ্ঠীৰ জাতি, মাটি, ভেটি আদিৰ সুৰক্ষাৰ দাবীৰে সুদীৰ্ঘকালৰ পৰাই আন্দোলন চলি আছে। কিন্তু আগন্তুক ২০২৬ চনৰ অসম বিধানসভা নিৰ্বাচনৰ পূৰ্বে কোনো জনগোষ্ঠীয়ে জনজাতিকৰণ বিচৰা নাছিল বুলি মুখ্যমন্ত্ৰী দিয়া বক্তব্যক ধিক্কাৰ জনাইছে। এনেকি এই গৰাকী মুখ্যমন্ত্ৰীয়ে বিভিন্ন সময়ত মিথ্যাচাৰৰ আশ্ৰয় লৈ ৰাইজক আভুৱাভাৰি থকা ৰাজনীতি বন্ধ কৰিবলৈও আহ্বান জনায় আক্ৰাছুৰ সভাপতি দ্বীপেন ৰায়ে।

## মৰিয়নী সমষ্টিৰ ৰাইজৰ

নিৰ্বাচনৰ। কাৰ্যলয় গৃহ মুকলি অনুষ্ঠানত উপস্থিত থাকি ৰাইজৰ দলৰ সভাপতি তথা শিৱসাগৰৰ বিধায়ক অখিল গগৈয়ে '২৬ৰ বিধানসভা নিৰ্বাচনত বিৰোধী একত্ৰিত হৈ সাম্প্ৰদায়িক বিজেপিক উৎখাত কৰিবৰ বাবে নিৰ্বাচনত অৱতীৰ্ণ হ'ব বুলি উল্লেখ কৰে। তেওঁ লগতে উক্ত নিৰ্বাচনত আসন বুজাবুজি সন্দৰ্ভত বিৰোধীৰ মাজত কোনো বিবাদ নহয় বুলি উল্লেখ কৰে যদিও তেওঁৰ গৃহ সমষ্টি মৰিয়নিত প্ৰাৰ্থী প্ৰদানৰ সিদ্ধান্তৰ কথা সংবাদ মাধ্যমৰ আগত উল্লেখ কৰে। শেহতীয়াকৈ মৰিয়নী সমষ্টিৰ চিন্তামণিগড়ত খান্দিবলৈ লোৱা ৰাটাৰ লেণ্ড সম্পৰ্কত তীৰ্যক মন্তব্য দি কয় যে এই ৰাটাৰ লেণ্ড খান্দিলে নৈপৰীয়া ৰাইজৰ যথেষ্ট অসুবিধা হ'ব ইতিমধ্যে গগৈয়ে এই ৰাটাৰ লেণ্ডৰ কাম শিৱসাগৰত বন্ধ কৰাৰ কথা উল্লেখ কৰি স্থানীয় বিধায়ক ৰূপজ্যোতি কুৰ্মীক সমালোচনা কৰি কয় যে ৰূপজ্যোতি কুৰ্মীয়ে অমৃত শ্বাহক সন্তুষ্ট কৰাৰ লগতে টকা ঘটাৰ লোভত ৰাইজক বিপদলৈ ঠেলি দি চিন্তামণিগড়ত এই প্ৰকল্প আৰম্ভ কৰিবলৈ লৈছে। তেওঁ লগতে কয় যে ৰূপজ্যোতি কুৰ্মী টাউনত থাকি গাঁৱৰ সমস্যা দুখ-দুৰ্গতিৰ কথা নুবুজা মানুহ। এনেকুৱা মানুহে এনেকুৱা সিদ্ধান্তই ল'ব। তেওঁ লগতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক সমালোচনা কৰি কয় যে তেওঁ এসময়ত কংগ্ৰেছ পিছত বিজেপি এতিয়া মুখ্যমন্ত্ৰীৰ গাদিত তেওঁ নিজৰ কেলেংকাৰীবোৰ নাইকিয়া কৰিছে যদিও যিদিনা মই গাদিত বহিম সকলোৰে মুখা খুলিম বুলি তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে।

## পুনৰ ৰাজ্যৰ ৯১খন বিদ্যালয়ক একত্ৰীকৰণৰ

যুক্তিসংগত ব্যৱহাৰেৰে বিদ্যালয়সমূহৰ একত্ৰীকৰণ কৰি শিক্ষাৰ মান উন্নত কৰাটোৱেই এই কাৰ্য্যৰ মুখ্য উদ্দেশ্য। জিলাভিত্তিকভাৱে এই একত্ৰীকৰণৰ ব্যৱস্থা কৰা হ'ব। কামৰূপ, লখিমপুৰ আৰু শিৱসাগৰ জিলাৰ প্ৰতিটোত ১০খনকৈ, বৰপেটা জিলাত ৬খন, মাজুলীত ৭খন, কাছাৰ আৰু হাইলাকান্দিত ৫খনকৈ, শ্ৰীভূমিত ৪খন বিদ্যালয় একত্ৰিত কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। ডিব্ৰুগড়, গোৱালপাৰা, গোলাঘাট, হোজাই, যোৰহাট, নগাঁও আৰু নলবাৰী জিলাৰ এখনকৈ, বিশ্বনাথ, শোণিতপুৰ আৰু বঙাইগাঁও জিলাৰ দুখনকৈ, দৰং, চৰাইদেউ, ধেমাজি, ধুবুৰী, মৰিগাঁও আৰু তিনিচুকীয়া জিলাৰ এখনকৈ বিদ্যালয় এই কাৰ্য্যক্ৰমৰ অন্তৰ্ভুক্ত কৰা হৈছে। এই একত্ৰীকৰণ প্ৰক্ৰিয়াত কোনো ধৰণৰ অতিৰিক্ত পদ সৃষ্টি কৰা নহ'ব বুলি চৰকাৰে স্পষ্টকৈ উল্লেখ কৰিছে। বিদ্যালয়ৰ অৱকাঠামো, শিক্ষক-শিক্ষয়িত্ৰী আৰু আন সম্পদসমূহ অধিক কাৰ্যকৰীভাৱে ব্যৱহাৰ কৰি প্ৰাথমিক শিক্ষা ব্যৱস্থাটোৰ দক্ষতা বৃদ্ধি কৰাই ইয়াৰ মুখ্য লক্ষ্য। আশা কৰা হৈছে যে, এই সংস্কাৰে বিদ্যালয়সমূহৰ পৰিচালনা আৰু শিক্ষাদানৰ পৰিৱেশ উন্নত কৰাত অৰিহণা যোগাব আৰু ছাত্ৰ-ছাত্ৰীসকলক উন্নত মানৰ শৈক্ষিক সুবিধা প্ৰদান কৰিব পাৰিব।

## অসম বিধানসভা নিৰ্বাচনৰ

পদক্ষেপ গ্ৰহণ কৰিছে। অল ইণ্ডিয়া কংগ্ৰেছ কমিটীয়ে (এ আই চি চি) দেশৰ পাঁচখন ৰাজ্যত হ'বলগীয়া বিধানসভা নিৰ্বাচনৰ বাবে প্ৰাৰ্থী বাছনি কমিটী গঠন কৰিছে। এই পাঁচ ৰাজ্য হৈছে অসম, কেৰালা, তামিলনাডু, পুডুচেৰী আৰু পশ্চিম বংগ। এ আই চি চিৰ সাধাৰণ সম্পাদক কে চি বেণুগোপালে শনিবাৰে এই কমিটীসমূহৰ নাম ঘোষণা কৰে। বিশেষকৈ অসমৰ ক্ষেত্ৰত এটা উল্লেখযোগ্য সিদ্ধান্ত লোৱা হৈছে। কংগ্ৰেছৰ ৰাষ্ট্ৰীয় নেত্ৰী তথা সাংসদ প্ৰিয়ংকা গান্ধী ভাদ্ৰাক অসমৰ প্ৰাৰ্থী বাছনি কমিটীৰ অধ্যক্ষ হিচাপে নিযুক্তি দিয়া হৈছে। অৰ্থাৎ অসমত কংগ্ৰেছৰ প্ৰাৰ্থীসকলৰ চূড়ান্ত অনুমোদনৰ দায়িত্ব প্ৰিয়ংকা গান্ধীৰ হাতত থাকিব। এই সিদ্ধান্তই অসমৰ ৰাজনীতিত বিশেষ তাৎপৰ্য বহন কৰিছে কাৰণ অসমৰ নিৰ্বাচন কংগ্ৰেছৰ বাবে এক কঠিন পৰীক্ষা হিচাপে দেখা দিছে। কেৰালাৰ দৰে অসমৰ ফলাফলেও দলটোৰ ভৱিষ্যতৰ দিশ নিৰ্ধাৰণ কৰিব পাৰে। অসমৰ প্ৰাৰ্থী বাছনি কমিটীত প্ৰিয়ংকা গান্ধী ভাদ্ৰাৰ লগতে সদস্য হিচাপে আছে সপ্তগিৰি শংকৰ উলাকা, ইমৰাণ মাছুদ আৰু ছিৰিভেলা প্ৰসাদ। ইয়াৰ উপৰিও সাধাৰণ সম্পাদক বা ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক, প্ৰদেশ কংগ্ৰেছ সভাপতি, বিৰোধী দলপতি আৰু সম্পৰ্কীয় এ আই চি চি সম্পাদকসকলো এই কমিটীৰ সদস্য হিচাপে কাম কৰিব। অন্য ৰাজ্যসমূহৰ কমিটীৰ কথা ক'বলৈ গ'লে কেৰালাৰ কমিটীৰ অধ্যক্ষ হৈছে মধুসূধন মিস্ত্ৰী আৰু সদস্যসকল হৈছে ডাঃ চৈয়দ নাছিৰ হুছেইন, নীৰজ ডাংগী আৰু অভিষেক দত্ত। তামিলনাডু আৰু পুডুচেৰীৰ কমিটীৰ নেতৃত্বত আছে টি এছ সিং দেও আৰু সদস্যসকল হৈছে ডাঃ যশোমতী ঠাকুৰ, জি চি চন্দ্ৰশেখৰ আৰু অনিল কুমাৰ যাদৱ। পশ্চিম বংগৰ কমিটীৰ অধ্যক্ষ বি কে হৰিপ্ৰসাদ আৰু সদস্যসকল হৈছে ডাঃ মহম্মদ জাৱেদ, ডাঃ মমতা দেৱী আৰু বি পি সিং। এই কমিটীসমূহে প্ৰদেশ কংগ্ৰেছ কমিটীৰ সৈতে আলোচনা কৰি প্ৰাৰ্থীসকলৰ নাম চূড়ান্ত কৰিব আৰু তাৰ পিছত কংগ্ৰেছৰ কেন্দ্ৰীয় নিৰ্বাচন কমিটীয়ে অন্তিম সিদ্ধান্ত ল'ব। অসমত কংগ্ৰেছৰ এই পদক্ষেপে দলটোৰ নিৰ্বাচনী কৌশলত নতুন গতি আনিব বুলি ৰাজনৈতিক মহলে মন্তব্য কৰিছে। ২০২৬ চনৰ বিধানসভা নিৰ্বাচনত পৰিচয় আৰু উন্নয়নৰ প্ৰসংগই মুখ্য ভূমিকা ল'ব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাইও ইতিমধ্যে মন্তব্য কৰিছে। কংগ্ৰেছে এতিয়াৰ পৰাই প্ৰাৰ্থী নিৰ্বাচনৰ প্ৰক্ৰিয়া আৰম্ভ কৰি প্ৰতিদ্বন্দ্বিতাৰ বাবে সাজু হৈছে।

## নেপালত বিমান দুৰ্ঘটনা·

কৰি তুলিছে। নেপালৰ অন্যতম জনপ্ৰিয় বিমান সেৱা প্ৰদানকাৰী বুদ্ধ এয়াৰৰ ফ্লাইট নম্বৰ ৯০১ অৱতৰণৰ সময়তে ঝাপা জিলাৰ ভদ্ৰপুৰ বিমানবন্দৰত ৰাণৱেৰ পৰা ওলাই গৈ মাটিৰ কাদত আবদ্ধ হৈ পৰে। এই দুৰ্ঘটনাটো শুক্ৰবাৰে নিশা প্ৰায় ৯: ১০ বজাত সংঘটিত হয়। বিমানখন কাঠমাণ্ডুৰ ত্ৰিভুৱন আন্তৰ্জাতিক বিমানবন্দৰৰ পৰা সন্ধিয়া ৮: ২৩ বজাত উৰা মাৰিছিল আৰু ভদ্ৰপুৰত ৰাতিপুৱাৰ প্ৰথম ফ্লাইটত উভতি অহাৰ কথা আছিল। এটি আৰ টি আৰ ৭২-৫০০ মডেলৰ বিমানখনত (ৰেজিষ্ট্ৰেচন ৯এন-এ এম এফ) মুঠ ৫১ গৰাকী যাত্ৰী আৰু চাৰিগৰাকী ক্ৰু মেম্বাৰ আছিল। অৱতৰণৰ সময়ত বিমানখনে ৰাণৱেৰ পূব দিশত প্ৰায় ২০০ৰ পৰা ৩০০ মিটাৰ ওলাই গৈ ঘাঁহনি আৰু কাদৰ মাজত বৈ যায়। দুৰ্ঘটনাৰ পিছতে নেপাল আৰক্ষী, নেপালী সেনা, বিমানবন্দৰ কৰ্তৃপক্ষ আৰু বুদ্ধ এয়াৰৰ কৰ্মীসকলে তৎক্ষণাৎ উদ্ধাৰ অভিযান আৰম্ভ কৰে। সকলো যাত্ৰী আৰু কৰ্মচাৰীকে সুৰক্ষিতে উদ্ধাৰ কৰা হয় যদিও কেইজনমান লোকৰ সামান্য আঘাত লাগে। কিছুমান বাতৰি অনুসৰি কো-পাইলটকে ধৰি মুঠ সাতজন লোকে সামান্য আঘাত পাইছে আৰু তেওঁলোকক ভদ্ৰপুৰৰ ওমসাই পাথিভৰা হস্পিতালত চিকিৎসা কৰা হৈছে। অধিকাংশ আহত লোকক প্ৰাথমিক চিকিৎসাৰ পিছত ডিছচাৰ্জ দিয়া হৈছে। নেপাল আৰক্ষীয়ে এ' (পূৰ্বতে টুইটাৰ)ত এটা পোষ্টত এই দুৰ্ঘটনাৰ কথা নিশ্চিত কৰি কয় যে সকলো লোকক সুৰক্ষিতে উদ্ধাৰ কৰা হৈছে। বুদ্ধ এয়াৰৰ ফালৰ পৰাও এক বিবৃতিত দুৰ্ঘটনাৰ কথা স্বীকাৰ কৰি উদ্ধাৰকাৰী দলক ধন্যবাদ জ্ঞাপন কৰা হয়। বিমান সেৱা কোম্পানীয়ে কাঠমাণ্ডুৰ পৰা এক কাৰিকৰী দল পঠিয়াই বিমানখনৰ পৰীক্ষা কৰি আছে। নেপালৰ বেসামৰিক বিমান পৰিবহণ কৰ্তৃপক্ষই (চিএএএন) এই দুৰ্ঘটনাৰ তদন্ত আৰম্ভ কৰিছে। সম্ভৱতঃ বৰ্তমানৰ আৱহাওয়া, ৰাণৱেৰ অৱস্থা বা বিমানৰ কাৰিকৰী দোষৰ বাবে এই ঘটনা সংঘটিত হৈছে বুলি প্ৰাথমিক অনুমান কৰা হৈছে। নেপালত পাৰ্বত্য অঞ্চলৰ বাবে বিমান পৰিবহণত প্ৰায়ে এনে ঝুঁকি থাকে আৰু এই দুৰ্ঘটনাই পুনৰবাৰ বিমান সুৰক্ষাৰ প্ৰসংগ উত্থাপন কৰিছে। যি কি নহওক, এইবাৰ ডাঙৰ ক্ষতিৰ পৰা ৰক্ষা পৰাটোৱে সকলোকে সকাহ দিছে। ভদ্ৰপুৰ বিমানবন্দৰত সাময়িকভাৱে উৰাজাহাজ চলাচল বন্ধ হৈ থকাৰ পিছত এতিয়া ক্ৰমশঃ স্বাভাৱিক হৈ আহিছে।

### যুৱ সাংবাদিক, লেখক পাপুল গগৈলৈ বিশেষ সম্বৰ্দ্ধনা

## বাঘজানত চতুৰ্থ বাৰ্ষিক গ্ৰাম্য ক্ৰীড়া, শৈক্ষিক আৰু সাংস্কৃতিক সমাৰোহৰ সফল সামৰণি

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডুমডুমা, ৩ জানুৱাৰী ঃ** অসম মৰাণ সভা, বাঘজান শাখা সমিতিৰ উদ্যোগত অইল ইণ্ডিয়া লিমিটেড, দুলীয়াজানৰ পৃষ্ঠপোষকতাত তিনিচুকীয়া জিলা ক্ৰীড়া সন্থা আৰু তালাপ-কৰদৈগুৰি আঞ্চলিক ক্ৰীড়া সন্থাৰ তত্ত্বাৱধানত বাঘজান স্পৰ্টচ ক্লাব, বাঘজান অঞ্চলৰ আটাইকেইটা দল-সংগঠন আৰু বাঘজানবাসীৰ সহযোগত বাঘজান গাঁও ৰাজহুৱা খেলপথাৰত অনুষ্ঠিত হোৱা চতুৰ্থ বাৰ্ষিক গ্ৰাম্য ক্ৰীড়া, শৈক্ষিক আৰু সাংস্কৃতিক সমাৰোহ-২০২৫ৰ অলপতে সফল সমৰণি পৰে। শিক্ষা, সংস্কৃতি আৰু ক্ৰীড়া মানুহৰ জীৱনশৈলীৰ এক অভিন্ন অংগ। মানুহৰ চৰিত্ৰ আৰু মানসিক বিকাশত শিক্ষা, ক্ৰীড়া আৰু সংস্কৃতিৰ চৰ্চাই সদায়ে এক যোগাত্মক ভূমিকা গ্ৰহণ কৰি আহিছে। শিক্ষা, ক্ৰীড়া আৰু সাংস্কৃতিক বিকাশৰ জৰিয়তে এটা জাতি বা এখন দেশে বিশ্ব দৰবাৰত এক সন্মানজনক স্থিতি লাভ কৰিবলৈ সক্ষম হয়। এনে প্ৰেক্ষাপটত গ্ৰামাঞ্চলসমূহতো শৈক্ষিক, ক্ৰীড়া আৰু সাংস্কৃতিক উত্তৰণৰ প্ৰয়াস কৰাটো সামাজিক দায়িত্ব হৈ পৰিছে। সেই উদ্দেশ্যে চতুৰ্থ বাৰ্ষিক গ্ৰাম্য ক্ৰীড়া, শৈক্ষিক আৰু সাংস্কৃতিক সমাৰোহ আয়োজন কৰি আহিছে মৰাণ সভা বাঘজান শাখাই। দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত এই অনুষ্ঠানৰ কাৰ্যসূচী অনুসৰি দৌৰ প্ৰতিযোগিতা, হাই জাম্প, লং জাম্প, মাৰাথান দৌৰ, জেভলিন, চটফুট থ্ৰ, ডিছকাচ থ্ৰ, কাবাদী আদি বহুকেইটা প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। লগতে অসমৰ বহুকেইটা জনগোষ্ঠীয় সাংস্কৃতিক কাৰ্যসূচীও প্ৰদৰ্শন কৰে। দ্বিতীয় দিনা অসম মৰাণ সভা বাঘজান শাখাৰ সভাপতি ৰূপম মৰাণৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভা আৰু বঁটা বিতৰণী অনুষ্ঠানটি আঁত ধৰে শাখাৰ সাধাৰণ সম্পাদক অনুপম নেওগে। অনুষ্ঠানত তিনিচুকীয়া জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক মায়ংক কুমাৰ ঝা, বাঘজান আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া শিৱ প্ৰসাদ গগৈ, অসম মৰাণ সভা ডুমডুমা আঞ্চলিক সমিতিৰ সাধাৰণ সম্পাদক বিশ্বজিৎ হাজৰিকা, তালাপ-কৰদৈগুৰি আঞ্চলিক ক্ৰীড়া সন্থাৰ সভাপতি দ্ৰোণকান্ত মৰাণ, সম্পাদক অৰ্জুন মৰাণ, বাঘজান-দীঘলটৰং ৰূপকোঁৱৰ জাতীয় বিদ্যালয়ৰ অধ্যক্ষ যদুমণি বৰুৱা, বাঘজান গাঁও প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক সোণেশ্বৰ চেতিয়া, তিনিচুকীয়াৰ জ্যেষ্ঠ সাংবাদিক ৰূপম কাকতিসহ বিভিন্ন দল-সংগঠনৰ নেতৃবৃন্দ, শৈক্ষিক, ক্ৰীড়া সামাজিক, সাংস্কৃতিক, ব্যৱসায়ী প্ৰতিষ্ঠান আদি বিভিন্ন দিশৰ সৈতে জড়িত কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। এই অনুষ্ঠানতে তিনিচুকীয়া তথা বাঘজানৰ সু-সন্তান যুৱ সাংবাদিক, লেখক পাপুল গগৈলৈ বিশেষ সম্বৰ্দ্ধনা জ্ঞাপন কৰে। সম্বৰ্দ্ধনা গ্ৰহণ কৰে পিতৃ পৰলা গগৈয়ে।

'অসম বাৰ্তা'ৰ সাংবাদিক ৰবীন মৰাণক ভৰেশ বৰুৱা সোঁৱৰণী 'আপকু'ৰ জীৱনজোৰা সাধনা বঁটা-২০২৫ প্ৰদান

# সংবাদ মাধ্যমৰ কাম কেৱল ৰিপ'ৰ্টিং কৰাই নহয়, প্ৰতিগৰাকী সংবাদকৰ্মীৰে সমাজৰ প্ৰতি গুৰু দায়িত্ব আছেঃ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল

## তিনিচুকীয়াত 'আপকু'ৰ সপ্তদশ কেন্দ্ৰীয় মধ্যকালীন অধিৱেশন অনুষ্ঠিত




**ষ্টাফ ৰিপ'ৰ্টাৰ, ডুমডুমা, ৩ জানুৱাৰী ঃ** "সংবাদ মাধ্যমৰ কাম কেৱল ৰিপ'ৰ্টিং কৰাই নহ'য়; প্ৰতিগৰাকী সংবাদকৰ্মীৰে সমাজৰ প্ৰতি গুৰু দায়িত্ব আছে। সাংবাদিকসকলে নিৰ্ভীকভাৱে সমাজৰ সমস্যবিলাক পৰ্যালোচনা কৰা লগতে গঠনমূলক কথাৰে দিহা-পৰামৰ্শ দিবলৈ চেষ্টা কৰা উচিত। সাংবাদিকসকলে যেতিয়া সঘনাই সমাজত এনে পৰামৰ্শ দি আহিব, সঘনাই গঠনমূলক সমালোচনা কৰিব, তেতিয়া স্বাভাৱিকতে নাগৰিকসকল সজাগ আৰু সচেতন হ'ব। আমি প্ৰত্যেকেই পৰস্পৰে পৰস্পৰৰ প্ৰতি দায়িত্বশীল হৈ কাম কৰি যাব লাগিব। গণতন্ত্ৰৰ গৰিমা, মৰ্য্যাদা আমি জীয়াই ৰাখিবলৈ চেষ্টা কৰিব লাগিব।"- এই মন্তব্য অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা ভাৰত চৰকাৰৰ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ। আসাম প্ৰেছ ক'ৰেছ্‌পণ্ডেণ্টছ্ ইউনিয়ন, চমুকৈ 'আপকু'ৰ তিনিচুকীয়া জিলা সমিতিৰ আতিথ্যত আৰু তিনিচুকীয়াবাসীৰ সহযোগত উজনিৰ অন্যতম বাণিজ্যিক চহৰ তিনিচুকীয়াৰ বৰদলৈ নগৰস্থিত তিনিচুকীয়া উন্নয়ন প্ৰাধিকৰণ সাংস্কৃতিক প্ৰেক্ষাগৃহত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত কৰা 'আপকু'ৰ সপ্তদশ কেন্দ্ৰীয় মধ্যকালীন তিনিচুকীয়া অধিৱেশনৰ মুখ্য কাৰ্যসূচী মুকলি সভাত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে লগতে কয় যে গণতন্ত্ৰ মানে এখন সমাজ য'ত থাকে- শান্তি আৰু মূল্যবোধ। যিখন সমাজত এজনে আনজনক শ্ৰদ্ধা কৰে, এজনে আনজনৰ অধিকাৰক সন্মান জনোৱাৰ লগতে এজনে আনজনক সম্বোধন কৰোঁতে সাৱলীল শব্দ প্ৰয়োগ কৰে, সেইখন সমাজত আপোনা আপুনি পৰস্পৰে পৰস্পৰৰ প্ৰতি আদৰ, শ্ৰদ্ধা আৰু স্নেহ ভক্তি গঢ়ি উঠে। তেতিয়াই এখন সমাজ সুন্দৰ হৈ পৰে। সামাজিক মাধ্যম, এ আই আদিয়ে সাম্প্ৰতিক সময়ত সমাজলৈ যি প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছে, সেয়া নিশ্চয়কৈ শুভ লক্ষণ নহয়। এইধৰণৰ প্ৰযুক্তি আৰু মানৱতাৰ মাজত যথেষ্ট পাৰ্থক্য আছে। এ আইৰ যোগেদি উলিওৱা এটা কণ্টেণ্টে সমাজত ভাৱিব নোৱাৰাকৈ প্ৰভাৱ পেলোৱা পৰিলক্ষিত হৈছে। মানৱতাৰ অবিহনে সমাজে সভ্যতাৰ পোহৰ বুটলিবলৈ সক্ষম নহয় বুলি কৈ কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে চাওলুং চুকাফাই সৰ্বজনীন চিন্তা-চৰ্চাৰ জৰিয়তে গঢ় দিয়া বৰ অসমৰ ভেঁটিতেই একবিংশ শতিকাত আমি পদাৰ্পণ কৰিছোঁ বুলিও উল্লেখ কৰে। গণতন্ত্ৰৰ আন তিনিটা স্তম্ভৰ লগতে সংবাদ মাধ্যমৰ যি দায়িত্ব আৰু কৰণীয় আছে, সেই দায়িত্ব আৰু কৰ্তব্য যাতে নিষ্ঠাৰে পালন কৰিব পাৰে তাৰ বাবে সংবাদ মাধ্যমক জাগ্ৰত প্ৰহৰী হিচাপে কাম কৰিবলৈ তেওঁ আহ্বান জনায়। এইক্ষেত্ৰত তেওঁ লগতে কয় যে সমাজৰ উঠি অহা প্ৰজন্মৰ সামাজিক আচৰণ কেনে হোৱা উচিত, আদৰ্শ নাগৰিক হিচাপে এখন গণতান্ত্ৰিক সমাজত মৰ্যাদা সহকাৰে কেনেদৰে জীয়াই থাকিব লাগে - এই কথাবোৰ সঠিকভাৱে সজাই তোলাৰ নিমিত্তে সংবাদ মাধ্যমৰ গুৰু দায়িত্ব আছে, আগতেও আছিল আৰু ভৱিষ্যতেও থাকিব। আমাৰ সমাজৰ সাতামপুৰুষীয়া মূল্যবোধৰ পৰম্পৰা বিনষ্ট কৰাৰ অধিকাৰ আমাৰ কাৰোৰে নাই। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে নামঘৰ প্ৰতিষ্ঠা কৰি সমাজত শৃংখলাবদ্ধতা, নিয়মানুৱৰ্তিতা আৰু অনুশাসন আৰু সৃষ্টিশীল মনক অধিক সক্ৰিয় কৰি তুলিবলৈ বিভিন্ন পদ্ধতি অৱলম্বন কৰিছিল বুলি কৈ কেন্দ্ৰীয় মন্ত্ৰী সোণোৱালে লগতে কয়, সংবাদ মাধ্যমৰ কাম কেৱল বাতৰি পৰিৱেশন কৰাই নহয়। এখন সমাজ শুদ্ধ পথেৰে আগুৱাই নিয়াৰ গুৰু দায়িত্ব আছে। সমাজে সাংবাদিক সকললৈ আশাৰে বাট চাই থাকে। কাৰণ সংবাদ মাধ্যমে নিৰ্মোহ বিশ্লেষণ, গঠনমূলক সমালোচনা, পৰামৰ্শ আগবঢ়ায়। এই সমালোচনা বা পৰামৰ্শ সমাজত সঘনাই আগবঢ়াব তেতিয়াই প্ৰতিজন নাগৰিক সজাগ আৰু সচেতন হ'ব। সংবাদ মাধ্যমে আমাৰ ভুল-ত্ৰুটিসমূহ দেখুৱাই দিলে আমি কেতিয়াও বেয়া নাপাও। সংবাদ মাধ্যমে জাগ্ৰত প্ৰহৰীৰ ভূমিকা লৈ থকাৰ বাবেই সমাজৰ মেৰুদণ্ড পোন হৈ আছে। প্ৰাক্তন মুখ্যমন্ত্ৰী সোণোৱালে কয়, ভাৰতবৰ্ষ বিশ্বৰ আটাইতকৈ শক্তিশালী গণতন্ত্ৰ। সমাজক সঠিক পথৰ সন্ধান দিয়াৰ লক্ষ্যৰে, সমাজক সাংস্কৃতিক আৰু আধ্যাত্মিক দিশত আগুৱাই নিয়াৰ এক মহৎ প্ৰচেষ্টাৰে 'আপকু'ৰ দৰে শক্তিশালী সংগঠন জন্ম দিয়া বৰেণ্য সাহিত্যিক আৰু সাংবাদিকসকলক ভাষণৰ আৰম্ভণিতেই শ্ৰদ্ধাৰে সুঁৱৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এইক্ষেত্ৰত 'আপকু'-এ নিজৰ যাত্ৰাত সফল হোৱা বুলি কয়। 'আপকু'ৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি স্বপন কুমাৰ ৰাভাই সভাপতিত্ব কৰা মুকলি সভাখনিৰ আঁত ধৰে 'আপকু'ৰ কেন্দ্ৰীয় সম্পাদক প্ৰধান শৰৎ শেনচোৱাই। সভাৰ আৰম্ভণিতে ফিল'বাৰীৰ চিকৰাজন শিল্পী সমাজে 'আপকু'ৰ শীৰ্ষ গীত পৰিৱেশন কৰে। সভাত উদ্বোধনী ভাষণ আগবঢ়াই ৮১ নং শদিয়া বিধানসভা সমষ্টিৰ বিধায়ক তথা আদৰণি সমিতিৰ সভাপতি বলিন চেতিয়াই। উক্ত সভাতেই 'আপকু'ৰ কাৰ্যকৰী সভাপতি কামৰূপ মিৰ্জাৰ মৌচমজ্যোতি বৈশ্যক 'আপকু'ৰ প্ৰতিষ্ঠাপক সভাপতি ভৰেশ শইকীয়া সোঁৱৰণী জীৱনজোৰা সাধনা বঁটা-২০২৫, তিনিচুকীয়া জিলাৰ পেঙেৰীৰ জ্যেষ্ঠ সাংবাদিক ৰবীন মৰাণক 'আপকু'ৰ প্ৰতিষ্ঠাপক সম্পাদক প্ৰধান ভৰেশ বৰুৱা সোঁৱৰণী 'আপকু'ৰ জীৱনজোৰা সাধনা বঁটা-২০২৫ আৰু ডিব্ৰুগড় জিলাৰ নাহৰকটীয়াৰ সাংবাদিক আব্দুল ৰাজ্জাকক শ্বহীদ সাংবাদিক পৱিত্ৰ নাৰায়ণ সোঁৱৰণী বঁটা-২০২৫ প্ৰদান কৰা হ'য়। ইয়াৰ উপৰিও বিষ্ণুৰাভা বঁটা প্ৰাপক দুৰ্লভা মৰাণ, শতবৰ্ষীয় তৰুণ পীতাম্বৰ সন্দিকৈ, বিশিষ্ট শিক্ষাবিদ, সমাজ-সংগঠক, আদৰ্শ খেতিয়ক টীকাৰাম ছেত্ৰী, প্ৰবীণ শিল্পী, সাহিত্যিক যুদ্ধবীৰ ৰাণা, ডুমডুমা বীৰ ৰাঘৱ মৰাণ চৰকাৰী আদৰ্শ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অমৰজিৎ শইকীয়া, সু-লেখক, সমাজসেৱক বিমল বৰগোহাঁই আৰু তিনিচুকীয়াৰ সু-সন্তান, দক্ষিণ আফ্ৰিকাত কৰ্মৰত আন্তঃ ৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন বিজ্ঞানী ড° মুকুট গোহাঁইক বিশেষ সম্বৰ্ধনা জ্ঞাপন কৰা হয় মুকলি সভাতেই। 'আপকু'ৰ কেন্দ্ৰীয় সমিতিৰ মুখ্য উপদেষ্টা মনোজ সিঙে নিৰ্দিষ্ট বক্তাৰ ভাষণ প্ৰদান কৰাৰ বিপৰীতে "সাংবাদিকতা - অতীত, বৰ্তমান আৰু ভৱিষ্যত" শীৰ্ষক বিষয়ত সাৰুৱা ভাষণ প্ৰদান কৰে বিশিষ্ট নিৱন্ধকাৰ তথা জ্যেষ্ঠ সাংবাদিক অমূল্য খাটনিয়াৰে। সভাত তিনিচুকীয়া সমষ্টিৰ বিধায়ক সঞ্জয় কিষাণ, মৰাণ স্বায়ত্ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য অৰুণজ্যোতি মৰাণ, আদৰণি সমিতিৰ কাৰ্যকৰী সভাপতি মূলেন্দ্ৰ মৰাণ, বিশিষ্ট অধিবক্তা-সমাজকৰ্মী শিৱজী ডুবে, তিনিচুকীয়া উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ কাজল গোহাঁই, ডিব্ৰুগড় উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ অসীম হাজৰিকা, তিনিচুকীয়া পৌৰসভাৰ পৌৰপতি পুলক চেতিয়া, উপ-পৌৰপতি ইন্দিৰা ৰয়, তিনিচুকীয়া জিলা পৰিষদৰ অধ্যক্ষ ভাদেশ্বৰ মৰাণ, মটক স্বায়ত্ত্ব পৰিষদৰ অধ্যক্ষ সৰোজ গোহাঁই, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সহকাৰী সম্পাদক সুৰজিৎ মৰাণ, মৰাণ সাহিত্য সভাৰ মুখ্য সম্পাদক মৃদুল দহোটীয়া, সদৌ মৰাণ কৰ্মচাৰী শৈক্ষিক বিকাশ মঞ্চৰ সভাপতি ভাৰ্গৱ মৰাণ, বিশিষ্ট সমাজকৰ্মী নট্টভূষণ সোণোৱালৰ লগতে কেইবাজনো গণ্য-মান্য ব্যক্তি উপস্থিত থাকে। মুকলি সভাতেই ফটিক চন্দ্ৰ নেওগৰ সম্পাদনাত(সহযোগী: ৰাজীৱ বৰা, বিকাশজ্যোতি শইকীয়া, সুৰেন্দ্ৰ শদিয়া আৰু লীলা উপাধ্যায়)ত প্ৰকাশ কৰি উলিওৱা স্মৃতিগ্ৰন্থ "স্তম্ভ কণ্ঠ" উন্মোচন কৰা হয়। ইয়াৰ পূৰ্বে কাৰ্যসূচী অনুসৰি পুৱা 'আপকু'ৰ পতাকা উত্তোলন কৰে 'আপকু'ৰ কেন্দ্ৰীয় সভাপতি স্বপন কুমাৰ ৰাভাই। স্মৃতি তৰ্পণ কাৰ্য্যসূচী মুকলি কৰে কাৰ্যকৰী সভাপতি মৌচমজ্যোতি বৈশ্য আৰু সম্পাদক প্ৰধান শৰৎ শেনচোৱাই। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত স্থানীয় কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। পুৱা ৯-৪৫ বজাৰ পৰা আৰম্ভ হয় প্ৰতিনিধিৰ নাম পঞ্জীয়ন কাৰ্য্যসূচী। পুৱা ১০ বজাত সাধাৰণ সভাৰ উদ্বোধন কৰে আদৰণি সমিতিৰ কাৰ্যকৰী সভাপতি মূলেন্দ্ৰ মৰাণে। অধিৱেশনৰ দ্বিতীয় দিনাৰ কাৰ্য্যসূচী হিচাপে আছে শদিয়া-অৰুণাচল ভ্ৰমণ। অসমৰ বিভিন্ন জিলাৰ পৰা উক্ত অধিৱেশনলৈ অহা সংগঠনটোৰ শতাধিক প্ৰতিনিধিয়ে কাইলৈ শদিয়া আৰু অৰুণাচল ভ্ৰমণ কৰিব।

বেদখলমুক্ত কৰি পৰ্যটন ক্ষেত্ৰ গঢ়াৰ দাবী আন্তঃৰাষ্ট্ৰীয় কোচ-ৰাজবংশী সংস্থাৰ

# বিজনী ৰাজ ইষ্টেটৰ ৰাণী সিদ্ধেশ্বৰীৰ সমাধিস্থলো বেদখলৰ কৱলত

**ষ্টাফ ৰিপ'ৰ্টাৰ, বঙাইগাঁও, ৩ জানুৱাৰী ঃ** ৰাজ্যৰ বনাঞ্চল, গো-চৰণীয়া পথাৰ, চৰকাৰী খাজ ভূমি, জলাশয় আদি বেদখল হোৱাৰ পিছত একালত হাজাৰ হাজাৰ লোকক ভূমিদানেৰে সংস্থাপিত কৰা বিজনী ৰাজ ইষ্টেটৰ স্বয়ং ৰাণীৰে সমাধিস্থলৰ ভূমি বেদখলৰ কৱলত পৰিছে। এই বিষয়ে বিতং তথ্য দাঙি ধৰি আন্তঃৰাষ্ট্ৰীয় কোচৰাজবংশী সংস্থাৰ সভাপতি ভদ্ৰেশ্বৰ বৰ্মনে জানিবলৈ দিয়ে যে বিজনী ৰাজ ইষ্টেটৰ ৰাজধানী উনৈছ শতিকাৰ শেষৰফালে অভয়াপুৰীলৈ স্থানান্তৰিত হয়। বংশানুক্ৰমে বিভিন্ন ৰজাই শাসন কাৰ্য চলোৱাৰ লগতে ৰাণী সিদ্ধেশ্বৰীও একালত শাসনৰ বাগজৰী হাতত লৈছিল। ৰাণী সিদ্ধেশ্বৰী প্ৰয়াণৰ পিছত তেতিয়াৰ ৰাজধানী অভয়াপুৰী বৰ্তমান অভয়াপুৰী পৌৰসভাৰ অন্তৰ্গত ৪ নং ৱাৰ্ড তথা টেংনামাৰীত ৰাজকীয় মৰ্য্যাদাৰে সমাধিস্থ কৰা হয়। সৃজনগ্ৰাম ৰাজহ চক্ৰৰ ৮নং লাটৰ দাগ নং ৩৭২ৰ ৮ বিঘা ২ কঠা ১০ লেস্বা, ৩৬৮ নং দাগৰ ২ বিঘা ১ কঠা ৪ লেছা, দাগ নং ৩৬৯ৰ ১ বিঘা ৪ কঠা ৪ লেছা আৰু দাগ নং ৩৮৩ৰ ১ বিঘা ৯ লেছা জমিৰ বেছিভাগেই বেদখলৰ কবলত পৰিছে। বৰ্মনে উল্লেখ কৰা মতে বেদখলকাৰীসকলে উক্ত স্থানত নিৰ্মাণ কাৰ্যও কৰিছে। সমাধিস্থলত বুকুতেই চৰকাৰৰ অমৃত সৰোবৰ আঁচনিৰ অধীনত পুখুৰী এটাও খান্দিছে। এই লৈ সচেতন মহলৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। এনে স্থলত বৰ্মনে উল্লেখ কৰে যে, ৰাণী সিদ্ধেশ্বৰী সমাধিস্থলৰ ভূমি অতি শীঘ্ৰে বেদখলমুক্ত কৰাৰ লগতে উক্ত ভূমিত ৰাণী সিদ্ধেশ্বৰীৰ নতুনকৈ সমাধিস্থল নিৰ্মাণ কৰাৰ বাবে চৰকাৰৰ ওচৰত দাবী জনাইছে। সমাধিস্থল আটকধুনীয়াকৈ নিৰ্মাণ কৰিলে পৰ্যটনস্থলীলৈও ৰূপান্তৰিত হ'ব বুলি বৰ্মনে উল্লেখ কৰে।

# মৰিগাঁও জিলাত দুৰ্যোগ প্ৰশমন (DRR) আঁচনি ৰূপায়ণ সন্দৰ্ভত গুৰুত্বপূৰ্ণ বৈঠক সম্পন্ন

**ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ৩ জানুৱাৰী ঃ** মৰিগাঁও জিলাৰ দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ (DDMA) এক গুৰুত্বপূৰ্ণ বৈঠক আজি জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাগৃহত অনুষ্ঠিত হয়। মৰিগাঁও জিলাত দুৰ্যোগৰ আশংকা হ্ৰাস কৰা বা 'ডিজাষ্টাৰ ৰিস্ক ৰিডাকচন' (DRR) কাৰ্যসূচীৰ ফলপ্ৰসূ ৰূপায়ণৰ উদ্দেশ্যৰে এই বৈঠক আহ্বান কৰা হয়। মুম্বাইৰ ৰিলায়েন্স ফাউণ্ডেশ্যনৰ সহযোগত আৰু স্বেচ্ছাসেৱী সংস্থা 'মৰিগাঁও মহিলা মেহফিল'ৰ (MMM) উদ্যোগত জিলাখনত এই আঁচনি চলাই থকা হৈছে। মৰিগাঁও জিলাৰ জিলা আয়ুক্ত তথা জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ অধ্যক্ষ শ্ৰীমতী অনামিকা তিৱাৰী, ACS-ৰ সভাপতিত্বত অনুষ্ঠিত এই বৈঠকত জিলাখনৰ বিভিন্ন ৰাজহ চক্ৰ আৰু চৰকাৰী বিভাগসমূহৰ মাজত সমন্বয় স্থাপনৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হয়। বৈঠকত জিলা উন্নয়ন আয়ুক্ত অৰ্পা বাগলাৰী, ভূৰাগাঁও ৰাজহ চক্ৰৰ চক্ৰ বিষয়া প্ৰাঞ্জল বৰুৱা, সহকাৰী আয়ুক্ত জুটিকা কুমাৰী, সন্তোষ বুঢ়াগোহাঁই আৰু মৃগাক্ষী বৰুৱাৰ লগতে সংশ্লিষ্ট বিভাগৰ উচ্চপদস্থ বিষয়াসকল উপস্থিত থাকে। মৰিগাঁও মহিলা মেহফিলৰ তৰফৰ পৰা এক পাৱাৰ পইণ্ট প্ৰেজেণ্টেচনৰ জৰিয়তে জিলাখনত চলি থকা দুৰ্যোগ প্ৰশমন প্ৰকল্পৰ লক্ষ্য, পৰিসৰ আৰু মুখ্য কাৰ্যসূচীসমূহৰ সবিস্তাৰ বিৱৰণ দাঙি ধৰা হয়। ইয়াৰ ভিতৰত বিশেষকৈ সম্প্ৰদায়ভিত্তিক দুৰ্যোগৰ প্ৰস্তুতি, সক্ষমতা বৃদ্ধি, জনসজাগতা সৃষ্টি আৰু চৰকাৰী বিভাগসমূহৰ সৈতে সহযোগিতাৰ জৰিয়তে দুৰ্যোগৰ মাত্ৰা হ্ৰাস কৰাৰ দিশসমূহৰ ওপৰত আলোকপাত কৰা হয়। মৰিগাঁও মহিলা মেহফিলে বিভিন্ন চৰকাৰী বিভাগৰ বিষয়া-কৰ্মচাৰীসকলক এই আঁচনি ৰূপায়ণত সক্ৰিয় সহযোগিতা আগবঢ়াবলৈ অনুৰোধ জনায়। জিলাখনত দুৰ্যোগ সহনশীলতা গঢ়ি তোলাৰ বাবে আন্তঃবিভাগীয় সমন্বয় অতি প্ৰয়োজনীয় বুলি বৈঠকত মত প্ৰকাশ কৰা হয়। জিলা আয়ুক্তগৰাকীয়ে দুৰ্যোগ ব্যৱস্থাপনাৰ ক্ষেত্ৰত সকলো পক্ষকে একগোট হৈ কাম কৰিবলৈ নিৰ্দেশ দিয়ে যাতে যিকোনো জৰুৰীকালীন পৰিস্থিতিত জনসাধাৰণক সঠিক সুৰক্ষা প্ৰদান কৰিব পৰা যায়।

২০২৪ চনৰ উদীয়মান যুৱ সাংবাদিক ৰাজীৱ পাতিৰলৈ

# ২০২৩ চনৰ শ্ৰীশ্ৰীদেৱ দত্ত দেৱ গোস্বামী স্মাৰক সাংবাদিকতা বঁটা মাজুলী সংবাদ জগতৰ মহীৰূহ বিপিন শইকীয়ালৈ

**অসম বাৰ্তা, উজনী মাজুলী, ৩ জানুৱাৰী ঃ** অসমত খ্ৰীষ্টান মিছনেৰী সকলে প্ৰকাশ কৰা প্ৰথমখন কাকত 'অৰুনোদই 'ৰ যোগে খ্ৰীষ্ট ধৰ্মৰ বাণী প্ৰচাৰ কৰাত আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰী দেৱ দত্ত দেৱ গোস্বামীয়ে কলিকতাৰ পৰা সেই সময়ৰ দুৰ্গম মাজুলীলৈ জাহাজ, নাও আৰু হাতীৰে ছপাযন্ত্ৰ আনি 'ধৰ্ম প্ৰকাশ যন্ত্ৰ' ৰূপে স্থাপন কৰি ১৮৭১ চনত 'আসাম বিলাসীনি' প্ৰকাশ কৰি এহাতেদি খৃষ্ট ধৰ্মৰ আগ্ৰাসনক বাধা প্ৰদান কৰে আনহাতে অসমত সংবাদ সেৱাৰ শুৰাগুৰি তুলি অসমৰ বহু কেইখন গ্ৰন্থ প্ৰকাশ কৰিছিল। এই গৰাকী প্ৰবাদ পুৰুষৰ সোঁৱৰণীত আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱগোস্বামীৰ পৃষ্ঠপোষকতাত মাজুলী জিলা সাংবাদিক সন্থাই ধাৰাবাহিকভাৱে 'দত্ত দেৱ গোস্বামী স্মাৰক সাংবাদিকতা বঁটা' প্ৰদান কৰি আহিছে। এই বঁটাত আছে এটি স্বৰ্ণপদক, অৰ্থ, মানপত্ৰ, অংগ বস্ত্ৰ, আৰু গ্ৰন্থৰ টোপোলা। বিগত ৩১ ডিচেম্বৰৰ মাজুলী সাংবাদিক সন্থাই অনুষ্ঠিত কৰা "স্নেহ সন্মিলন"ৰ সভাত ২০২৩ আৰু ২০২৪ চনৰ বঁটা বিজয়ীৰ নাম ঘোষণা কৰা হয়। সেই অনুসৰি ২০২৩ চনৰ বাবে নিৰ্বাচিত হৈছে মাজুলীৰ সংবাদ ক্ষেত্ৰৰ মহীৰূহ স্বৰূপ দৈনিক জনমভূমি কাকতৰ মাজুলীৰ জ্যেষ্ঠ সাংবাদিক বিপিন শইকীয়া। ১৯৬৮ চনৰ পৰা সাপ্তাহিক জনমভূমি কাকতৰ সাংবাদিক হিচাপে কৰ্মজীৱন আৰম্ভ কৰা শইকীয়াদেৱে দৈনিক জনমভূমি কাকতৰ জন্ম লগ্নৰে পৰা সেৱা আগবঢ়াই জীৱনৰ বিয়লি বেলাতো সংবাদ ক্ষেত্ৰৰ অতন্দ্ৰ প্ৰহৰীৰূপে আত্মত্যাগ কৰি আহিছে। ১৯৯০ চনত প্ৰতিষ্ঠিত মাজুলী সাংবাদিক সন্থা জন্মদিয়া সকলৰ অন্যতম তথা সন্থাৰ দ্বাৰা প্ৰকাশিত 'পযেকীয়া মাজুলী' কাকতখনত প্ৰভুত বৰঙণি যোগোৱা এইগৰাকী সাংবাদিক মাজুলীৰ সংবাদ মাধ্যমৰ বহু কেইজন সাংবাদিকৰ গুৰুস্বৰূপ। শিক্ষকতাৰ দৰে পবিত্ৰ কৰ্মৰ পৰা অৱসৰ গ্ৰহণ কৰাৰ পিছতো নীৰবিচ্ছিন্ন ভাৱে সংবাদ সেৱা কৰাৰ লগতে মাজুলীৰ শৈক্ষিক, সামাজিক, আৰু ধৰ্মীয় দিশত জড়িত হৈ আছে। এই গৰাকী বিশিষ্ট সাংবাদিকলৈ সন্মান যচাৰ বাবে আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱগোস্বামীয়ে অভিনন্দন জ্ঞাপন কৰাৰ লগতে মাজুলীৰ সচেতন মহলে সন্তোষ প্ৰকাশ কৰিছে। ২০২৪ বৰ্ষৰ বাবে এই বঁটাৰ বাবে নিৰ্বাচিত হৈছে প্ৰতিদিন কাকতৰ মাজুলীৰ প্ৰতিনিধি ৰাজীৱ পাতিৰ। জেংৰাইমুখৰ এই গৰাকী যুৱ সাংবাদিক একাধাৰে সাহিত্য, সংস্কৃতিৰ একান্ত সাধক তথা বিপ্লৱী সত্ত্বাৰে সমাজৰ সংস্কাৰ সাধনত কৰ্মৰত আৰু জাতীয় সংগঠনৰ নেতৃত্ব দিয়াৰ ব্যক্তিত্বই জনমানসত প্ৰসিদ্ধি লাভ কৰিছে। মাজুলী সাংবাদিক সন্থাৰ জ্যেষ্ঠ সাংবাদিক গৰাকীলৈ সন্মান যচাৰ বাবে আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱ গোস্বামী তথা বিভিন্ন সংগঠনে অভিনন্দন জ্ঞাপন কৰিছে। অহা ১৮ জানুৱাৰীৰ পৰা আৰম্ভ হ'বলগীয়া অসম ভাওনা সমাৰোহৰ মনিকাঞ্চন ক্ষেত্ৰত 'দত্ত দেৱ গোস্বামী স্মাৰক সাংবাদিকতা বঁটা'ৰ পৃষ্ঠপোষক ড° পীতাম্বৰ দেৱ গোস্বামীয়ে নিজহাতে দুগৰাকী সাংবাদিকক বঁটা প্ৰদান কৰিব।

# ৭-১৮ জানুৱাৰীত লিডুত ৰাষ্ট্ৰীয় সাহিত্য সন্মিলন

## দেশৰ বিভিন্ন ৰাজ্যৰ শতাধিক জনপ্ৰিয় আৰু প্ৰতিষ্ঠিত কবি, সাহিত্যিকে কৰিব অংশগ্ৰহণ



**ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ৩ জানুৱাৰী ঃ** লিডু মহাবিদ্যালয় আৰু বুঢ়ীদিহিং নৈৰ প্ৰাকৃতিক পৰিৱেশত আগন্তুক ১৭ আৰু ১৮ জানুৱাৰীত দুদিনীয়া বিস্তৃত কাৰ্যসূচীৰে আয়োজন কৰা হৈছে 'লিডু ৰাষ্ট্ৰীয় সাহিত্য সন্মিলন-২০২৫'। এই সাহিত্য সমাৰোহত দেশৰ বিভিন্ন ৰাজ্যৰ পৰা অহা শতাধিক জনপ্ৰিয় তথা প্ৰতিষ্ঠিত কবি আৰু সাহিত্যিকে অংশগ্ৰহণ কৰিব। এই সন্মিলনত অতিথি সন্মানীয় হিচাপে অংশ ল'বলগীয়া কবি, সাহিত্যিকসকলৰ ভিতৰত আছে- কলকাতাৰ বাসুদেৱ দাস, সৰবজিৎ চৰকাৰ, ৰাজৰ্ষি নাৰায়ণ পাত্ৰনাবিস, বিকাশ গন চৌধুৰী, ঋতু সেন চৌধুৰী, কণিষ্ক ভট্টাচাৰ্য, ঋতুপৰ্ণা খান, বিমন সাহা, সাৰ্থক ৰয় চৌধুৰী; ধানবাদৰ এ. এন. পাঠক; মুম্বাইৰ সংকেত মাত্ৰে আৰু ৰবী পাৱাৰ; গুৱাহাটীৰ পুৰুষোত্তম উপাধ্যায়, ময়ূৰ বৰা, ড° জয়ন্ত মাধৱ বৰা, মুকুট শৰ্মা, উদয় কুমাৰ শৰ্মা; মৰাণৰ ড° অনিল শইকীয়া; গুৱাহাটীৰ প্ৰণৱ কুমাৰ বৰ্মণ ডিব্ৰুগড়ৰ ড° প্ৰণয় ফুকন আৰু ৰুদ্ৰ গগৈ; টেঙাখাটৰ তপন বৰুৱা; দুলিয়াজানৰ ড° চিত্ৰজিৎ শইকীয়া; বৰাক উপত্যকাৰ শশীকান্ত সিং; গোলাঘাটৰ ৰোনাল্ডো টাইদ; ডুমডুমাৰ দিগন্ত ভাজনী; নেপালৰ মোহন সুবেদী আৰু হায়দৰাবাদৰ নাহিদ আখতাৰ, আদি বিশিষ্ট সাহিত্যিকসকল অন্যতম। এই ৰাষ্ট্ৰীয় সাহিত্য সন্মিলনৰ অন্যতম আকৰ্ষণ হিচাপে প্ৰদান কৰা হ'ব কেইবাটাও সন্মানীয় ৰাষ্ট্ৰীয় বঁটা। 'ডাঃ বীৰেন্দ্ৰ নাথ বৰুৱা ৰাষ্ট্ৰীয় বঁটা - ২০২৫' ঝাৰখণ্ডৰ বিশিষ্ট সাহিত্যিক অভয়ানন্দ পাঠকক প্ৰদান কৰা হ'ব। 'ভূপেন চন্দ্ৰ নেওগ লোকসংস্কৃতি ৰাষ্ট্ৰীয় বঁটা - ২০২৫' মৰাণৰ বিশিষ্ট লোকসংস্কৃতিৰ গৱেষক ড° অনিল শইকীয়াক প্ৰদান কৰা হ'ব। 'সুৰেন ফুকন সমাজ-হিতৈষী ৰাষ্ট্ৰীয় বঁটা- ২০২৫' ধেমাজিৰ সমাজকৰ্মী তথা সাহিত্যিক ড° পুষ্প গগৈক প্ৰদান কৰা হ'ব। দ্বিতীয় দিনা আয়োজিত কবি সন্মিলনত শতাধিক কবিয়ে ভাগ ল'ব। সন্মিলনৰ সভাপতি ড° ৰঞ্জিত দত্ত আৰু সম্পাদক ৰাণাজ্যোতি নেওগে জনোৱা মতে, এই ৰাষ্ট্ৰীয় সাহিত্য সন্মিলনে লিডু তথা অসমক ৰাষ্ট্ৰীয় সাহিত্য মানচিত্ৰত এক বিশেষ মৰ্যাদা প্ৰদান কৰাৰ লগতে সাহিত্যিক বিনিময় আৰু সাংস্কৃতিক সংলাপৰ এক শক্তিশালী মঞ্চ হিচাপে আত্মপ্ৰকাশ কৰিব।

আমেৰিকাৰ প্ৰবাসী অসমীয়াই গ্ৰহণ কৰিলে দুই অনাথ শিশু

# মাজুলীৰ দুই অনাথ শিশুৱে লাভ কৰিলে নতুন ঠিকনা

**অসম বাৰ্তা, উজনী মাজুলী, ৩ জানুৱাৰী ঃ** মাজুলীৰ বাবে আজিৰ দিনটো এক গৌৰৱৰ ক্ষণ হিচাপেই বিবেচিত হৈছে। মাজুলীৰ এক অনাথ আশ্ৰমত থকা পিতৃ-মাতৃ হীন দুই অনাথ শিশুক আজি পিতৃ-মাতৃৰ উমাল পৰশৰ বাবে আমেৰিকা নিবাসী দুই প্ৰৱাসী অসমীয়াক আজি আনুষ্ঠানিকভাৱে অৰ্পণ কৰি নতুন জীৱনৰ ফালে যেন আগবঢ়াই দিলে মাজুলীৰ জিলা প্ৰশাসনে। নতুন জীৱনৰ আশাৰে মাজুলীৰ পৰা দুজন অনাথ শিশোৱে আৰম্ভ কৰিলে সুদূৰ আমেৰিকালৈ যাত্ৰা। সকলো চৰকাৰী নীতি-নিয়ম সম্পূৰ্ণৰূপে মানি চলি দুয়োটা শিশুক আমেৰিকাৰ প্ৰবাসী অসমীয়া নিঃসন্তান দম্পতীৰ হাতত আনুষ্ঠানিকভাৱে হস্তান্তৰ কৰা হয়। মাজুলী জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এক মৰ্মস্পৰ্শী অনুষ্ঠানত জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকে নতুন পিতৃ-মাতৃৰ হাতত শিশু দুটিক অৰ্পণ কৰে। এই অনুষ্ঠানত জিলা প্ৰশাসনৰ বিভিন্ন বিষয়া-কৰ্মচাৰীসকলৰ লগতে নতুন কমলাবাৰী সূৰ্যোদয় অনাথ আশ্ৰমৰ প্ৰতিনিধিসকল উপস্থিত থাকে। উল্লেখযোগ্য যে, নতুন কমলাবাৰী সূৰ্যোদয় অনাথ আশ্ৰমত আশ্ৰয় লৈ থকা এই দুই শিশুক সকলো আইনগত প্ৰক্ৰিয়া সম্পন্ন কৰাৰ পাছত আমেৰিকাৰ প্ৰবাসী অসমীয়া দম্পতীয়ে দত্তক গ্ৰহণ কৰে। মাজুলীত প্ৰথমবাৰৰ বাবে বিশেষ দত্তক গ্ৰহণ কেন্দ্ৰৰ জৰিয়তে এই ধৰণৰ আনুষ্ঠানিক হস্তান্তৰ প্ৰক্ৰিয়া সম্পন্ন হোৱাটো বিশেষ তাৎপৰ্যপূৰ্ণ বিষয় বুলি বিবেচিত হৈছে। সাত সাগৰ তেৰ নদী পাৰ হৈ আমেৰিকাত নতুন সপোন গঢ়িবলৈ ওলাই যোৱা শিশু দুটিক নতুন পিতৃ-মাতৃয়ে অতি মৰম আৰু আপোনতাৰে গ্ৰহণ কৰে। তেওঁলোকে এই সুখৰ মুহূৰ্তত নিজৰ অনুভূতি প্ৰকাশ কৰি কয় যে, শিশু দুটিয়ে এতিয়া এক স্থায়ী ঠিকনা, এখন মৰমেৰে ভৰা পৰিয়াল আৰু উজ্জ্বল ভৱিষ্যৎ লাভ কৰিলে। মাজুলীৰ মাটিৰ পৰা আৰম্ভ হোৱা এইনতুন যাত্ৰাই কেৱল শিশু দুটিকেই নহয়, সমগ্ৰ মাজুলীবাসীকেই গৌৰৱান্বিত কৰি তুলিছে।

স্মৃতিগ্ৰন্থ "ৰূপোৱালি সঁফুৰা" উন্মোচন, পাঁচগৰাকী শিল্পী-সাহিত্যিকক সম্বৰ্ধনা

# পুৰণিগুদাম কলং কলা কেন্দ্ৰৰ ৰূপালী জয়ন্তী উৎসৱৰ সামৰণি

**অসম বাৰ্তা, পুৰণিগুদাম, ৩ জানুৱাৰী ঃ** নগাঁও জিলাৰ অগ্ৰণী সাংস্কৃতিক অনুষ্ঠান কলং কলা কেন্দ্ৰৰ ৰূপালী জয়ন্তী বৰ্ষৰ দুদিনীয়া সামৰণি উৎসৱটি যোৱা নিশা সফল সামৰণি পৰে। ৰূপালী জয়ন্তী উৎসৱৰ প্ৰথমদিনা এক জানুৱাৰীৰ পুৱা পতাকা উত্তোলন কাৰ্যসূচীত পুৰণিগুদাম তথা নগাঁও জিলাৰ ২৬ গৰাকী বিভিন্ন অনুষ্ঠানৰ প্ৰতিনিধি তথা সমাজ-সাহিত্য-সংস্কৃতিৰ সৈতে জড়িত ব্যক্তিয়ে অংশগ্ৰহণ কৰে। গিৰীন্দ্ৰ কুমাৰ বৰুৱা, পুলিন হাজৰিকা, ড° নৃপেন চন্দ্ৰ দাস, ৰবীন্দ্ৰ নাথ কলিতা, দিগন্ত প্ৰকাশ মহন্ত, যতীন্দ্ৰমোহন বৈৰাগী, প্ৰফুল্ল কলিতা, দুৰ্লভ শৰ্মা, জ্যোতিৰ্ময় গোস্বামী, তিলক গায়ন, অশ্বিনী শৰ্মা, পাৰুল গায়ন, অনিল কুমাৰ বৈৰাগী, দ্বিপেন বৈৰাগী, দেৱপ্ৰসাদ ভূঞা, দ্বিজেন্দ্ৰ মোহন শইকীয়া, প্ৰেমানন্দ বৈৰাগী, দুৰ্লভ পৱন বৰুৱা, প্ৰদীপ চন্দ্ৰ বৈৰাগী, মৃনাল কুমাৰ বৰা, জীৱন চন্দ্ৰ বৰা, কেশৱ চন্দ্ৰ বৰা, প্ৰদীপ কুমাৰ হাজৰিকা আদিৰ জৰিয়তে সমাপন হোৱা কাৰ্যসূচীৰ মূল পতাকা উত্তোলন কৰে উদযাপন সমিতিৰ সভাপতি কৃষ্ণ গোস্বামীয়ে। পতাকা উত্তোলনৰ পিছতে শ্ৰদ্ধাঞ্জলি অনুষ্ঠান শুভাৰম্ভ কৰে চিত্ৰকৰ নবীন বৰাই। প্ৰদৰ্শনীৰ দ্বাৰ উন্মোচন কৰে বিশিষ্ট সাহিত্যিক ফণীন্দ্ৰ নাথ গায়নে। উন্মোচনী ভাষণত গায়নে কলং কলা কেন্দ্ৰই কৰি অহা বিভিন্ন প্ৰশিক্ষণ তথা অন্যান্য কাম-কাজৰ প্ৰশংসা কৰাৰ লগতে অনুষ্ঠানটি এটি ব্যতিক্ৰমী অনুষ্ঠান বুলি মন্তব্য কৰে। দুপৰীয়া চাৰে এঘাৰ বজাত অভ্যৰ্থনা সমিতিৰ সভাপতি কৃষ্ণ গোস্বামীৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত পুৰণিগুদাম তথা নগাঁও জিলাৰ পাঁচ গৰাকী শিল্পী-সাহিত্যিকক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। তেওঁলোক হ'ল সাহিত্যিক ফণীন্দ্ৰ নাথ গায়ন, সাহিত্যিক যুগলচন্দ্ৰ দেৱ গোস্বামী, সমাজকৰ্মী পুলিন হাজৰিকা, নগাঞা ওজাপালিৰ ওজা ভাবুৰাম কেওঁট আৰু শিল্পী মহেন্দ্ৰ বৰা। সভাত নিৰ্দ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি ভাষণ প্ৰদান কৰে বিশিষ্ট গল্পকাৰ, কলা সমালোচক তথা তেজপুৰ বিশ্ববিদ্যালয়ৰ সংস্কৃতি অধ্যয়ন বিভাগৰ অধ্যাপিকা ড° মৌচুমী কন্দলীয়ে। ভাষণ প্ৰসংগত তেওঁ কলং কলা কেন্দ্ৰৰ বিভিন্ন কাম-কাজৰ বিশ্লেষণ আগবঢ়াই কয় যে, লোক শিল্পক কেন্দ্ৰ কৰি গঢ় লোৱা অনুষ্ঠান অসমত খুবেই তাকৰ। অনুষ্ঠানটোৰ বহু মুখী বিভিন্ন কাৰ্যাৱলীৰ বিশ্লেষণ কৰি তেওঁ কয় যে কিছু যত্ন কৰিলেই এখন আৰ্ট স্কুল খুলিব পাৰি, কিছু যত্ন কৰিলেই আধুনিক চিত্ৰ-ভাস্কৰ্যৰ বাবে কিছুমান পদক্ষেপ গ্ৰহণ কৰিব পাৰি। কিন্তু লোক কলা বা লোক শিল্পৰ বাবে ইমান দ'লৈ গৈ এনেভাৱে কাম কৰাতো সহজ কথা নহয়। তেওঁ কয়, আলংকাৰিকভাৱে এই কথাষাৰ কোৱা নাই, একেবাৰে অন্তৰৰ পৰা এই কথাষাৰ কৈছো। লোক কলাৰ চৰিত্ৰ আৰু আধুনিক চিত্ৰকলাৰ মাজত থকা মৌলিক পাৰ্থক্যৰ বিষয়ে বিস্তৃতভাৱে ব্যাখ্যা কৰি তেওঁ কয়, লোক কলা যদি আমাৰ ভৰিৰ তলৰ মাটি তেন্তে আধুনিক কলা হ'ল আমাৰ আকাশখন। আমাক দুয়োটাই লাগিব। অনুষ্ঠানত ৰূপালী জয়ন্তী উৎসৱ উপলক্ষে ডাঃ বিকাশ কুমাৰ হাজৰিকাৰ দ্বাৰা সম্পাদিত "ৰূপোৱালি সঁফুৰা" নামৰ এখনি স্মৃতিগ্ৰন্থ উন্মোচন কৰে নগাঁও জিলা সাহিত্য সভাৰ প্ৰাক্তণ সভাপতি থগিত মহন্তই। সভাত প্ৰশান্ত গোস্বামীৰ দ্বাৰা ৰচিত আৰু সুৰাৰোপিত কলং কলা কেন্দ্ৰৰ সংগীতৰে শুভাৰম্ভ কৰা হয়। সভাৰ মাজে-মাজে প্ৰত্যাশা শইকীয়া, ঋতুস্মিন বৰা, আৰু অৰুনাভ গোস্বামীয়ে গীত পৰিৱেশন কৰে। সভাত প্ৰতাপ চন্দ্ৰ দাসৰ পৰিচালনাত বান্দৰৰ এক আকৰ্ষণীয় মুখা নৃত্য পৰিৱেশিত হয়। উদ্‌যাপন সমিতিৰ সম্পাদক চিত্তৰঞ্জন বৰাই উদ্দেশ্য ব্যাখ্যা কৰা সভাখনি সভাপতি কৃষ্ণ গোস্বামীৰ ভাষণেৰে সামৰণি পৰে। অনুষ্ঠান উপলক্ষে আয়োজিত কলা কৰ্মশালাত পল্লৱী শৰ্মা, মিঠুন দাস, কেশৱ পাছনী, ছ'বিতা বৰুৱা, যোগীন্দৰ সিং, শুভাশীষ চক্ৰৱৰ্ত্তী, লক্ষিপ্ৰভা শইকীয়া আৰু প্ৰণৱ শৰ্মাই অংশ লৈ একোখনকৈ চিত্ৰ অংকন কৰে। ধুবুৰীৰ শিল্পী গকুল পালে এটি মৃণ্ময় মূৰ্তি সাজি ৰাইজৰ মৰম আদায় কৰিবলৈ সক্ষম হয়। বিয়লি তিনি বজাত শিল্পী সকলৰ মাজত ভাব-বিনিময় অনুষ্ঠানত দহগৰাকী শিল্পীয়ে অংশ লয়। কলিয়াবৰৰ শিল্পী যোগিন্দৰ সিঙে কয় যে, কলং কলা কেন্দ্ৰই তেওঁৰ কলাযাত্ৰাত ভালেখিনি অৰিহণা যোগাইছে। প্ৰথমবাৰৰ বাবে এই অনুষ্ঠানত এক্ৰিলিক ৰঙেৰে ছবি আঁকা কাম আৰম্ভ কৰিছিল বুলি ব্যক্ত কৰি সিঙে অনুষ্ঠানটিত টেৰাকোটা শিকিবলৈ আহি হোৱা অভিজ্ঞতাৰ বিষয়েও ব্যক্ত কৰে। সভাত শুভাশীষ চক্ৰৱৰ্ত্তী, মিঠুন দাস, লক্ষিপ্ৰভা শইকীয়া আদিয়েও তেওঁলোকৰ জীৱনত কলং কলা কেন্দ্ৰই পেলোৱা প্ৰভাৱৰ বিষয়ে ব্যক্ত কৰে। নিশালৈ শংখধ্বনি শিল্পী সমাজৰ দ্বাৰা পৰিৱেশিত হয় মহাপুৰুষ শংকৰদেৱ বিৰচিত অংকীয়া নাট "পাৰিজাত হৰণ"। ভাবুৰাম কেওঁটে উদ্বোধন কৰা সৰ্বাঙ্গ সুন্দৰভাৱে পৰিৱেশিত নাটখনি চাবলৈ অঞ্চলৰ বহু শতাধিক ৰাইজৰ সমাগম হয়। দুই জানুৱাৰীৰ দ্বিতীয় দিনৰ প্ৰথম কাৰ্যসূচী আলোচনা চক্ৰখনি পুলিন হাজৰিকাৰ সঞ্চালনাত অনুষ্ঠিত হয়। "অসমৰ বিশেষ উল্লেখেৰে লোক কলাৰ অতীত আৰু বৰ্ত্তমান" শীৰ্ষক আলোচনা চক্ৰত নেমকেয়াৰ গ্ৰুপ অফ ইনষ্টিটিউটৰ অধ্যাপক জ্যোতিষ বৰুৱা, একে প্ৰতিষ্ঠানৰে ডিন ড° ভাৰ্গৱ জ্যোতি চহৰীয়া, কলা সমালোচক জ্যোতি খাটনিয়াৰ আৰু "লোক সংস্কৃতি" আলোচনীৰ সম্পাদক হেমন্ত কুমাৰ শইকীয়াই অংশগ্ৰহণ কৰে। মমী গোস্বামীৰ বৰগীতেৰে আৰম্ভ হোৱা আলোচনাচক্ৰ খনি উদ্বোধন কৰে যুৱনেতা মণিমাধৱ মহন্তই। ভাষণ প্ৰসংগত তেওঁ লোকশিল্পী সকলক আদৰ মৰম ৰাইজে কিয় কৰিব লাগে সেই সম্পৰ্কে বক্তব্য ৰাখি কলং কলা কেন্দ্ৰৰ বিভিন্ন পদক্ষেপৰ শলাগ লয়। ঘাই বিষয়বস্তুত আলোকপাত কৰি জ্যোতি খাটনিয়াৰে লোক কলাৰ স্পন্দন কেনেকৈ মানৱ সমাজত প্ৰৱাহিত হৈ মানৱ সভ্যতাক সুন্দৰ কৰি তুলিছিল তাৰ তাত্বিক আৰু সৰলীকৃত ব্যাখ্যা আগবঢ়ায়। জ্যোতিষ বৰুৱাই লোক সমাজৰ মাজত থকা কিছুমান পৰম্পৰাগত জ্ঞান তথা লোকাচাৰে কেনেকৈ আমাৰ সংস্কৃতিক সুন্দৰ কৰিছে তাৰ এক সাৱলীল ব্যাখ্যা আগবঢ়ায়। ড° ভাৰ্গৱ জ্যোতি চহৰীয়াই প্ৰাচীন পুথিত থকা বিবিধ জ্ঞান আধুনিক বিজ্ঞান চিহ্নিত কৰাৰ আগতেই যে আৱিষ্কাৰ কৰিছিল তাৰ এক নিৰ্মোহ বিশ্লেষণ আগবঢ়ায়। ইয়াৰ পিছতে প্ৰাক্তন প্ৰশিক্ষাৰ্থী সকলৰ এক সন্মিলন অনুষ্ঠিত হয় উক্ত সন্মিলনত পল্লৱী শৰ্মা, প্লাৱন বৰা, নৃপেন শইকীয়া, দিপাঞ্জলী বৰা আদিয়ে অংশগ্ৰহণ কৰে। নিশালৈ অনুষ্ঠিত সংগীত সন্ধ্যাত হোলী গীত, জিকিৰ, কামৰূপী লোকগীত আদি পৰিৱেশিত হোৱাৰ লগতে থাকে তৰুণ শইকীয়াৰ গীতৰ পৰিৱেশন কৰে। যতীন্দ্ৰ মোহন বৈৰাগীয়ে উদ্বোধন কৰা সাংস্কৃতিক সন্ধ্যাখনিৰ অন্যতম আকৰ্ষণ আছিল মমী গোস্বামীৰ দ্বাৰা পৰিচালিত মহিলাৰ নগঞা ওজাপালি। কলং কলা কেন্দ্ৰই অলপতে অনুষ্ঠিত কৰা নগঞা ওজাপালি কৰ্মশালাত প্ৰশিক্ষণ গ্ৰহণ কৰা প্ৰশিক্ষাৰ্থীসকলে পৰিৱেশন কৰা ওজাপালি অনুষ্ঠানটি নগাঁৱত প্ৰথমবাৰে মহিলাই পৰিৱেশন কৰা নগঞা ওজাপালি অনুষ্ঠান হিচাপে চিহ্নিত হৈছে। সংগীতানুষ্ঠানত প্ৰশান্ত গোস্বামী, সত্যকাম বৰা, সুদৰ্শণা কাশ্যপ, ৰেখাশ্ৰী বৰা, চম্পা দেৱী, দৰ্শিতা বৰা, অৰুণাভ গোস্বামী আদিয়ে গীত পৰিৱেশ কৰে।

অনুষ্ঠিত হ'ব বিভিন্ন প্ৰতিযোগিতা; সাংস্কৃতিক অনুষ্ঠানৰ বিশেষ আকৰ্ষণ মৰ্মিতা মিত্ৰ

# ৯৩ সংখ্যক ঐতিহাসিক চেঙা সভা মহোৎসৱৰ ব্যাপক আয়োজন

**অসম বাৰ্তা, দৌলাশাল, ৩ জানুৱাৰী ঃ** বৃহত্তৰ চেঙা অঞ্চলৰ সামাজিক প্ৰশাসনিক ব্যৱস্থাৰ সৰ্বোচ্চ অনুষ্ঠান চেঙা ঐক্য সন্মিলনৰ উদ্যোগত এইবেলি ১৫ জানুৱাৰীৰ পৰা ২২ জানুৱাৰীলৈ আঠদিনীয়া বিভিন্ন ধৰ্মীয়-পৰম্পৰাগত, সাংস্কৃতিক- শৈক্ষিক কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব ৯৩ সংখ্যক ঐতিহাসিক চেঙা মহোৎসৱ। ইতিমধ্যেই উদ্যোক্তাই প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে বুলি জানিব পৰা গৈছে। অহা ১৫ জানুৱাৰীৰ সন্ধিয়া ৯৩ সংখ্যক সভা মহোৎসৱৰ উদ্বোধনী অনুষ্ঠান অনুষ্ঠিত হ'ব। সভা মহোৎসৱৰ লগত সংগতি ৰাখি শৈক্ষিক আৰু সাংস্কৃতিক প্ৰতিযোগিতামূলক কাৰ্যসূচীৰো আয়োজন কৰা হৈছে বুলি জানিব পৰা গৈছে। অহা ১৭ জানুৱাৰীৰ পুৱা দহ বজাত শিল্পী দিৱস উপলক্ষ্যে চেঙা ঐক্য সন্মিলনৰ পৃষ্ঠপোষকতাত চেঙা আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত সমৰেন্দ্ৰ পাঠক (ধন) সোঁৱৰণী দ্বাদশ শ্ৰেণী পৰ্য্যন্ত বিদ্যালয় পৰ্য্যায়ত কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। কুইজ প্ৰতিযোগিতাখনৰ প্ৰথম পুৰস্কাৰ ৩, ০০১ টকা, দ্বিতীয় পুৰস্কাৰ ২,০০১ টকা আৰু তৃতীয় পুৰস্কাৰ ১, ০০১ টকা নিৰ্ধাৰণ কৰা হৈছে। কুইজ সম্পৰ্কত জানিবলগীয়া থাকিলে ৯৮৫৪৮৯৮৬২৯ নাই বা ৯৮৫৪৬৪০৮৭৫ নম্বৰত যোগাযোগ কৰিবলৈ উদ্যোক্তাই আহ্বান জনাইছে। অহা ১৮ জানুৱাৰীৰ পুৱা ১১ বজাত অনুষ্ঠিত হ'ব সদৌ অসম ভিত্তিত মহিলাৰ থিয়নাম প্ৰতিযোগিতা। প্ৰতিযোগিতাখনৰ প্ৰথম পুৰস্কাৰ ১০, ০০১ টকা, দ্বিতীয় পুৰস্কাৰ ৭, ০০১ টকা আৰু তৃতীয় পুৰস্কাৰ ৫, ০০১ টকা নিৰ্ধাৰণ কৰা হৈছে। প্ৰতিযোগিতাখনত অংশগ্ৰহণ কৰাৰ বাবে ভৰ্তি মাচুল ২০০ টকা নিৰ্ধাৰণ কৰা হৈছে বুলি উদ্যোক্তাই জানিবলৈ দিছে। ১৮ জানুৱাৰীৰ সন্ধিয়া অনুষ্ঠিত হ'ব সদৌ অসম ভিত্তিত একক আধুনিক নৃত্য প্ৰতিযোগিতা। প্ৰতিযোগিতাখনৰ প্ৰথম পুৰস্কাৰ ১০, ০০১ টকা, দ্বিতীয় পুৰস্কাৰ ৭, ০০১ টকা আৰু তৃতীয় পুৰস্কাৰ ৫, ০০১ টকা নিৰ্ধাৰণ কৰা হৈছে। প্ৰতিযোগিতাখনত অংশগ্ৰহণ কৰাৰ বাবে ভৰ্তি মাচুল ২০০ টকা নিৰ্ধাৰণ কৰা হৈছে বুলি উদ্যোক্তাই জানিবলৈ দিছে। মহিলাৰ থিয়নাম আৰু একক আধুনিক নৃত্য প্ৰতিযোগিতাৰ বিষয়ে জানিবলৈ হ'লে ৬০০০৪৮৯৮৪৩ নাই বা ৯৮৫৪৮৯৮৬২৯ নম্বৰত যোগাযোগ কৰিবলৈ উদ্যোক্তাই আহ্বান জনাইছে। সভা মহোৎসৱৰ অন্তিম দিনা অৰ্থাৎ ২২ জানুৱাৰীৰ সন্ধিয়া অনুষ্ঠিত হ'ব "মায়াবিনী ৰাতিৰ বুকুত" শীৰ্ষক সাংস্কৃতিক অনুষ্ঠান। উক্ত অনুষ্ঠানত জুবিন গাৰ্গৰ গীত পৰিৱেশন কৰি চৰ্চিত হোৱা আৰু জনপ্ৰিয়তা লাভ কৰা মৰ্মিতা মিত্ৰই গীত পৰিৱেশন কৰিব। মৰ্মিতা মিত্ৰৰ উপৰিও কেইবাগৰাকীও জনপ্ৰিয় কণ্ঠশিল্পীয়ে সাংস্কৃতিক অনুষ্ঠানত গীত পৰিৱেশন কৰিব বুলি উদ্যোক্তাই জানিবলৈ দিয়ে। ৯৩ সংখ্যক ঐতিহাসিক চেঙা সভা মহোৎসৱৰ প্ৰতিটো কাৰ্যসূচীতেই ৰাইজৰ উপস্থিতি কামনা কৰিছে চেঙা ঐক্য সন্মিলনৰ সভাপতি গৌতম পাঠক আৰু সম্পাদক চিন্ময় ডেকাই।

# মুক্তিযোদ্ধা মহাবল গড় আদৰ্শ বিদ্যালয়/উপস্থাপন শৈলীৰ ওপৰত আলোচনা



**অসম বাৰ্তা, লখিমপুৰ বিশেষ, ৩ জানুৱাৰী ঃ** লখিমপুৰ শিক্ষা খণ্ডৰ অন্তৰ্ভুক্ত চিয়াজুলি চাহ বাগিচাস্থিত মুক্তিযোদ্ধা মহাবল গড় আদৰ্শ বিদ্যালয়ত আজি উপস্থাপন শৈলীৰ ওপৰত ছাত্ৰ-ছাত্ৰীৰ সৈতে সমল ব্যক্তিৰ উপস্থিতিত এক মনোজ্ঞ আলোচনা অনুষ্ঠিত হয়। সমগ্ৰ শিক্ষাৰ অন্তৰ্গত 'সপ্তধাৰা' শীৰ্ষক আঁচনিৰ আধাৰত অনুষ্ঠিত অনুষ্ঠানত আজি উপস্থাপন ধাৰা শীৰ্ষক বিষয়ত এই কাৰ্যসূচী অনুষ্ঠিত হয়। যিকোনো এটা বিষয়ত উপস্থাপন শৈলীৰ গুৰুত্বৰ ওপৰত ছাত্ৰ-ছাত্ৰীসকলক শিক্ষা দিয়াৰ উদ্দেশ্যৰে অনুষ্ঠিত কাৰ্যসূচীত আঁত ধৰে মুক্তিযোদ্ধা মহাবল গড় আদৰ্শ বিদ্যালয়ৰ প্ৰধান শিক্ষক সন্দীপ শৰ্মাই। নিৰ্দিষ্ট বিষয়ত সমল ব্যক্তি হিচাপে উপস্থিত থকা সাংবাদিক দীপ প্ৰতিম বৰা আৰু পাৰ্থ শইকীয়াই উপস্থাপন শৈলীৰ গুৰুত্বৰ ওপৰত ভাষণ দিয়াৰ লগতে উপস্থাপন শৈলী এটা কলা বুলি উল্লেখ কৰি ছাত্ৰ জীৱনৰ পৰা জীৱন সংগ্ৰামকো সুন্দৰকৈ আগুৱাই নিবলৈ সাৱলীল উপস্থাপনে গুৰুত্ব বহন কৰি বুলি বক্তব্য প্ৰদান কৰে। অনুষ্ঠানত বিদ্যালয়খনৰ শিক্ষক, কৰ্মচাৰীসকল উপস্থিত থাকে।

# যোৰহাটৰ সবাইবন্ধা হাইস্কুলত ড্ৰাগছ বিৰোধী সজাগতা সভা

**অসম বাৰ্তা, যোৰহাট, ৩ জানুৱাৰী ঃ** এণ্টিকৰাপচন অৱ ইণ্ডিয়া ফাউণ্ডেশ্যনৰ উদ্যোগত যোৰহাট সবাইবন্ধা কৃষ্ণ নগৰ যুৱ শক্তিৰ সহযোগত সবাইবন্ধা হাইস্কুলত ড্ৰাগছ বিৰোধী এক সজাগতা সভা ২০ ডিচেম্বৰত অনুষ্ঠিত হয়। যোৰহাট সদৰ থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া হৃষীকেশ হাজৰিকাই বৰ্তমান যোৰহাট জিলাৰ পূৰ্বৰ শৈক্ষিক নগৰৰ গৰিমা ড্ৰাগছ আসক্ত যুৱক যুৱতীৰ পৰিৱেশে বহুতো ম্লান কৰিছে বুলি অনুভৱ প্ৰকাশ কৰে। আৰক্ষী বিষয়া গৰাকীয়ে ৰাইজৰ সহযোগ পালে আৰক্ষী বিভাগে যোৰহাট জিলাখনক ড্ৰাগছ মুক্ত কৰিবলৈ বদ্ধপৰিকৰ বুলি উল্লেখ কৰে। অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক নিৰেন কলিতাৰ সভাপতিত্ব আৰু যুৱ সমাজকৰ্মী দীপক হাজৰিকাৰ প্ৰদক্ষেপত অনুষ্ঠিত সভাখনত যোৰহাট জিলা কৃষি বিষয়া দেৱজিৎ দত্ত, ভোগদৈ আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া আকাশ গগৈ, অধিবক্তা বিজয় শংকৰ বৰবৰা, প্ৰকৃতি গোটৰ সদস্য প্ৰশান্ত কলিতা সমাজকৰ্মী জগন্নাথ অগ্নি বৰাই ড্ৰাগছ, ধঁপাত জাতীয় সামগ্ৰীৰ অপকাৰিতা, প্ৰতিৰোধৰ উপায় সম্পৰ্কত ভিন্ন ভিন্ন ভাৱে ব্যাখ্যা আগবঢ়ায়। বিদ্যালয়ৰ প্ৰধান শিক্ষক গজেন বৰা, স্থানীয় গাঁও প্ৰধান বহু কেইগৰাকী প্ৰথম শ্ৰেণীৰ নাগৰিক আৰু ছাত্ৰ-ছাত্ৰী উপস্থিত থকা সভাত কৃষ্ণ নগৰ যুৱ শক্তিৰ তৰফৰ পৰা দীপক হাজৰিকাক সমাজৰ এনে সেৱা আগবঢ়ায় থকা বাবে সম্বৰ্ধনা পত্ৰ প্ৰদানেৰে উৎসাহিত কৰে। সভাখনিত মহিলা সমিতিৰ সদস্যা, শিক্ষক শিক্ষয়িত্ৰী সকলে পূৰ্ণ সহযোগ ৰক্ষা কৰে।

'শিক্ষানুষ্ঠানৰ লগত জড়িতসকলৰ মাতৃভাষাৰ প্ৰতি শ্ৰদ্ধা থাকিব লাগিব'

# যোৰহাট পকামূৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সোণালী জয়ন্তীৰ সামৰণি অনুষ্ঠানত কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটা

## স্মৃতিগ্ৰন্থ স্বৰ্ণাভ উন্মোচন




**অসম বাৰ্তা, পশ্চিম যোৰহাট, ৩ জানুৱাৰী ঃ** 'শিক্ষানুষ্ঠানৰ লগত জড়িতসকলৰ মাতৃভাষাৰ প্ৰতি শ্ৰদ্ধা থাকিব লাগিব, মাতৃভাষাক শ্ৰদ্ধা কৰিব লাগিব। জীৱন যাত্ৰাত তেনে শিক্ষানুষ্ঠানত অধ্যয়ন কৰাসকল সাহসী হ'ব। শিক্ষানুষ্ঠানৰ প্ৰতি অঞ্চলটোৰ ৰাইজে সামাজিকভাৱে শ্ৰদ্ধা জনাব লাগিব।' যোৰহাট পকামূৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সোণালী জয়ন্তীৰ সামৰণী অনুষ্ঠানত অংশগ্ৰহণ কৰি এনেদৰে কয় ভাৰত চৰকাৰৰ কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাই। মন্ত্ৰীগৰাকীয়ে বক্তৃতাৰ শেষত বিদ্যালয়ৰ সংগীতটো কবিতা আকাৰে আবৃত্তি কৰি গীতটোৰ তাৎপৰ্য উপস্থিতসকলক সোঁৱৰাই দিয়ে। সহকাৰী শিক্ষক নয়নমনি কলিতাই আঁতধৰা, সোণালী জয়ন্তী উদযাপন সমিতিৰ সভাপতি, প্ৰাক্তন বিধায়ক হেমন্ত কলিতাৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাখনতে ১৯৭২ চনত প্ৰতিষ্ঠা হোৱা পকামূৰা হাইস্কুলখনৰ সৈতে ২০১৭ চনত লগতে থকা আনন্দ বৰঠাকুৰ মধ্য ইংৰাজী বিদ্যালয়খন একত্ৰীকৰণ হোৱাৰ পাছত ২০২১ চনত উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত হোৱাৰ লগতে বৰ্তমান ৩০০ ৰো অধিক শিক্ষাৰ্থীয়ে ষষ্ঠ-দ্বাদশ শ্ৰেণীলৈ অধ্যয়ন কৰি থকা পকামূৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ইতিহাস সম্বলিত স্মৃতিগ্ৰন্থ 'স্বৰ্ণাভ' মুকলি সভাতে উন্মোচন কৰে যোৰহাট জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড° ৰাতুল চন্দ্ৰ বৰাই। বিদ্যালয়খনৰ অধ্যক্ষ জয়ন্ত হাজৰিকাই সম্পাদনা কৰা স্বৰ্ণাভ প্ৰকাশ কৰিছে উদযাপন সমিতিয়ে। এই উদ্দেশ্যে পুৱা বিদ্যালয়ৰ পতাকা উত্তোলন কৰে অধ্যক্ষই। স্মৃতি তৰ্পণ কৰে উদযাপন সমিতিৰ কাৰ্যকৰী সভাপতি প্ৰণৱ হাজৰিকাই। তোৰণ উন্মোচন কৰে দুলাল শইকীয়া, দেৱেন বৰশইকীয়াই। তাৰপাছতে অঞ্চলটোৰ ভকত-বৈষ্ণৱ, আইসকলে নাম-কীৰ্তন কৰে। বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী, প্ৰাক্তন-বৰ্তমানৰ একাংশ শিক্ষাৰ্থীয়ে সমবেত সংগীত পৰিৱেশন কৰাৰ পাছতে বিদ্যালয়ৰ চমু ইতিহাসৰ লগতে আদৰণী ভাষণ আগবঢ়াই বিদ্যালয়খনৰ অধ্যক্ষ জয়ন্ত হাজৰিকাই। 'দৈনিক জনমভূমি'ৰ ডেস্ক ইনচাৰ্জ দিগন্ত বুঢ়াগোহাঁই, স্থানীয় সমাজকৰ্মী নগেন বৰা, বিপুল হাজৰিকা, ঈশ্বৰ প্ৰসন্ন বৰদলৈ, অৱসৰপ্ৰাপ্ত শিক্ষক অনন্ত পূজাৰী, বিদ্যালয়খনৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক হৰেন্দ্ৰনাথ কলিতা, যোৰহাট জিলা পৰিষদৰ খঙীয়াৰ সদস্য মামন দেৱী, প্ৰাক্তন ছাত্ৰ গৌতম ঘোষ প্ৰমুখ্যে ভালেকেইগৰাকীয়ে বক্তব্য আগবঢ়ায়। নটবৰ সত্ৰীয়া নৃত্য বিদ্যালয়ৰ শিক্ষাৰ্থীসকলে দশাৱতাৰ নৃত্য, ভোৰতাল নৃত্য, গোপী নৃত্য পৰিৱেশন কৰা সভাখনত স্থানীয় গাঁও পঞ্চায়তৰ সভাপতি অৰূপ বৰা, সমাজকৰ্মী ৰুবুল নেওগ প্ৰমুখ্যে বহুগৰাকী বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে। সমীপৱৰ্তী বিদ্যালয়ৰ প্ৰধান প্ৰবীণ ৰাজখোৱা, প্ৰদীপ বৰা, তুলুমণি দত্ত, বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী সুভপ্ৰভা বৰা, মিনু বৰাক সম্বৰ্ধনা জনায়। বহুকেইগৰাকী লোকক আদৰণি জনোৱা মুকলি সভাত অঞ্চলটোৰ বহুসংখ্যক গণ্যমান্য ব্যক্তি উপস্থিত থাকে। সন্ধিয়া বন্তি প্ৰজ্বলনৰ পাছতে বিদ্যালয়খনৰ প্ৰশিক্ষাৰ্থীসকলে গায়ন-বায়ন প্ৰদৰ্শন কৰাৰ লগতে 'শ্ৰীৰামৰ পৰাজয়, সীতাৰ পাতাল গমন'ত অভিনয় কৰে।

# গোলাঘাটৰ বচাভৰলুৱাত ১২ গৰাকী মৃতকৰ দুবছৰীয়া সমূহীয়া আদ্যশ্ৰাদ্ধ পালন; মৃতকৰ স্মৃতিসৌধ মুকলি

**ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ৩ জানুৱাৰী ঃ** ২০২৪ চনৰ ৩ জানুৱাৰীৰ পুৱতি নিশা দেৰগাঁৱৰ বালিজানত সংঘটিত এক ভয়ংকৰ পথ দুৰ্ঘটনাত প্ৰাণ গৈছিল গোলাঘাটৰ বচাভৰলুৱা গাঁৱৰ বাৰজনকৈ লোকৰ। ৩ জানুৱাৰীৰ পুৱতি নিশা বচাভৰলুৱা গাঁৱৰ পৰা বনভোজ খোৱাৰ উদ্দেশ্যে হাঁহি ধেমালিৰে বাচেৰে তিনিচুকীয়ালৈ ৰাওনা হৈছিল গাঁওখনৰ লোকসকল। কিন্তু নিয়তিৰ পৰিহাস দেৰগাঁৱৰ বালিজানৰ ওচৰত এখন কয়লা ভৰ্তি ট্ৰাকত বাচখনে খুন্দিওৱাৰ ফলত ঘটনাস্থলীতে প্ৰাণ হেৰুৱাইছিল বচা ভৰলুৱা গাঁৱৰ নৱজিৎ শইকীয়া, নিত্যানন্দ বৰা, ধীৰেন বৰা, অনিমা শইকীয়া, শুভাংকুৰ শইকীয়া, সোমেশ্বৰ শইকীয়া, পাপৰি বৰা, পিঙ্কিপ্ৰিয়া বৰা, মৃদুল বৰা, হিৰণ্য শইকীয়া, নীহাৰিকা শইকীয়া আৰু হেমকান্তি শইকীয়াই। সেই ভয়াবহ দিনটোৰ কথা সুঁৱৰি আজিও চকুলো টোকে মৃতকৰ পৰিয়ালৰ লগতে আত্মীয়সকলে। যাৰ বাবে শণিবাৰে দুটা বছৰ সম্পূৰ্ণ হোৱাৰ পিছত ১২ গৰাকী লোকৰ সমাধিস্থলত গাঁৱৰ লোকসকল একত্ৰিত হৈ ৰাজহুৱা আদ্যশ্ৰাদ্ধ পাতি এটা স্মৃতিসৌধ নিৰ্মাণ কৰে। দেৰগাঁৱৰ এগৰাকী বিশিষ্ট ব্যক্তি বিবেক বৰাই মৃত ব্যক্তিসকলৰ নামত স্মৃতিসৌধটো নিৰ্মাণৰ দায়িত্ব লৈ আজি মুকলি কৰি সেই অভিশপ্ত দিনটোত মৃতসকলকৰ আত্মাৰ চিৰশান্তি কামনা কৰি ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনায়। উল্লেখ্য যে বচাভৰলুৱা গাঁৱৰ লোকসকলৰ লগতে দাঁতিকাষৰীয়া লোকসকল আদ্যশ্ৰাদ্ধ স্থলীত উপস্থিত থকাৰ লগতে বাৰগৰাকী মৃত ব্যক্তিৰ সমাধিক্ষেত্ৰ পকী কৰিবৰ বাবে চৰকাৰক অনুৰোধ জনায়।

অনুষ্ঠিত হ'ব মাজুলী ভিত্তিত প্ৰাইজমানি জ্যোতি সংগীত আৰু চিত্ৰাংকন প্ৰতিযোগিতা

# নামনি মাজুলীৰ বালিচাপৰিৰ মিলিত কৃষ্টি সংঘৰ উদ্যোগত শিল্পী দিৱসৰ আয়োজন

**অসম বাৰ্তা, উজনী মাজুলী, ৩ জানুৱাৰী ঃ** মাজুলী জিলাৰ নামনি মাজুলীৰ বালিচাপৰি মিলিত কৃষ্টি সংঘৰ উদ্যোগত দিনজোৰা কাৰ্যসূচীৰে অহা ১৭ জানুৱাৰীত শিল্পী দিৱস উদ্‌যাপন কৰা হ'ব। মিলিত কৃষ্টি সংঘৰ প্ৰেক্ষাগৃহত আয়োজন কৰা উক্ত শিল্পী দিৱস উপলক্ষে মাজুলী জিলা ভিত্তিত প্ৰাইজমাণি জ্যোতি সংগীত প্ৰতিযোগিতা আৰু চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। জ্যোতি সংগীত প্ৰতিযোগিতা ১০ বছৰৰ পৰা ২০ বছৰৰ বয়সৰ প্ৰতিযোগীৰ মাজত কেৱল এটা শাখাত অনুষ্ঠিত হ'ব। চিত্ৰাংকন প্ৰতিযোগিতা তৃতীয় শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ মাজত এটা শাখাত অনুষ্ঠিত হ'ব। উক্ত, প্ৰতিযোগিতাসমূহত যোগদানৰ বাবে ৯৪৩৫২০৮৪৫১, ৬৩০৩৭৩৬৫৬১, ৯৫৭৭৮১১৭৭৮, ৭০০২৩২৫৪৭৯ ফোন নম্বৰত যোগাযোগ কৰিবলৈ মিলিত কৃষ্টি সংঘৰ সভাপতি প্ৰকাশ প্ৰসাদ আৰু সম্পাদক যদু কলিতাই আহ্বান জনাইছে। মিলিত কৃষ্টি সংঘৰ প্ৰেক্ষাগৃহত আজি অনুষ্ঠিত হোৱা এখন গুৰুত্বপূৰ্ণ বৈঠকত উক্ত সিদ্ধান্ত গ্ৰহণ কৰা হয়।

বাতৰি সংগ্ৰহ কৰিবলৈ যোৱা সাংবাদিকক দুৰ্ব্যৱহাৰ বেদখলকাৰীৰ

# কাজলগাঁৱত বেদখলকাৰী জলসিঞ্চন বিভাগৰ আৱাসিক গৃহত ভয়ংকৰ অগ্নিকাণ্ড

**অসম বাৰ্তা, বাসুগাঁও, ৩ জানুৱাৰী ঃ** বছৰটোৰ অন্তিম দিনত চিৰাং জিলা সদৰ কাজলগাঁৱত দুপৰীয়াৰ ভাগত বেদখলকাৰীৰ কবলত থকা জলসিঞ্চন বিভাগৰ এটি আৱাসিক গৃহত এক ভয়ংকৰ অগ্নিকাণ্ডৰ ঘটনা সংঘটিত হয়। অগ্নিকাণ্ডৰ সূত্ৰপাত হয় কাজলগাঁৱৰ বৈখুনগাঁও স্থিত বৰ্ষনগাঁও-মূলাগাঁও জলসিঞ্চন বিভাগৰ শ্লুইচ গেটৰ আৱাসিক গৃহ বেদখল কৰি মজুত কৰা খেৰৰ পৰা। প্ৰাপ্ত খবৰ অনুসৰি বৈখুনগাঁৱৰ বাসিন্দা প্ৰয়াত মজিদ পৰদেশীৰ পুতেক বাহাৰুল ইছলাম, আফাজুল হক আৰু জাফাৰুল ইছলাম নামৰ তিনি ভাতৃয়ে জলসিঞ্চন বিভাগৰ পৰিত্যক্ত আৱাসগৃহ এটা বেদখল কৰি গৰু বাবে অনা খেৰ মজুত কৰি ৰাখিছিল। আজি দুপৰীয়াৰ ভাগত স্থানীয় লোকে জলসিঞ্চন বিভাগৰ পৰিত্যক্ত আৱাসগৃহটোৰ পৰা ধোঁৱা ওলাই থকা প্ৰত্যক্ষ কৰে আৰু মুহূৰ্তৰ ভিতৰতে জুঁই আগুৰি ধৰে খেৰ ভৰ্তি আৱাসগৃহটোক। ইপিনে অগ্নিকাণ্ড সংঘটিত হোৱা আৱাসগৃহৰ কাষতে ৰখাই থোৱা আছিলে অত্যাধুনিক জ্বলনশীল পেট্ৰ'লিয়াম ইন্ধন কঢ়িওৱা টেঙ্কাৰ। এই দৃশ্য দেখি স্থানীয় লোক আতংকিত হৈ পৰে। লক্ষণীয় বিষয় যে জুঁই আগুৰি ধৰাৰ পিছতো একমাত্ৰ চৰকাৰী বাসগৃহ এটা বেদখল কৰি ৰখা বিষয়টো পোহৰলৈ অহাৰ ভয়ত পৰিয়ালটোৱে প্ৰথমতে অগ্নিনিৰ্বাপক বাহিনীক খবৰ দিয়া নাছিল কিন্তু পৰৱৰ্তী সময়ত জুঁইৰ বিধ্বংসী ৰূপ লোৱা দেখি কাজলগাঁৱৰ অগ্নিনিৰ্বাপক বাহিনী খবৰ দিয়ে আৰু প্ৰায় তিনি ঘণ্টামান সময় যুঁজি অগ্নিনিৰ্বাপন কৰিবলৈ সক্ষম হয়। তাৎপৰ্য্যপূৰ্ণ বিষয় যে আজি বৈখুনগাঁৱৰ জলসিঞ্চন বিভাগৰ আৱাসিক গৃহৰ অগ্নিকাণ্ডৰ বাতৰি সংগ্ৰহ কৰিবলৈ যোৱা সাংবাদিক সকলৰ সৈতে দুৰ্ব্যৱহাৰ কৰে জলসিঞ্চন বিভাগৰ ভূমি আৰু আৱাসগৃহ বেদখল কৰা বাহাৰুল ইছলাম নামৰ লোকজনে। স্থানীয় লোকৰ অভিযোগ জলসিঞ্চন বিভাগৰ নিৰ্লিপ্ততাৰ সুযোগ গ্ৰহণ কৰি বাহাৰুল ইছলাম, আফাজুল হক আৰু জাফাৰুল ইছলাম নামৰ তিনি ভাতৃয়ে মিলি জলসিঞ্চন বিভাগৰ বঙাইগাঁও সংমণ্ডলৰ অধীনস্থ বৰ্ষনগাঁও-মূলাগাঁও জলসিঞ্চন প্ৰকল্প চৌহদত থকা পৰিত্যক্ত আৱাসগৃহটোয়ে দখল কৰিয়ে ক্ষ্যান্ত থকা নাই তেওঁলোকে জলসিঞ্চন বিভাগৰ চৰকাৰী ভূমি পৰ্যন্ত বেদখল কৰি ৰাখিছে। বেদখল কৰা চৰকাৰী ভূমিত তেওঁলোকে ইতিমধ্যে গৰু গোহালি, পুখুৰী আনি নিৰ্মাণ কৰিছে বুলি গুৰুতৰ অভিযোগ উত্থাপিত হয়। ইপিনে অগ্নিকাণ্ডৰ খবৰ লাভ কৰি ঘটনাস্থলীত উপস্থিত হয় জলসিঞ্চন বিভাগৰ এগৰাকী কৰ্মচাৰী ব্ৰজেন সিংহ। আজিৰ অগ্নিকাণ্ডৰ ঘটনা সন্দৰ্ভত সংবাদ মাধ্যমৰ আগত কয় যে বাহাৰুল ইছলাম নামৰ লোকজনে আমাৰ জলসিঞ্চন বিভাগৰ বৰ্তমান পৰিত্যক্ত হৈ থকা আৱাসগৃহটোত আমাৰ অজ্ঞাতে বেদখল কৰি খেৰ মজুত কৰি ৰাখিছিল। যি খেৰত আজি অগ্নিকাণ্ডৰ সূচনা হয়। বেদখলকাৰী সকলে যে কেৱল পৰিত্যক্ত আৱাসগৃহটোয়ে বেদখল কৰিছে তেনেকুৱা নহয় তেওঁলোকে আমাৰ জলসিঞ্চন প্ৰকল্পটোৰ চৌহদত ভালেখিনি চৰকাৰী ভূমি বেদখল কৰাৰ কথা সংবাদ মাধ্যমৰ আগত স্বীকাৰ কৰে। এই চৰকাৰী ভূমি বেদখল কৰা বিষয়টো তেওঁ সংশ্লিষ্ট বিভাগৰ উৰ্দ্ধতন কৰ্তৃপক্ষক অৱগত কৰিব বুলি জানিবলৈ দিয়ে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☏ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◂◂ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▸▸

◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta •

● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন